গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ৩৫৪ ■ গুৱাহাটী ■ মঙ্গলবাৰ, ২ আগষ্ট, ২০২২, ১৬ শাওণ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 354 Dainandin Barta ■ Guwahati, Tuesday ■ 2 August, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only





## বাৰ্মিংহাম কমনৱেলথ গেমছ

ভাৰত ঃ সোণ ৩, ৰূপ ২, ব্ৰঞ্জ ১ ঃ মুঠ ৬

পুৰণিগুদামত ৰে'লৰ ইঞ্জিনৰ খুন্দাত নিহত একেটা পৰিয়ালৰ তিনিজনৰ নশ্বৰদেহ নিজা গৃহলৈ অনা অৱস্থাত শোকাকুল পৰিৱেশ ঃ বিভিন্ন দল-সংগঠন শোক প্ৰকাশ

## আমাক ৰে'লগেট লাগিবই

'নিশাটোৰ ভিতৰতে ৰে'ল বিভাগে বন্ধ কৰি দিলে ব্যস্ত পথটো'



**দৈনন্দিন বাৰ্তাৰ সেৱা, পুৰণিগুদাম, ১ আগষ্ট ঃ** নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অধীনৰ পুৰণিগুদাম বিষয়াচুকৰ ৰে'ল ক্ৰচিঙত গুৱাহাটী-শিলঘাট অভিমুখী এটা তীব্ৰবেগী ৰে'লৰ ইঞ্জিনে এখন ঠেইফট গাড়ী মহটিয়াই নিয়াত ছুইফ্‌টখনৰ ভিতৰত থকা একেটা পৰিয়ালৰ তিনিজন লোকৰ থিতাতে মৃত্যু হয়। তীব্ৰবেগী

■ ৮ পৃষ্ঠাত

## ভুলবশতঃ কীটনাশক পান কৰি চতিয়াত এজনৰ মৃত্যু

**দৈন্দিন বাৰ্তাৰ সেৱা, চতিয়া, ১ আগষ্ট ঃ** ভুলবশতঃ পানী বুলি কীটনাশক দ্ৰব্য পান কৰি চতিয়াৰ বুবুল হাজৰিকা নামৰ এজন ৫৩ বছৰীয়া ব্যক্তিৰ কালি নিশা মৃত্যু ঘটে। প্ৰাপ্ত তথ্য অনুসৰি উত্তৰ চতিয়াৰ সাপেখাঁতী গাঁৱৰ

■ ৮ পৃষ্ঠাত

## অসম সাহিত্য সভা



মত দিলে বিশিষ্ট সাহিত্যিক য়েছে দৰ্জে ঠংচিয়ে

## 'হ'লে' সভাপতি হ'ব অৱতীৰ্ণ হ'ব নিৰ্বাচনত

নমস্কাৰ,

আজি বহু বছৰৰ পৰা অসমৰ সাহিত্য প্ৰেমী ৰাইজে মোক অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি পদত অধিষ্ঠিত হ'বৰ কাৰণে ব্যক্তিগত ভাৱে লগ ধৰি, বিভিন্ন বাতৰি কাকত আৰু আলোচনীত চিঠি পত্ৰৰ লগতে প্ৰবন্ধ লিখি, বিভিন্ন সভা সমিতিত ভাষণ দি, চচিয়েল মিডিয়াত লিখি আৰু বিভিন্ন সংগঠনে বিবৃতি দি অনুৰোধ জনাই আহিছে। ব্যক্তিগত কাৰণত মই সেই অনুৰোধ ইমান দিনে ৰক্ষা কৰিব পৰা নাছিলোঁ। অসমৰ সাহিত্য প্ৰেমী ৰাইজৰ দাবীৰ আগত শিৰ নত কৰি এইবাৰ মই অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি পদৰ বাবে প্ৰাৰ্থী হবলৈ মনস্থ কৰিছোঁ। গতিকে মই অসম সাহিত্য সভা, জিলা সাহিত্য সভা তথা শাখা সাহিত্য সভাসমূহৰ লগতে অসমবাসী ৰাইজৰ সহাঁৰি আশা কৰিছোঁ আৰু অসমীয়া ভাষা সাহিত্যৰ দায়বদ্ধ কৰ্ম্মী হিচাপে সমূহ অসমবাসী ৰাইজৰ আশীৰ্বাদ বিচাৰিছোঁ।

জয়তু ভাষা জননী

জয় আই অসম

জয় ভাৰত মাতৃ।

## মিনিমাম গৱৰ্নমেণ্ট এণ্ড মেক্সিমাম গৱৰ্ননেন্সৰ লক্ষ্যৰে জাতি-জনগোষ্ঠীসমূহৰ জীৱনলৈ পৰিৱৰ্তন আনিবলৈ নিৰন্তৰ প্ৰয়াস অব্যাহত আছে ঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা



# 'মিছন ভূমিপুত্ৰ' মুকলি

ৰাজ্য চৰকাৰে প্ৰকাশ কৰিব জনজাতি ভূমি নীতি ঃ মুখ্যমন্ত্ৰী শৰ্মা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ আগষ্ট ঃ** ৰাজ্যৰ জাতিগত প্ৰমাণপত্ৰ প্ৰদান ব্যৱস্থাটোৰ যুগান্তকাৰী পৰিৱৰ্তন সাধনেৰে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই 'মিছন ভূমিপুত্ৰ'ৰ শুভ উদ্বোধন কৰে। জনজাতি পৰিক্ৰমা (ভৈয়াম) আৰু সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজন কৰা এক অনুষ্ঠানত জনসাধাৰণলৈ সহজলভ্য সেৱা আগবঢ়োৱাৰ অন্যতম অংশ হিচাপে জাতিগত প্ৰমাণপত্ৰ ডিজিটেল ৰূপত সহজে লাভ কৰা অনলাইন মাধ্যমৰ শুভ উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই ব্যৱস্থাৰ জৰিয়তে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ ছাত্ৰ-ছাত্ৰীসকলে অতি দ্ৰুত আৰু স্বচ্ছতাৰে জাতিগত প্ৰমাণপত্ৰ লাভ কৰিবলৈ সমৰ্থ হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে মিছন ভূমিপুত্ৰৰ জৰিয়তে ৰাজ্য চৰকাৰে

■ ৮ পৃষ্ঠাত

উপায়ুক্তসকলৰে পৰ্যালোচনামূলক বৈঠকত নিৰ্দেশ

# 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী সফল কৰক

জল জীৱন মিছন আঁচনি ৰূপায়ণৰে জড়িত অদক্ষ ঠিকাদাৰৰ ক্ষেত্ৰত শূন্য সহনশীল নীতি গ্ৰহণ কৰিবলৈ উপায়ুক্তসকলক মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয় প্ৰেক্ষাগৃহত ৰাজ্যখনৰ বিভিন্ন বিষয় সম্পৰ্কত উপায়ুক্তসকলৰ সৈতে এক পৰ্যালোচনামূলক বৈঠকত মিলিত হয়। ১৩ ৰ পৰা ১৫ আগষ্টলৈ দেশৰ প্ৰতিটো ঘৰতে ৰাষ্ট্ৰীয় পতাকা উত্তোলন নিশ্চিত কৰাৰ লক্ষ্যৰে 'হৰ ঘৰ ত্ৰিৰংগা' অভিযান

■ ৮ পৃষ্ঠাত



সংবাদ মেল সম্বোধন কৰিছে ৰাজ্য চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱাই

## মইনা নায়কক উচিত ক্ষতিপূৰণ দিয়াৰ দাবীত নগাঁৱত ধৰ্ণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১ আগষ্ট ঃ** লেপেটকটা চাহ বাগিচাৰ কাৰখানাত আহত চাহ শ্ৰমিক মইনা নায়কক উচিত ক্ষতিপূৰণ প্ৰদান নকৰাৰ প্ৰতিবাদত আজি নগাঁৱত সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থা আৰু চাহ জনজাতি মহিলা সমিতিয়ে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। নগাঁও আমোলাপট্টিস্থিত চাহ বাগিচা মাণ্ডলিক পৰিদৰ্শক

■ ৮ পৃষ্ঠাত

## 'বিটিআৰত উদ্বেগজনকভাৱে বৃদ্ধি পাইছে শিশু সৰবৰাহ'

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ১ আগষ্ট ঃ** ৰাজ্য তথা বিটিআৰত উদ্বেগজনকভাৱে বৃদ্ধি পাইছে শিশু সৰবৰাহ। বিটিআৰৰ চিৰাং জিলাৰ পৰা বিগত বৰ্ষত আশীজনৰো অধিক শিশু উদ্ধাৰ হৈছে গেংটকত। এই কথা প্ৰকাশ কৰিছে ৰাষ্ট্ৰীয় শিশু সুৰক্ষা আয়োগে। আজি বাক্সা জিলাৰ মুছলপুৰস্থ জিলা উপায়ুক্ত কাৰ্যালয়ত ৰাষ্ট্ৰীয় শিশু সুৰক্ষা আয়োগৰ উদ্যোগত আৰু ৰাজ্যিক শিশু সুৰক্ষা আয়োগৰ সহযোগত শিশু সুৰক্ষা শীৰ্ষক এক কৰ্মশালাত অংশগ্ৰহণ কৰি সাংবাদিকৰ ওচৰত এইদৰে উদ্বিগ্নতা প্ৰকাশ কৰে ৰাষ্ট্ৰীয় শিশু সুৰক্ষা

■ ৮ পৃষ্ঠাত

## ব্যৱহাৰকাৰীৰ বাবে সুবিধাজনক ভোটাৰ পঞ্জীয়ন প্ৰ-পত্ৰ মুকলি



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ আগষ্ট ঃ** ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া নীতিন খাড়েয়ে আজি গুৱাহাটীত এক অনুষ্ঠানত দেশৰ নিৰ্বাচন আয়োগে ব্যৱহাৰকাৰীৰ সুবিধাৰ্থে নতুনকৈ প্ৰস্তুত কৰি উলিওৱা ভোটাৰ পঞ্জীয়ন প্ৰ-



## ধেমাজিত অৰ্ধশতাধিক গাঁও প্লাৱিত

# সাপেখাঁতী বগলীজানত জীয়াধলে ছিগিলে মথাউৰি

■ দুটাকৈ সাহায্য শিবিৰত দিন পাৰ কৰিছে বন্যাক্ৰান্তই

■ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰিলে ধেমাজি আছুৰে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ১ আগষ্ট ঃ** জীয়াধল নদীৰ বানে তহিলং কৰিছে ধেমাজি জিলাৰ ভালেসংখ্যক গাঁও। অৰুণাচলৰ পাহাৰত নেৰানেপেৰা বৰষুণ হোৱাৰ ফলতে এনেদৰে সৃষ্টি হৈছে প্ৰবল বানৰ। সম্প্ৰতি কাৰোবাৰ ঘৰত যদি এককাল, কাৰোবাৰ ঘৰখনত আকৌ এডিঙি পানী। কাৰোবাৰ যদি ঘৰৰ সামগ্ৰী উটি গৈছে, কাৰোবাৰ আকৌ গৰু-ছাগলীকেইটা উটি গ'ল বানত। এয়া এতিয়া ধেমাজিৰ বানাক্ৰান্ত অঞ্চলৰ দুৰ্দশাৰ একো একোটা বাস্তৱ সত্য ছবি। অৰুণাচলৰ পাহাৰত আজিও অব্যাহত আছে বৰষুণ। ধেমাজি জিলাৰ মাজেৰে বৈ যোৱা জীয়াধল, ন-নদীৰ বানত বুৰ গৈছে ধেমাজি আৰু গোগামুখ ৰাজহ চক্ৰৰ অৰ্ধশতাধিক গাঁও। দেওবাৰে সন্ধিয়া কুমটীয়াৰ সোঁ-পাৰৰ বগলীজান

■ ৮ পৃষ্ঠাত

# ব্যক্তি এগৰাকী, পদবী দুটা...

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ আগষ্ট ঃ** ব্যক্তি এগৰাকী। পদবী দুটা। বিভাগ পৰিবহণ। এক অদৃশ্য শক্তিৰ বলত বলীয়ান গৌতম দাস। কামৰূপ মহানগৰ জিলাৰ পৰিবহণ বিষয়াৰ উপৰি সহকাৰী

■ ৮ পৃষ্ঠাত



## বিজেপি নেত্ৰী আঙুৰলতা ডেকাক উজনি অসমত নিষিদ্ধ



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ১ আগষ্ট ঃ** আহোম জনগোষ্ঠীক লৈ

■ ৮ পৃষ্ঠাত

## সাৰ্বভৌম কমতাপুৰ ৰাষ্ট্ৰৰ দাবী পৰিহাৰ

১০ আগষ্টত বঙাইগাঁৱত চিন্তন অভিৱৰ্তন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও১ আগষ্ট ঃ** কোচ ৰাজবংশী জনগোষ্ঠীৰ

■ ৮ পৃষ্ঠাত

# বৰপেটাৰোডৰ চিকিৎসালয়ত চিকিৎসাৰ অভাৱত এটি নৱজাতকৰ মৃত্যুক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি

মেৰাপানীৰ সৰুপানীৰ সোণালীপথাৰত নৱজাতক উদ্ধাৰ ঃ পৰিচয়হীন শিশুক লৈ তীব্ৰ চাঞ্চল্য



**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ১ আগষ্ট ঃ** নামনি অসমৰ বাণিজ্যিক প্ৰধান চহৰ বৰপেটাৰোডৰ এফআৰইউত চিকিৎসকৰ গাফিলতিৰ ফলত উপযুক্ত চিকিৎসা নোপোৱাৰ বাবে নৱজাতক শিশু এটিৰ মৃত্যু ঘটা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে প্ৰসূতিৰ পৰিয়ালৰ লোকে । বৰপেটাৰোডৰ ফাৰহান আলীৰ পত্নী আছিয়া খাতুনক প্ৰসৱ কৰাবলৈ দেওবাৰে বৰপেটাৰোডৰ চিকিৎসালয়ত ভৰ্তি কৰাইছিল পৰিয়ালৰ লোকে। কিন্তু সোমবাৰে পুৱা প্ৰসূতিগৰাকীক চিকিৎসালয়ৰ কৰ্মৰত চিকিৎসকে সুকলমে প্ৰসৱ কৰাই নৱজাতক শিশুটিক চিকিৎসালয়তেই মায়েকৰ লগত ৰাখিবলৈ দিছিল চিকিৎসকে। কিন্তু নৱজাতক শিশুটি জন্মৰ কিছু সময় পাছতেই মৃত্যু ঘটাত পৰিয়ালৰলোক ক্ষোভিত হৈ পৰিছে। চিকিৎসকৰ গাফিলতিত নৱজাতক শিশুটিৰ মৃত্যু ঘটা বুলিও অভিযোগ তুলিছে পৰিয়ালৰ লোকে। পৰিয়ালৰ অভিযোগৰ ভিত্তিত বৰপেটাৰোডৰ চিকিৎসালয়ৰ কৰ্তব্যৰত চিকিৎসকক সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত চিকিৎসকগৰাকীয়ে কয়-নৱজাতক শিশুটি জন্মৰ পাছত কান্দিছিল। তাৰপাছত চিকিৎসকে মায়েকক চমজাইয়ো দিছিল নৱজাতক শিশুটিক। হয়তো মায়েকে গাখীৰ খুৱাই থকাৰ সময়ত শ্বাস-প্ৰশ্বাস বন্ধ হৈয়ো মৃত্যু ঘটিব পাৰে বুলি চিকিৎসকে সন্ধেহ প্ৰকাশ কৰি কয় শিশু বিশেষজ্ঞ

■ ৮ পৃষ্ঠাত

## লোকশিল্পী তুলসী ওজাৰ নামেৰে নামকৰণ হ'ল পথ

মন্ত্ৰী বড়াৰ ঘোষণা— গুৱাহাটী কলাক্ষেত্ৰত স্থাপন হ'ব তুলসী ওজাৰ ঢোল, লোকশিল্পী তুলসী ওজাৰ ৰাজহুৱা স্মৃতিচাৰণ আৰু স্মাৰক গ্ৰন্থ উন্মোচন



**দৈনন্দিন বাৰ্তাৰ সেৱা, টিংখাং, ১ আগষ্ট ঃ** অসমীয়াৰ প্ৰাণৰ সম্পদ ঢোলটোকে সংগী হিচাপে লৈ অসমৰ সাংস্কৃতিক পথাৰখন উৰ্বৰা কৰি চলিত বৰ্ষৰ যোৱা ২ জুলাইত ধৰাৰ মায়া এৰি অজান দেশলৈ গতি কৰা ঢোলৰ ওজা তুলসী (নেওগ) ওজাৰ আজি ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু স্মৃতিচাৰণ সভা

■ ৮ পৃষ্ঠাত

## দুদিন ধৰি এটোপাল খোৱাপানীৰ বাবে হাহাকাৰ বিশ্বনাথ নগৰবাসীৰ

বিদ্যুৎ বিভাগক বাৰ লাখ টকা পৰিশোধ নকৰাৰ বাবেই বিদ্যুৎ বিভাগে কৰ্তন কৰিলে পানী যোগান আঁচনিৰ বিদ্যুৎ সংযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাভৈ, ১ আগষ্ট ঃ** গুৱাহাটী মহানগৰী নহয়, এইবাৰ বিশ্বনাথৰ নগৰবাসী ৰাইজে এটুপি খোৱাপানীৰ বাবে হাহাকাৰ অৱস্থা কৰিব লগা হৈছে। কালিৰ পৰা বিশ্বনাথ নগৰৰ প্ৰায় ৮০০টা পৰিয়ালে এটুপি পানীৰ বাবে হাহাকাৰ পৰিস্থিতি কৰিবলগীয়া হৈছে। এই পৰিয়ালকেইটাই প্ৰতিমাহে পানী যোগান বিভাগক বিল পৰিশোধ কৰি অহাৰ পিছতো হঠাৎ কিয় বিশ্বনাথ নগৰত পানী যোগান আঁচনিয়ে কালিৰ পৰা নগৰবাসীক পানী দিয়া বন্ধ কৰাৰ কাৰণ জানিবলৈ বিশ্বনাথ নগৰস্থিত পানী যোগান আঁচনিৰ স্থানত উপস্থিত হ'ল উপভোক্তাসকল। পিছতহে গম পোৱা গ'ল যে বিশ্বনাথ নগৰস্থিত পানী যোগান আঁচনিয়ে বিদ্যুত বিভাগৰ প্ৰায় ১২ লাখ

■ ৮ পৃষ্ঠাত

*অসম সাহিত্য সভাৰ প্ৰতিনিধি আৰু ছাত্ৰ সন্থাৰ প্ৰতিনিধিৰে বৈঠক, সোমবাৰে গুৱাহাটীত*






*এবিএমছুৰ ছাত্ৰ সংহতি দিৱসৰ মুকলি সভাত ভাষণৰত বিশিষ্ট লেখক-বুদ্ধিজীৱী হীৰেন গোহাঁই, সোমবাৰে গুৱাহাটীত*

# 'হিতাধিকাৰী সৃষ্টিয়ে দেশলৈ নমাই আনিব অন্ধকাৰ'

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ আগষ্ট ঃ** হিতাধিকাৰী সৃষ্টিৰে ভোট বেংক সুদৃঢ় কৰিব পৰাৰ বিপৰীতে দেশৰ ভৱিষ্যৎ যে অন্ধকাৰ সেয়া শেহতীয়াকৈ বুজি উঠিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। কিছুদিন পূৰ্বে প্ৰধানমন্ত্ৰী মোদী উপস্থিত হৈছিল উত্তৰ প্ৰদেশত। যোগী আদিত্য নাথক লগত লৈ উদ্বোধন কৰিছিল এক্সপ্ৰেছ হাইৱে'। সেই ৰাজহুৱা সভাত মোদীয়ে স্পষ্টভাৱে হিতাধিকাৰী সৃষ্টিৰ বিৰোধ কৰে। তেওঁ দেশৰ ৰাজনীতিৰ পৰা এই ব্যৱস্থা নিঃশেষ কৰিবলৈ বিশেষকৈ যুৱ প্ৰজন্মক আহ্বান জনায়। প্ৰধানমন্ত্ৰীৰ এই ব্যক্তব্য ৰাজনৈতিক মহলতো জোকাৰণিৰ সৃষ্টি কৰিছে। কেন্দ্ৰই বিনামূলীয়া চাউল, গেছৰ সংযোগ ইত্যাদিৰ নামত বৃহৎ পৰিমাণৰ ধন ব্যয় কৰি আহিছে। ইয়াৰ সমান্তৰালকৈ কৃষকসকলোকো ধন প্ৰদান কৰে কেন্দ্ৰই। চুবুৰীয়া ৰাষ্ট্ৰ শ্ৰীলংকাৰ অৰ্থনীতিক বিপৰ্যয়ে কি পৰিস্থিতিৰ সৃষ্টি কৰিছিল সেয়া পলমকৈ হ'লেও মোদীয়ে বুজি উঠিছিল বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত

■ ৮ পৃষ্ঠাত

## আহোম ৰাজত্বকালৰ গৌৰৱময় ঐতিহ্য বহনকাৰী চৰাইদেউত কিয় এলাগী ঐতিহ্য

ক্ষেত্ৰ সংৰক্ষণৰ বিপৰীতে চাওলুং চ্যুকাফাৰ মৈদাম অৱহেলিত-অনাদৃত ঃ চ্যুকাফা মৈদামৰ ভূমিত নিৰ্মাণ হ'ল চৰকাৰী শৌচালয়, কাণসাৰ নাই বিভাগীয় কৰ্তৃপক্ষৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চৰাইদেউ, ১ আগষ্ট ঃ** যিসময়ত বিশ্বৰ প্ৰেক্ষাপটত ৬০০ বছৰীয়া আহোম ৰাজত্বকালৰ গৌৰৱময় ঐতিহ্য বহনকাৰী কীৰ্তিচিহ্নসমূহৰ বিষয়ে আলোচনা হৈছে, তেনে সময়তে অসমীয়া

■ ৮ পৃষ্ঠাত

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
২ আগষ্ট, ২০২২ ■ মঙলবাৰ ■ ১৬ শাওণ, ১৯৪৪ শক



ভৱেশ কলিতা বিৰোধীমুক্ত সমষ্টিলৈ পৰিণত হোৱাৰ দিশে ৰঙিয়া

## পুনৰ যোগদান ১৮০গৰাকী যুৱ নেতা-কৰ্মীৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ১ আগষ্ট ঃ** ৰঙিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত ঐতিহাসিক হৰদত্ত বীৰদত্ত ভৱনত ভাৰতীয় জনতা পাৰ্টি,ৰঙিয়া ব্লক মণ্ডল আৰু নগৰ মণ্ডলৰ উদ্যোগত দেওবাৰে এক বৃহৎ যোগদান কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। উক্ত যোগদান কাৰ্যসূচীত ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ প্ৰাক্তন যুৱনেতা পংকজ ডেকা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন ছাত্ৰ নেতা পৰেশ নাথৰ নেতৃত্বত কংগ্ৰেছ,চি পি আই এম দলৰ লগতে সদৌ অসম ছাত্ৰ সন্থাৰ মুঠ ১৮০ ৰো অধিক ছাত্ৰ কৰ্মী তথা কংগ্ৰেছ আৰু অন্যান্য দলৰ নেতা কৰ্মীয়ে ভাৰতীয় জনতা পাৰ্টিৰ নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ আৰু ৰঙিয়া বিধানসভা সমষ্টিৰ সৰ্বাঙ্গীন তথা বিৰামহীন প্ৰগতি আৰু উন্নয়নৰ স্বাৰ্থত ভাৰতীয় জনতা পাৰ্টিত আনুষ্ঠানিক ভাৱে যোগদান কৰে। সকলোকে দলৰ মজিয়ালৈ উষ্ম আদৰণি জনাই ৰাজ্যিক বিজেপিৰ সভাপতি তথা ৰঙিয়াৰ স্থানীয় বিধায়ক ভবেশ কলিতাই। ইয়াৰোপৰি বিজেপি দলত যোগদান কৰা সকলোকে দলৰ নীতি আদৰ্শক সৰোগত কৰি ত্যাগ আৰু সমৰ্পনৰ মনোভাৱেৰে দেশৰ বাবে সেৱা আগবঢ়াবলৈ আহ্বান জনায়।এই বৃহৎ যোগদান কাৰ্যসূচীত উত্তৰ কামৰূপ জিলাৰ মাননীয় সভাপতি শ্ৰী সুৰল পাল,ৰঙিয়া ব্লক মণ্ডলৰ সভাপতি দ্বীপেন শইকীয়া,ৰঙিয়া নগৰ মণ্ডলৰ সভানেত্ৰী দীপ্তি লহকৰ,ৰঙিয়া পৌৰ সভাৰ পৌৰপতি অমৰেন্দ্ৰ লহকৰ,পাণ্ডুৰী জিলা পৰিষদৰ সদস্য লিটন কলিতা,ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য দীনেশ মহন্তৰ লগতে দলীয় কাৰ্যকৰ্তা সকল উপস্থিত থাকে। উল্লেখযোগ্য যে কিছুদিন পূৰ্বেও অনুৰূপ ধৰণে কংগ্ৰেছ অধ্যুষিত আৰিমত্ত পঞ্চায়তৰ সভাপতিসহ প্ৰায় তিনি শতাধিক নেতাকৰ্মীয়ে ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰিছিল। আজিৰ এই যোগদান কাৰ্যসূচীৰ পাছতেই ধাৰণা কৰা হৈছে ৰঙিয়া সমষ্টি ভবেশ কলিতাৰ নেতৃত্বত প্ৰায় বিৰোধীশূন্য সমষ্টিলৈ ৰূপান্তৰিত হোৱাৰ দিশে।

# বিনীত বাগাৰীয়াৰ চাঞ্চল্যকৰ আত্মহত্যাৰ মূল অভিযুক্ত সঞ্জয় শৰ্মাৰ আত্মসমৰ্পণ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ১ আগষ্ট ঃ** ডিব্ৰুগড়ৰ বিনীত বাগাৰিয়াৰ চাঞ্চল্যকৰ আত্মহত্যা গোচৰৰ অন্যতম অভিযুক্ত সঞ্জয় শৰ্মাৰ আত্মসমৰ্পণ। কালি (সোমবাৰে) ডিব্ৰুগড়ৰ চি জেএম আদালতত আত্মসমৰ্পণ কৰে দীৰ্ঘদিন আৰক্ষী চকুত ধূলি দি পলায়ন কৰি থকা সঞ্জয় শৰ্মাই ইতিমধ্যে আৰক্ষীয়ে বিনীত বাগাৰীয়া আত্মহত্যা ঘটনাৰ সন্দৰ্ভত বৈদ্দুলা খান, নিশান্ত শৰ্মা আৰু ছামছুল্লা খানক গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰিছে। আনহাতে বৰ্তমানো পলাতক আজিজ খান। দীৰ্ঘদিনে ডিব্ৰুগড় আৰক্ষীৰ চকুত ধূলি দি পলায়ন কৰি থকা ডিব্ৰুগড়ৰ বিনীত বাগাৰীয়া চাঞ্চল্যকৰ আত্মহত্যা ৰে জড়িত সঞ্জয় শৰ্মা অৱশেষত ডিব্ৰুগড়ৰ ন্যায়িক দণ্ডাধীশৰ আদালতত আত্মসমৰ্পণ কৰে। আদালতে সঞ্জয় শৰ্মাক ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰলৈ প্ৰেৰণ কৰে। উল্লেখ্য, ডিব্ৰুগড়ৰ প্ৰকৃতি প্ৰেমী যুৱক বিনীত বাগাৰীয়াই বৈদ্দুলা খান, সঞ্জয় শৰ্মা কে ধৰি পাঁচ জনীয়া দলৰ দ্বাৰা নিৰ্যাতনৰ সন্মুখীন হৈছিল। ভয়-ভাবুকিত অতিষ্ঠ হৈ যোৱা ৭ জুলাইত আত্মহত্যা কৰা বুলি ভিডিঅ ৰেকৰ্ড জৰিয়তে প্ৰকাশ কৰিছিল অভিযুক্ত সকলৰ নাম। বাগাৰীয়া পৰিয়ালৰ পৰা ভাড়াত লোৱা ব্যৱসায়িক প্ৰতিষ্ঠানগৃহৰ বাবেই ভাবুকি দি আহিছিল সঞ্জয় শৰ্মা আৰু আন চাৰিগৰাকী অভিযুক্তই।আনহাতে বিনীত বাগাৰীয়াৰ পৰিয়ালে উক্ত ঘটনা সন্দৰ্ভত তথা জীৱনৰ নিৰাপত্তা বিচাৰি ডিব্ৰুগড় আৰক্ষী, ডিব্ৰুগড়ৰ আৰক্ষী অধীক্ষক, আৰক্ষী সঞ্চালক প্ৰধান, তথা মুখ্যমন্ত্ৰী পৰ্যন্ত অভিযোগ দাখিল কৰিছিল যদিও বিশেষ পদক্ষেপ গ্ৰহণ নকৰিলে। যাৰ পৰিপ্ৰেক্ষিতত বিনীত বাগাৰীয়াই আত্মহত্যাৰ পূৰ্বে ন্যায় বিচাৰি এটা ভিডিঅ বাৰ্তা কৰি গৈছিল । অসমৰ মুখ্যমন্ত্ৰী, আৰক্ষী অতিৰিক্ত সঞ্চালক প্ৰধান জি পি সিং সহ বিনীত বাগাৰীয়া বাসগৃহত আহি ক্ষমা খুজিছিল আৰু ভুল স্বীকাৰ কৰিছিল। ডিব্ৰুগড়ৰ সদৰ থানা আৰক্ষী বিষয়াক শাস্তি মুলক বদলি কৰিছিল । কিন্তু সমগ্ৰ ঘটনাৰ বিশেষ তদন্ত আগবঢ়া নাছিল। অৱশেষত



দীৰ্ঘদিন পলাতক হৈ থকা সঞ্জয় শৰ্মা আত্মসমৰ্পণ কৰা পাছত পুনৰ ডিব্ৰুগড়ৰ স্মাৰ্ট আৰক্ষীয়ে কেনে পদক্ষেপ গ্ৰহণ কৰে সেইয়া লক্ষণীয় হ'ব।

কলিয়াবৰত বনৰীয়া ম'হৰ আক্ৰমণত এজন ব্যক্তি নিহত

## ঘটনাক কেন্দ্ৰ কৰি প্ৰতিবাদত কঁপি উঠিল কলিয়াবৰৰ নেহৰু বস্তি

### যাত্ৰাপথত আবদ্ধ মন্ত্ৰী অতুল বৰাৰ সক্ৰিয় ভূমিকাত পুনৰ মুকলি হ'ল যাতায়াত



**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১ আগষ্ট ঃ** কলিয়াবৰত আজি পুৱাবেলা বনৰীয়া ম'হৰ আক্ৰমণত নিহত হয় এজন ব্যক্তি। বুঢ়াপাহাৰ চাহ বাগিচাত সংঘটিত হয় এই অঘটন। বাগিচাত কৰ্মৰত অৱস্থাত বনৰীয়া ম'হে কৰা আক্ৰমণৰ ফলত নিগ্ৰো ওৰাং নামৰ বাগিচাৰ এজন শ্ৰমিক নিহত হয়। তাৰ পাছতেই বন বিভাগৰ হেমাহিৰ অভিযোগ তুলি নিহত চাহ শ্ৰমিকজনৰ মৃতদেহ লৈ ৰাষ্ট্ৰীয় ঘাইপথত প্ৰতিবাদ কৰাৰ লগতে প্ৰতিবাদী চাহ শ্ৰমিকে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ তথা বন বিভাগৰ হেমাহিৰ প্ৰতিবাদত ঘাইপথ অৱৰোধ কৰাৰ উপৰিও বুঢ়াপাহাৰ খণ্ড বন বিষয়া কাৰ্যালয়ও ঘেৰাও কৰে। ফলত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ উজনি-নামনিৰ যাতায়ত স্তব্ধ হৈ পৰে। প্ৰতিবাদস্থলীৰ দুয়ো দিশে শ-শ যান-বাহন আবদ্ধ হৈ পৰে। সেই সময়তে উজনিৰ পৰা গুৱাহাটী অভিমুখে আহি থকা মন্ত্ৰী অতুল বৰাৰ কনভয় ৰাষ্ট্ৰীয় ঘাইপথত আবদ্ধ হৈ পৰে। নেহৰু বস্তিত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি থক বুঢ়াপাহাৰ চাহ বাগিচাৰ দুই শতাধিক শ্ৰমিকৰ প্ৰতিনিধি আৰু বন বিভাগৰ বিষয়াৰে আলোচনাত মিলিত হৈ ঘটনাৰ বুজ লয়। এনে এক দুৰ্ভাগঞ্জ্যজনক ঘটনাত দুখ প্ৰকাশ কৰাৰ লগতে প্ৰতিবাদী লোকসকলক বুজাই-বঢ়াই শান্ত কৰাৰ চেষ্টা কৰে মন্ত্ৰীগৰাকীয়ে। নিহত শ্ৰমিকজন নশ্বৰ দেহত এখনি গামোচাৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি মন্ত্ৰী অতুল বৰাই নিহত বঞ্জ্যক্তিগতগৰাকীৰ পৰিয়াললৈ শীঘ্ৰে ক্ষতিপুৰণৰ আশ্বাস দিয়ে। কলিয়াবৰ মহকুমাৰ কাৰ্যঞ্জ্যবাহী দণ্ডাধীশ নীতিশা বৰাৰ সহযোগত কেইবাঘণ্টা জোৰা প্ৰতিবাদী চাহ শ্ৰমিকসকল মন্ত্ৰীৰ বুজনিত মান্তি হোৱাৰ পাছতেই ৰাজপথৰ পৰা আৰক্ষীয়ে মৃতদেহ আঁতৰাই পুনৰাই উজনি-নামনিৰ যাতায়ত মুকলি হয়।

## শালবাৰীত ইউপিপিএলৰ ১০খন প্ৰাথমিক সমিতি গঠন, আনুষ্ঠানিকভাৱে শপত গ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ১ আগষ্ট ঃ** ইউপিপিএলৰ শালবাৰী ব্লক সমিতিৰ উদ্যোগত আজি শালবাৰীৰ সমূহীয়া প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় এখন বিশেষ দলীয় সাংগঠনিক সভা। ইউপিপিএলৰ শালবাৰী ব্লক সমিতিৰ সভাপতি চক্ৰধৰ বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত, সাধাৰণ সম্পাদক আব্দুৰ ৰৌফে আত ধৰা সভাত দলীয় সাংগঠনিক দিশৰ ওপৰত বক্তৃতা প্ৰদান কৰে ক্ৰমে - বিটিআৰৰ শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰী, ইউপিপিএলৰ শালবাৰী জিলা সমিতিৰ সভাপতি বিখন গয়াৰী, সাধাৰণ সম্পাদক সুৰেশ সৰকাৰ, সম্পাদক মজিবুৰ ৰহমান,যুৱ শাখাৰ শালবাৰী জিলা সমিতিৰ সভাপতি সত্যজিৎ বড়ো, সাংগঠনিক সাধাৰণ সম্পাদক কামাল বাদছাহ, সাধাৰণ সম্পাদক অকণ দৈমাৰী,দলৰ অনুসূচিত জাতি কোষৰ সভাপতি গৌৰচান্দ দাস, মহিলা কোষৰ সাধাৰণ সম্পাদক ডালিমী খেৰকটাৰী, মথনগুৰি ব্লক সমিতিৰ সভাপতি লায়াম বড়োৱে।উল্লেখ্য যে—ইউপিপিএলৰ শালবাৰী ব্লক সমিতিৰ অন্তৰ্গত ১০খন প্ৰাথমিক সমিতি ক্ৰমে-শালবাৰী, ঘোৰামাৰা,বৰফেণা, ৰামচাৰটাৰি, ঢেকীয়াজানী, চুণবাৰী, বাহবাৰী, খুশ্ৰাবাৰী, বুনমাজা আৰু ৰূপাফুলি প্ৰাথমিক সমিতিবোৰ আনুষ্ঠানিকভাৱে গঠন কৰা হয়। লগতে নতুনকৈ গঠিত প্ৰাথমিক সমিতিবোৰৰ বিষয়ববীয়া সকলক শপত বাক্য পাঠ কৰায় ইউপিপিএলৰ শালবাৰী জিলা সমিতিৰ সভাপতি বিখন গয়াৰীয়ে।

## নৈনে নদীৰ বানত ছিগা মথাউৰিৰে পানী সোমাই কে'বাখনো গাঁৱৰ খেতি প্লাৱিত

### ঠিকাদাৰৰ হেমাহিৰ অভিযোগ



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১ আগষ্ট ঃ** প্ৰায় ডেৰ মাহ আগতে নৈনে নদীৰ বাঢ়নী পানীৰ তীব্ৰ সোঁতে নৈনে নদীৰ মথাউৰি ছিপাঝাৰৰ কেইবা ঠাইতো ছিগি পেলাইছিল। একে সময়তে ইয়াৰ কুমাৰপাৰাতো প্ৰাৰ ৫০ মিটাৰ মান দৈৰ্ঘ্যজুৰি ছিগি পেলাইছিল নদীখনৰ পশ্চিম প্ৰান্তৰ মথাউৰি। তৰিৎ বেগে পৰিদৰ্শন কৰি কৰি স্থানীয় বিধায়ক ডঃ পৰমানন্দ ৰাজবংশী,জলসম্পদ মন্ত্ৰী পীয়ুষ হাজৰিকাই মথাউৰি ছিগা অংশটি সাময়িক ভাবে পানী ওলাব নোৱাৰাকৈ গাইড বান্ধ দি বন্ধাৰ কথা উল্লেখ কৰিছিল।যাৰ পিছত ঠিকাদাৰে মথাউৰি ছিগা অংশটি মেৰামতিৰ কাম আৰম্ভ কৰি চলাই আছে। কিন্তু অভিযোগ অনুসৰি ঠিকাদাৰে গাইড বান্ধত প্ৰয়োজনীয়তকৈ বস্তা কমকৈ পেলোৱাত কিনিকিনীয়া বৰষুণত নদীখনৰ পানী বাঢ়োতেই বান্ধৰ ওপৰেৰে পানী বাগৰি গৈ পুনৰ কৃষক ৰাইজৰ খেতি পথাৰে নহয়, ঘৰ-দুৱাৰো বুৰাই পেলোৱাটো নিশ্চিত হৈ পৰাত শংকিত হৈ পৰিছে। ৰাইজে জলসম্পদ মন্ত্ৰীয়ে জৰুৰী ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

## ৰাইজৰ সহযোগত দাওভাংগী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াই থানা চৌহদত নিৰ্মাণ কৰিলে শিৱমন্দিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১ আগষ্ট ঃ** গৌৰীপুৰৰ দাওভংগীত হিন্দু মুছলমানৰ সম্প্ৰীতিৰ নিৰ্ধশন দাঙি ধৰিছে এগৰাকী মুছলিম সম্প্ৰদায়ৰ আৰক্ষী বিষয়াই। নাম জাহান উদ্দিন।আৰক্ষী চকী চৌহদত হিন্দু ধৰ্মাৱলম্বী লোকৰ উপসনাৰ বাবে এখনো মন্দিৰ নাছিল। তেও তাত এখন মন্দিৰ নিৰ্মাণৰ বাবে জিলা প্ৰশাসনৰ পৰা অনুমতি লাভ কৰি স্থানীয় ধৰ্মপ্ৰাণ লোকৰ সহযোগত প্ৰায় ৮য৯ মাহৰ ভিতৰতেই এই শিৱ মন্দিৰ খন নিৰ্মাণ কৰে। স্থানীয় ৰাইজৰ সহযোগত আৰক্ষী বিষয়া গৰাকীৰ তত্ত্বাৱধানত শিৱ মন্দিৰ খন নিৰ্মাণ কৰা হৈছে। আজি প্ৰথমবাৰৰ বাবে পূজা অৰ্চনা কৰি মন্দিৰ খনৰ শুভ উদ্বোধন কৰে ধুবুৰী জিলা সহকাৰী আৰক্ষী অধীক্ষক বিদ্যুত বৰভূঞাই। আৰক্ষী বিষয়া জাহান উদ্দিনে ৰাইজৰ সহযোগীতাত আৰক্ষী চকী চৌহদত শিৱ মন্দিৰ খন নিৰ্মাণ কৰাত কৰাত স্থানীয় ৰাইজৰ ভূইসী প্ৰসংশা লাভ কৰে আৰক্ষী বিষয়া জাহান উদ্দিনে।

NEMCARE Group of Institutions
ESTD: 2017
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
❖ B Pharm ❖ BSc Nursing
❖ D Pharm ❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration
CALL NOW
*Special Scholarship Available
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Assam-781125

## পলাশবাৰীৰ ৰামপুৰ কৃষি উন্নয়ন চক্ৰই বিতৰণ কৰিলে জৈৱিক সাৰ আৰু কৃষি সামগ্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও, ১ আগষ্ট ঃ** ৰাজ্য কৃষকসকলৰ সুবিধাৰ বাবে চৰকাৰে সময়ে সময়ে বিভিন্ন আঁচনি ৰূপায়ণ কৰি আহিছে। তাৰেই অংশ হিচাপে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আচনিৰ অধীনত ২০২২-২৩ বৰ্ষৰ বাবে পলাশবাৰীৰ ৰামপুৰ কৃষি উন্নয়ন চক্ৰই যোৱা ৩১ জুলাইত ৬ কুইণ্টল ৩০ কেজি জৈৱিক সাৰ, ৭ কুইণ্টল জিংক ছালফেট আৰু ১.৫ কুইণ্টল ক্ৰাইজেফ সোনা (মৰাপাটৰ বাবে) গুইমাৰা-চিমিনা, চুলিকাটা আৰু দখলা আদি নৈপৰীয়া অঞ্চলৰ মাহজাতীয় আৰু মৰাপাট খেতি থকা কৃষকসকলৰ মাজত বিতৰণ কৰে। ইয়াৰ উপৰিও ৮ টা Wel land paddy weeder আৰু ৮ টা horticulture kit কৃষকৰ মাজত কৃষিৰ বাবে ব্যৱহৃত বিভিন্ন সা-সামগ্ৰীয়ো বিতৰণ কৰি উৎসাহিত কৰে। কৃষি বিষয়া গিৰীন্দ্ৰ শৰ্মাৰ নেতৃত্বত তথা লংকেশ্বৰ কলিতাৰ সহযোগত এইসমূহ বয় বস্তু লাভ কৰি কৃষকসকলে উপকৃত হোৱা বুলি জানিবলৈ দিয়ে।



## কমাৰগাঁৱৰ পানীদিহিঙীয়াত পথাৰত গৰু বান্ধিবলৈ গৈ এজন অৱসৰপ্ৰাপ্ত শিক্ষকৰ কৰুণ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ১ আগষ্ট ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত পানীদিহিঙীয়াত আজি এজন অৱসৰপ্ৰাপ্ত শিক্ষকে পথাৰত গৰু বান্ধিবলৈ যাওতে কৰুণ মৃত্যুক সাৱটি লোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে।উল্লেখ যে পানীদিহিঙীয়া গাঁৱৰ গুঞ্জ বৰুৱা নামৰ ৭৫ বছৰীয়া অৱসৰপ্ৰাপ্ত শিক্ষক গৰাকীয়ে ঘৰৰ কাষৰে পথাৰত গৰু বান্ধিবলৈ যাওতে অসাৱধানবসত গৰুৱে টানি নিয়ে আৰু লোকজন পথাৰৰ বোকাত পৰি যায়।ইফালে গৰু বান্ধিবলৈ পথাৰলৈ যোৱা গুঞ্জ বৰুৱা



বহু সময়লৈকে ঘূৰি নহাত পৰিয়ালৰ লোকে বিচাৰ খোচাৰ কৰাত পথাৰত লোকজন পৰি থকা দেখা পায়।বোকাৰে লুটুৰিপুটুৰি হৈ থকা বয়োজেষ্ঠ লোক জনক উঠাই পৰিয়ালৰ লোকে কমাৰগাঁও ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ নিয়ে যদিও চিকিৎসকে লোকজনক মৃত ঘোষণা কৰে ইফালে ঘটনাস্থলিত আৰক্ষী এটি দল উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাটলৈ প্ৰেৰণ কৰে ইফালে সৰবৰাহী অৱসৰপ্ৰাপ্ত শিক্ষক গৰাকীৰ মৃত্যুত সকলোৱে গভীৰ শোক প্ৰকাশ কৰিছে।

## অসম জ্যোতিষ সভাৰ অধিৱেশনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ আগষ্ট ঃ** কালি গুৱাহাটী মহানগৰীৰ হাতীগাঁৱত অসম জ্যোতিষ সভাৰ সঞ্চালক ডঃ অনিল বৰুৱাৰ বাসগৃহত আগন্তুক ইং ১২ আৰু ১৩ নৱেম্বৰত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া জ্যোতিষ সভাৰ অধিৱেশন আৰু শ্ৰীশ্ৰী বিষুও-নৱগ্ৰহ যজ্ঞানুষ্ঠানৰ প্ৰস্তুতি সম্পৰ্কে এখন কৰ্ণধাৰ সমিতিৰ বৈঠক অনুষ্ঠিত হয়। এই সভাত উপস্থিত থাকে সভাপতি ডঃ দিপক দেৱ শৰ্মা, কালচক্ৰ পুৰ্ণাংগ পঞ্জিকাৰ সম্পাদক পুলিন চন্দ্ৰ দেৱশৰ্মা, মহানগৰ ব্ৰাহ্মণ সভাৰ সভাপতি শ্ৰীখগেন্দ্ৰ নাথ শৰ্মা আদি বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।



ফৰ্ম নং এন চি এল টি ৩ এ
(বিধি ৩৫ চাওক)
নেচনেল কোম্পানী ল ট্ৰিবুলেন, গুৱাহাটী শাখাৰ সমুখত
ইনটেৰিঅ'কিউটৰি এপ্লিকেছন (আই বি চি) নং ২/ জি ৮/২০২২
-ইন-
কোম্পানী পিটিছন (আই বি) নং ১০/ জি বি/২০২১ অধিনত
ইনটেৰিঅকিউটৰি এপ্লিকেছনৰ জাননী

**বিশাল ঘেচুলাল জৈন**
নায়ক ইনফ্ৰাচট্ৰাচাৰ প্ৰাইভেট লিমিটেড, পঞ্জীয়ন নং আই বি বি আই/ আই পি এ-০০১/ আই পি- পি ০০৪১৯/২০১৭-২০১৮/১০৭৪২, এ এফ এৰ প্ৰফেচনেল ৰিজিউলেচন, ০৪০১ ২০২৩ লৈ কে।
পঞ্জীকৃত ইমেইল vissal@cavissaljain.com, পঞ্জীকৃত ঠিকনা ডি-১৯০২, পালম বিছ ৰেচিডেন্সি, আমে চি এইচ এছ লিঃ প্লট নং ২৪-২৯, চেক্টৰ-৪, নিৰাজ ৰেষ্ট, নবী মুম্বাই-৪০০৭০৬। যোগাযোগৰ ঠিকনা ১০০৩, সত্ৰ প্লাজা, চেক্টৰ ১৯ ডি, ভাচি, নবী মুম্বাই ৪০০৭০৩............ **আৱেদনকাৰী**
ভাৰ্চেছ
**অনন্ত চৰন নায়ক**
সহযোগী আৰু নিলম্বিত সদস্য, সঞ্চালক মণ্ডলি, কৰ্পৰেট দেবতৰ, ডি আই এনঃ ০১৮৭৭৩৭৮, ঠিকনা লামডিং স্বৰূপানন্দ ৰোড, অসমীয়া স্কুলৰ কাষত, দক্ষিণ লামডিং, নগাঁও, লামডিং, অসম ৭৮২৪৪৭-.......... **ৰেচপনডেন্ট নং ১**
**উমেশ সেনাপতি**
সঞ্চালক মণ্ডলিৰ নিলম্বিত সদস্য, কৰ্পৰেট দেবতৰ, ডি আই এন ০১৮৭৭৩৯৭, লামডিং স্বৰূপানন্দ ৰোড, অসমীয়া স্কুলৰ কাষত, দক্ষিণ লামডিং, নগাঁও, লামডিং, অসম ৭৮২৪৪৭-.......... **ৰেচপনডেন্ট নং ২**
**বিশ্বজিৎ নায়ক**
সঞ্চালক মণ্ডলিৰ নিলম্বিত সদস্য, কৰ্পৰেট দেবতৰ, ডি আই এন ০১৮৭৭৪২২, ঠিকনা লামডিং স্বৰূপানন্দ ৰোড, অসমীয়া স্কুলৰ কাষত, দক্ষিণ লামডিং, নগাঁও, লামডিং, অসম ৭৮২৪৪৭-.......... **ৰেচপনডেন্ট নং ৩**
**ৰেণু দেৱী নায়ক**
সঞ্চালক মণ্ডলিৰ নিলম্বিত সদস্য, কৰ্পৰেট দেবতৰ, ডি আই এন ০৬৫৫৬০৪৫, ঠিকনা লামডিং স্বৰূপানন্দ ৰোড, অসমীয়া স্কুলৰ কাষত, দক্ষিণ লামডিং, নগাঁও, লামডিং, অসম ৭৮২৪৪৭-.......... **ৰেচপনডেন্ট নং ৪**
**শ্ৰীমতী শুভাশিনী নায়ক**
মেনেজাৰ (বিত্ত)
কৰ্পৰেট দেবতৰ, ডি আই এন ০৬৫৫৬০৪৫, ঠিকনা লামডিং স্বৰূপানন্দ ৰোড, অসমীয়া স্কুলৰ কাষত, দক্ষিণ লামডিং, নগাঁও, লামডিং, অসম ৭৮২৪৪৭-.......... **ৰেচপনডেন্ট নং ৫**
**মেচাৰ্ছ কুমাৰ ৰয় বৰ্মন প্ৰশান্ত এণ্ড এচছিয়েট**
কৰ্পৰেট দেবতৰৰ হিচাপ পৰীক্ষক, মেম্বাৰশ্বিপ নং ০১৩৯০৫, ঠিকনা ১৪০ এ/৪, নেতাজী সুভাষ চন্দ্ৰ বসু ৰোড, ৰিজেণ্ট ইষ্টেট কলকাতা-৭০০৯২, **ৰেচপনডেন্ট নং ৬**
**বিষয়বস্তু অনুসৰি**
ষ্টেট বেংক অব ইণ্ডিয়া..........ফাইনেন্সিয়েল ক্ৰেডিতৰ
ভাৰ্চেছ
নায়ক ইনফ্ৰাষ্টকাচাৰ প্ৰাইভেট লিমিটেড..........**কৰ্পৰেট দপতৰ**
আৱেদন নং ২/ জি বি/২০২২, ধাৰা ১৯ (২) পঢ়ি উঠি ধাৰা ৭০, ইনছলভেঞ্চি এণ্ড বেংকৰাপ্তী কোড-২০১৬, ইনছলভেঞ্চি বেংকৰাপ্তী ৰৰ্ড অৱ ইণ্ডিয়াৰ বিধি-৩০ (ইনছলভেঞ্চি ৰিজলেছন প্ৰচেছ ফৰ কৰ্পৰেট পাৰচন) ৰেগুলেছন-২০১৬ আৰু বিধি-১১ এন চি এল টি ৰুলছ- ২০১৬ অনুসৰি, ৰেচপণ্ডেণ্ট সকলৰ সঁহাৰিৰ কাৰণে আৱেদন দাখিল কৰা হৈছিল শ্ৰী বিশাল ঘেচুলাল জৈনৰ দ্বাৰা ২৯ ডিচেম্বৰ ২০২১ তাৰিখে কোম্পানীৰ আৱেদন (আই বি) নং ১০/ জি বি /২০২১ অনুসৰি। আৱেদন স্থিৰ কৰা হৈছে শুনানিৰ বাবে নেচনেল কোম্পানী ল ট্ৰিবুনেলৰ গুৱাহাটী শাখাত ১২.০৮.২০২২ তাৰিখে। এই জাননীৰ জৰিয়তে ৰেচপনডেণ্ট সকলক ওপৰত উল্লেখ কৰা অনুসৰি উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়া হ'ল মহামান্য ট্ৰিবুনেল, গুৱাহাটী শাখাত, ২৯ জুলাই ২০২২ তাৰিখৰ নিৰ্দেশনাত। যদিহে কোনো সদস্যই আৱশ্যক অনুভৱ কৰে ওপৰোক্ত আৱেদনৰ সমৰ্থন বা বিৰোধীতাৰ কাৰণে, তেনেহলে তেওঁলোকে আৱেদনকাৰীৰ অধিবক্তালৈ নিজৰ উদ্দেশ্য উল্লেখ কৰি স্বাক্ষৰ সহ প্ৰেৰণ কৰিব পাৰিব নিজে বা অধিবক্তাৰ জৰিয়তে, তেওঁৰ নাম আৰু ঠিকনা উল্লেখ কৰি যাতে উক্ত নিৰ্ধাৰিত তাৰিখৰ দুদিনৰ পূৰ্বে প্ৰাপ্তি হোৱাকৈ, যিটো তাৰিখ সুনানীৰ বাবে ধাৰ্য কৰা হৈছে। যদিহে তেওঁ আৱেদনৰ বিৰোধীতা কৰে, তেনেহলে বিৰোধীতাৰ কাৰণ বা তেওঁৰ শপত নামাৰ এটা প্ৰতিলিপি উক্ত জাননীৰ সৈতে দাখিল কৰাব লাগিব। আৱেদনৰ এটা প্ৰতিলিপি নিম্ন স্বাক্ষৰকাৰীয়ে যি কোনো আৱশ্যকীয় ব্যক্তিক যোগান ধৰিব উল্লেখ কৰা মাচুল আদায়ৰ বিপৰীতে।

(স্বাক্ষৰ)
অধিবক্তা জি অনিৰুথ পুৰুশুত্তম
(আৱেদনকাৰীৰ অধিৱক্তা)
**ঠিকনা ঃ** অফিচ নং ১২০২, দ্বাদশ মহলা, দলমল টাৱাৰ, নাৰীমন পইণ্ট, মুম্বাই-৪০০০২১

ইংডিয়ন বৈংক Indian Bank
ইলাহাবাদ ALLAHABAD
**মাণ্ডলিক কাৰ্যালয় ঃ শৰ্মা এণ্ড শৰ্মা মাৰ্কেট, দ্বিতীয় মহলা, আৰ. জি. বৰুৱা ৰোড, চান্দমাৰি, গুৱাহাটী, অসম-৭৮১০০৩**
ই-মেইল ঃ zoguwahati@indianbank.co.in

[বিধি ৮(১)]
**দখলৰ জাননী** (স্থাৱৰ সম্পত্তিৰ বাবে)

যিহেতু,
তলত স্বাক্ষৰদানকাৰী ইণ্ডিয়ান বেংক, হয়বৰ গাঁও শাখাৰ কৰ্তৃত্বশীল বিষয়া, চিকিউৰিটাইজেচন এণ্ড ৰিকনষ্টাকচন অব ফাইনেনচিয়েল এছেটছ এণ্ড এনফ'ৰ্চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট এক্ট-২০০২ আৰু উক্ত আইনৰ ধাৰা-১৩(১২) ক্ষমতা প্ৰয়োগ কৰি, পঢ়ি উঠি ৰুল-৮ আৰু ৯, ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ ৰ জৰিয়তে এখন **দাবী জাননী জাৰি কৰা হৈছিল ২৫.০১.২০২২ তাৰিখে ঋণ লওতা শ্ৰী বিদ্যুৎ বিকাশ হাজৰিকা (ঋণ লওতা আৰু মৰ্টগেজৰ), পিতা ঃ স্বৰ্গীয় প্ৰবীন হাজৰিকা, স্বত্তাধিকাৰীঃ সংগীতা এণ্টাৰপ্ৰাইজ, বাসস্থান ঃ দক্ষিণ হয়বৰগাঁও, থানা আৰু জিলা- নগাঁও, অসম-৭৮২০০২ আৰু শ্ৰী মতী পপী বৰা হাজৰিকা (গেৰেণ্টাৰ) স্বামী ঃ বিদ্যুৎ বিকাশ হাজৰিকা, হয়বৰগাঁও, বাসস্থান ঃ এ আৰ বি ৰোড, থানা আৰু জিলা-নগাঁও, অসম- ৭৮২০০২, লগতে আমাৰ হয়বৰগাঁও শাখাত** আদায় দিবলৈ থকা ধনৰাশি **৬,১০,৪৭৭/-টকা (ছয় লাখ দহ হাজাৰ চাৰিশ সাতসত্তৰ টকা কেৱল) এচ অ ডি একাউণ্ট নং ৬৪৮৪৫৪২৩৩৬ কাৰণে আৰু ২,২০,০৭৯/- টকা (দুই লাখ বিশ হাজাৰ উনাশি টকা কেৱল) আই বি ভি এল একাউণ্ট নং ৬৫৬৭৫৪১৭৩৪০** কাৰণে, তাৰিখ **১৯.১১.২০২১** ভিত্তিত আৰু অতিৰিক্ত সুত এই জাননী প্ৰাপ্তিৰ ৬০ দিনৰ ভিতৰত পৰিশোধ কৰাৰ বাবে।
ঋণ লওতা উক্ত অনাদায় ধন পৰিশোধ কৰাত ব্যৰ্থ হোৱাৰ বাবে এই জাননীৰ জৰিয়তে ঋণীক আৰু গেৰাণ্টৰ আৰু ৰাইজক সাধাৰণভাৱে অৱগত কৰা হ'ল যে নিম্ন স্বাক্ষৰকাৰীয়ে তলত উল্লেখ কৰা সম্পদ নিজৰ দখললৈ আনিছে ওপৰোক্ত আইনৰ ধাৰা-১৩ (৪) ৰ ক্ষমতা প্ৰয়োগ কৰি, লগতে পঢ়ি উঠি বিধি-৮ আৰু ৯ অনুসৰি ওপৰোক্ত বিধি ভিত্তিত **২৮ জুলাই, ২০২২ তাৰিখে।**
ঋণ লওতা, গেৰাণ্টাৰ আৰু মৰ্টগেজেৰক বিশেষভাৱে আৰু ৰাইজক সাধাৰণভাৱে অৱগত কৰা হ'ল যাতে উক্ত সম্পদৰ বিষয়ত কোনো ধৰণৰ লেনদেন কৰা নহয়, অন্যথা ইণ্ডিয়ান বেংকক আদায় দিবলৈ বাধ্য হ'ব **৬,১১,৭৫৮/- টকা (ছয় লাখ এঘাৰ হাজাৰ সাতশ আঠাৱন টকা কেৱল) এছ অ ডি একাউণ্ট নং ৬৪৮৪৫৪২৩৩৬ কাৰণে তাৰিখ ২৭-০৭-২০২২** ভিত্তিত আৰু তাৰ ওপৰত সুত।
উক্ত আইনৰ ধাৰা-১৩ৰ উপধাৰা (৮)ৰ ব্যৱস্থামতে সুৰক্ষিত সম্পত্তিসমূহ উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণীৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

**স্থাৱৰ সম্পদৰ বিৱৰণ**
ভূমিৰ সকলো অংশ আৰু সম্পদসহ পৰিমাপ হ'ল ৬.৬২ লেচা আৰু বিল্ডিং অৱস্থিত আছে দাগ নং ১৬৯০, পি পি নং ৮৬২, টাউন হয়বৰ কিযাম, মৌজা- সদৰ টাউন, জিলা- নগাঁও (অসম)। নামত আছে বিদ্যুৎ বিকাশ হাজৰিকা, অৰিজিনেল পঞ্জীয়ন পাৰ্টিচন/ ডিক্লেৰেচন দলিল নং ৩৩১৭, তাৰিখ- ২৪.১০.২০১৬ অনুসৰি। সম্পদৰ চাৰিসীমাঃ উত্তৰে- অচ্যুত হাজৰিকা, দক্ষিণে- শ্ৰীমতী যুগ প্ৰভা হাজৰিকা আৰু প্ৰদ্যুৎ হাজৰিকা, পূৱে- ৮ ফুট বহল পথ, পশ্চিমে- চুলতান আহমেদ।

**তাৰিখ ঃ ২৮-০৭- ২০২২**
**স্থান ঃ নগাঁও**
**কৰ্তৃত্বশীল বিষয়া (ইণ্ডিয়ান বেংক)**

ACPL® ASSAM CARBON PRODUCTS LTD
**আছাম কাৰ্বন প্ৰডাক্ট লিমিটেড**
**কৰ্পৰেট আইডেণ্টিফিকেচন নং (চিআইএন) ঃ এল২৩১০১এএছ১৯৬৩পিএলচি০০১২০৬**
**পঞ্জীয়ন কাৰ্যালয় ঃ বীৰকুছি, গুৱাহাটী-৭৮১০২৬, অসম**
**ফোন ঃ (০৩৬১) ২৬৪০২৬২/৬৩০; ফেক্স ঃ (০৩৬১) ২৬৪০৩৬৮**
**ই-মেইল ঃ acplghy@ascarbon.com; ৱেবছাইট ঃ www.assamcarbon.in**
**কোম্পানীৰ শ্বেয়াৰহল্ডাৰ সকলৰ মনোযোগৰ বাবে ৰাজহুৱা জাননী**

মিনিষ্ট্ৰী অৱ কৰ্পৰেট এফেয়াৰ্ছ (এম চি এ)ৰ সাধাৰণ জাননী নং ১৪/২০২০, তাৰিখ ০৮-০৪-২০২০: ১৭/২০২০, তাৰিখ ১৩-০৪-২০২০; ২০/২০২০, তাৰিখ ০৫-০৫-২০২০ আৰু ২/২০২২, তাৰিখ ০৫-০৫-২০২২ আৰু ছেবি চাৰ্কোলাৰ নং এছইবিআই/এইচ অ/চি এফ ডি/চি এম ডি ১/চি আই আৰ/পি/২০২০/৭৯, তাৰিখ ১২-০৫-২০২০ আৰু এছইবিআই/এইচ অ/চি এফ ডি/চি এম ডি ২/চি আই আৰ/পি/২০২২/৬২, তাৰিখ ১৩-০৫-২০২২ অনুসৰি ৰেহায় অনুমোদন জনাইছে শ্বেয়াৰহল্ডাৰ সকললৈ প্ৰেৰণ কৰিব লগা বাৰ্ষিক প্ৰতিবেদনৰ কায়িক প্ৰতিলিপি প্ৰেৰণৰ পৰা, যি সমূহ তালিকাভূক্ত হৈ আছে বাৰ্ষিক সাধাৰণ সভা (এ জি এম) অনুষ্ঠিত কৰিবলৈ ইলেকট্ৰনিক মাধ্যমৰ জৰিয়তে ক'ভিড-১৯ অতিমাৰিৰ সময়ছোৱাত।

গতিকে অনুগ্ৰহ কৰি মনোযোগ দিব লাগিব যে কোনো ধৰণৰ বাৰ্ষিক প্ৰতিবেদন-২০২১-২২ ৰ কায়িক প্ৰতিলিপি সদস্য/ শ্বেয়াৰহল্ডাৰৰ কাৰণে প্ৰেৰণ কৰা নহয়।

গতিকে, যিসকল শ্বেয়াৰহল্ডাৰে ফিজিকেল ফৰ্মত শ্বেয়াৰ আহৰণ কৰিছে আৰু যিসকলৰ ইমেইল ঠিকনা পঞ্জীয়ন হোৱা নাই, তেওঁলোকক অনুৰোধ কৰা হ'ল যাতে ইমেইল ঠিকনাৰ লগতে নিজৰ মোবাইল নং আৰু বেংকৰ নথি পত্ৰ তলত উল্লেখ কৰা ফৰ্মেটিত কোম্পানী/ পঞ্জীয়ক আৰু শ্বেয়াৰ ট্ৰেন্সফাৰ এজেণ্ট (আৰ টি এ)ৰ ওচৰত দাখিল কৰে। ইয়াৰ জৰিয়তে এ জি এমৰ জাননী, বাৰ্ষিক প্ৰতিবেদন, ডিভিডেণ্ট আদি, যদিহে থাকে, প্ৰেৰণৰ সুবিধা হ'ব, কোম্পানীৰ দ্বাৰা ঘোষিত আৰু অন্যান্য গুৰুত্বপূৰ্ণ যোগাযোগৰ কাৰণে ইলেকট্ৰনীক মাধ্যমত।

| ক্ৰমিক নং | বিষয় বস্তু | সবিশেষ |
|---|---|---|
| i. | সম্পূৰ্ণ নাম | |
| ii. | ঠিকনা | |
| iii. | ইমেইল ঠিকনা | |
| iv. | মোৱাইল নং | |
| v. | আহৰণ কৰা শ্বেয়াৰৰ সংখ্যা | |
| vi. | ফলিঅ' নং | |
| vii. | চাৰ্টিফিকেট নং | |
| viii. | ডিষ্টিংটিভ নং | |
| ix. | পেন কাৰ্ড আৰু আধাৰ কাৰ্ডৰ প্ৰতিলিপি/ ঠিকনাৰ প্ৰমাণ | |
| x. | কেঞ্চেল চেকৰ প্ৰতিলিপি বা পাচবুক, বেংক মেনেজাৰৰ স্বাক্ষৰিত, লগতে আই এফ এচ চি আৰু এম আই চি আৰ নং (বেংকৰ কাৰণে বাধ্যতামূলক) | |

অনুগ্ৰহ কৰি ওপৰত উল্লেখ কৰা সবিশেষ তথ্যসমূহ প্ৰেৰণ কৰক কোম্পানীৰ পঞ্জীয়ক আৰু ট্ৰেন্সফাৰ এজেণ্টলৈ (আৰ টি এ), মেচাৰ্ছ চি বি মেনেজমেণ্ট চাৰ্ভিছেজ প্ৰাইভেট লিমিটেড, পি-২২, বোন্দাল ৰোড, কলকাতা-৭০০০১৯, পশ্চিমবংগ, ভাৰত, ইমেইল আই ডি **rta@cbmsl.com** লৈ বা কোম্পানীৰ **acpl.compllance@gmail.com** লৈ।
যদিহে শ্বেয়াৰহল্ডাৰে কোম্পানীৰ শ্বেয়াৰ আহৰণ কৰিছে ডি-মেটেৰিয়েলাইজ ফৰ্মত কিন্তু তেওঁলোকৰ ইমেইল ঠিকনা পঞ্জীয়ন কৰা নাই আৰু মোৱাইল নং, বেংকৰ তথ্য আদি আপডেট কৰা নাই, তেনেহলে তেওঁলোকক অনুৰোধ কৰা হ'ল যাতে সংশ্লিষ্ট ডেপজিতৰি পাৰ্টিছিপেণ্টৰ মাধ্যমেৰে পুনৰ সক্ৰিয় কৰি লয়।
যদিহে শ্বেয়াৰহল্ডাৰে ফিজিকেল ফৰ্মত শ্বেয়াৰ আহৰণ কৰিছে তেওঁলোকক অনুৰোধ কৰা হ'ল যাতে শ্বেয়াৰসমূহ ডিমেট ফৰ্মলৈ পৰিৱৰ্তন কৰে যিহেতু ফিজিকেল ফৰ্মৰ পৰা শ্বেয়াৰসমূহ পৰিৱৰ্তনত নিষেধাজ্ঞা আৰোপ কৰিছে চিকিউৰিটিছ এণ্ড এক্সেঞ্জ ৰৰ্ড অৱ ইণ্ডিয়াৰ দ্বাৰা।
যিকোনো স্পষ্টীকৰণৰ বাবে অনুগ্ৰহ কৰি যোগাযোগ কৰিব পাৰিব আমাৰ আৰ টি এ, মেচাৰ্ছ চি বি মেনেজমেণ্ট চাৰ্ভিছেজ প্ৰাইভেট লিমিটেড, পি-২২, বোন্দাল ৰোড, কলকাতা-৭০০০১৯, পশ্চিমবংগ, ইণ্ডিয়াৰ সৈতে ইমেইল আই ডি **rta@cbmsl.com** ৰ জৰিয়তে, ফোন নং (০৩৩) ৪০১১৬৭০০/১৭/১৮

**অসম কাৰ্বন প্ৰডাক্ট লিমিটেডৰ হৈ-**
স্বা/-
**পৰিনীতা গোৰেংকা**
কোম্পানী সচিব আৰু কমপ্লয়েঞ্চ অফিচাৰ
স্থান ঃ কলকাতা
তাৰিখ ঃ ০২.০৮.২০২২

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২ আগষ্ট ■ ২০২২ ■ ১৬ শাওণ

# অসমত জেহাদী আৰু ধৰ্মীয় মাদ্ৰাছাৰ কাৰ্যকলাপ

অসমত জেহাদীৰ বাতৰিয়ে চৰকাৰ তথা জনসাধাৰণক একপ্ৰকাৰ সন্ত্ৰাসবাদীৰ কাৰ্যকলাপত জড়িত থকা সংবাদ মাধ্যমত প্ৰকাশ পাই আহিছিল। অথচ এই সংক্ৰান্তত চৰকাৰে যেনেদৰে গুৰুত্ব দিব লাগিছিল তেনেদৰে নিদিয়া বাবে জেহাদী সন্ত্ৰাসবাদীৰ কাৰ্যকলাপত মধ্য অসম আৰু নামনি অসমৰ কে'বাখনো জিলাত জেহাদী সন্ত্ৰাসবাদী জড়িত থকাত আৰক্ষীয়ে অভিযান চলাই কে'বাজনো লোকক গ্ৰেপ্তাৰ কৰিছে। আনকি ধৰ্মীয় শিক্ষানুষ্ঠানসমূহ জেহাদী কাৰ্যকলাপৰ ঘাটিত পৰিণত হোৱাৰ তথ্যও লাভ কৰিছে অসম আৰক্ষীয়ে। ইতিমধ্যে আৰক্ষীয়ে দুখন মাদ্ৰাছাত তলা লগাইছে আৰু জেহাদী কাৰ্যকলাপ চলোৱাৰ অভিযোগত শিক্ষানুষ্ঠানখনৰ প্ৰধান শিক্ষকক ধৰি বিভিন্নজনক গ্ৰেপ্তাৰ কৰিছে। উল্লেখ্য যে অসমত জেহাদী সন্ত্ৰাসবাদী সংগঠন আনছাৰ উল্লাহ বাংলা টীম (এবিটি) নামৰ সংগঠনটোৱে সন্ত্ৰাসবাদী কাৰ্যকলাপ চলাই আছে। এই সংগঠনটোৱে আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী সংগঠন অল কায়দাৰ বাবে কাম কৰি আহিছে— অলকায়দাৰ মৌলবাদী দৃষ্টিভংগী বিশ্বাস কৰে। বাংলাদেশত প্ৰধান ঘাটি হ'লেও ভাৰতৰ বিভিন্ন ৰাজ্যত ইয়াৰ ঘাটি ধৰা পৰিছে। এই জেহাদীয়ে ভাৰতবিৰোধী কাৰ্যকলাপ চলাই গৈছে বুলি আৰক্ষীয়ে সদৰী কৰিছে। বাংলাদেশত ধৰ্মনিৰপেক্ষ বুদ্ধজীৱীসকলক আক্ৰমণ কৰি হত্যা কৰিছে। বাংলাদেশত ইতিমধ্যে এই সংগঠনটো নিষিদ্ধ। তাৰ পিছতো কিন্তু ই গোপনে সন্ত্ৰাসবাদী কাৰ্যকলাপ চলাই আহিছে। ভাৰতত এইসকলে অনুপ্ৰৱেশ কৰি ঘাটি পাতিছে আৰু অসমৰ কে'বাখনো জিলালৈ বিয়পিছে?। অসমৰ মুছলমান সমাজ সন্ত্ৰাসবাদী জেহাদী কাৰ্যকলাপৰ পৰা আঁতৰি থাকে যদিও বাংলাদেশৰ পৰা অনুপ্ৰৱেশ কৰা নেতাসকলে মৌলবাদী বেআইনী কাৰ্যকলাপৰ বাবে প্ৰৰোচিত কৰিছে। তাৰ বাবেই জেহাদী সংগঠনত একাংশ স্থানীয় লোক জড়িত হৈ পৰিছে। গোপনে ব্যাপক প্ৰচাৰো চলাই থকা হৈছে। কাৰণ এই ক্ষেত্ৰত বিদেশৰ পৰা ধন যোগান ধৰা হয়। সকলোতকৈ উদ্বেগৰ কাৰণ হৈ পৰিছে মাদ্ৰাজাসমূহক জেহাদী কাৰ্যকলাপৰ বাবে ব্যৱহাৰ কৰাটো। নতুন চৰকাৰে এই ক্ষেত্ৰত পদক্ষেপ লৈ অৱশ্যে মাদ্ৰাজাসমূহ বন্ধ কৰি সেইবোৰ সাধাৰণ শিক্ষানুষ্ঠানত পৰিণত কৰিছে। সেইবাবে জেহাদী কাৰ্যকলাপ চলোৱাৰ সুযোগৰ অভাৱ। কিন্তু ৰাজ্যত কে'বাশ ব্যক্তিগত খণ্ডৰ মাদ্ৰাছা চলি আছে আৰু এইবোৰত জেহাদীসকলে ঘাটি পতাৰ সুবিধা পাইছে। ই ৰাজ্যখনৰ বাবে ভয়ংকৰ ভৱিষ্যতৰ ইংগিত দিছে। চুবুৰীয়া বাংলাদেশৰ পৰা আহি জেহাদী মৌলবাদীসকলে অসমবিৰোধী, ভাৰতবিৰোধী কাৰ্যকলাপ অব্যাহত ৰাখিলে পৰিণাম অতি বেয়া হ'ব। এই ক্ষেত্ৰত চৰকাৰ আৰু আৰক্ষীক মুছলমান সমাজেই সহায় কৰিব লাগিব। লগতে বাংলাদেশৰ সীমা সম্পূৰ্ণ ছীল কৰিব লাগিব। নহ'লে বাংলাদেশী মুছলমান জেহাদী মৌলবাদী সন্ত্ৰাসবাদীসকল অসমত প্ৰৱেশ কৰিয়েই থাকিব আৰু সমস্যাটোও অন্ত পৰিব বুলি ক'ব নোৱাৰি। এই ক্ষেত্ৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে বিষয়টো অধিক গুৰুত্ব দিয়াটো জৰুৰী হৈ পৰিছে।

# সমাজিক কৰ্তব্য আৰু দায়বদ্ধতা

■ আচিক আহমেদ

এই পৃথিৱীত মানুহৰ মনবোৰ সুন্দৰ কৰি জগতখনো সুন্দৰভাৱে সজাই তুলিবলৈ যত্ন কৰা উচিত, মনত কোনোধৰণৰ কপট নৰখাকৈ শিশুৰ দৰে মুক্ত আৰু পৰিষ্কাৰ মনৰ হ'বলৈ যত্ন কৰি অন্তৰত বিশুদ্ধ ভাব ৰাখি আনৰ স'তে পাৰস্পৰিক বুজাবুজি আৰু সহযোগিতাৰে চলিব লাগে। কাৰোবাৰ ভুল দেখিলে সমালোচনাৰ পৰিৱৰ্তে ভুলবোৰ গঠনাত্মক সমালোচনাৰে দেখুৱাই দিয়ক। এই সমাজত আমাৰ ভাই-ভনী, মা-দেউতাৰ সমান কোনোৱে হ'ব নোৱাৰে হয়, বিশ্বাস সকলোৰে ক্ষেত্ৰত বেলেগ বেলেগ ধৰণৰ। কাৰোবাৰ ক্ষেত্ৰত কম-বেছি পৰিমাণে থাকিব পাৰে সেয়া ডাঙৰ কথা নহয়, তথাপিও কিন্তু আমাৰ নিজৰ মা-দেউতা, ভাই-ভনীৰ সমান হ'ব নোৱাৰিলে অন্ততঃ আমি আনক যিমান পাৰোঁ সিমানেই নিজৰ বুলিয়েই ভাবিবই পাৰোঁ। কাৰোবাৰ প্ৰতি নিজৰ আত্মীয় স্বজনৰ দৰেই মৰম-ভালপোৱা ১০০শতাংশ বিলাবলৈ সম্ভৱ নহ'ব পাৰে, তথাপিও কিন্তু আমি আনক যিমান পাৰোঁ সিমানেই নিজৰ পৰিয়ালৰ দৰে কিয় ভাবিবলৈ সমৰ্থ নহয়? কিয় আমাৰ মানসিকতাবোৰ আজিও উচ্চ নহয়? আনৰ মা-ভনী নিজৰ মা-ভনীৰ সমান হব নোৱাৰিলেও নিজৰ মা-ভনী, নিজৰ বাবে যেনেকুৱা আনৰ বাবেও তেনেকুৱাই। আমাৰ নিজৰ মা-ভনীৰ দৰে আন মা-ভনীৰো শাৰীৰিক গঠন, অৱয়ব, পৰিয়ালৰ প্ৰতি থকা দায়িত্ববোধ একেই তেন্তে আমি আনকো নিজৰ মা-ভনীৰ দৰে কিয় ভাবিব নোৱাৰোঁ? কিয় আনক সৎ, কামনাৰ দৃষ্টিৰে চোৱাৰ পৰিৱৰ্তে বেয়া নজৰেৰে লক্ষ্য কৰোঁ? কিয় সমাজত আজিও নাৰীৰ লগত ধৰ্ষণৰ দৰে বহুতো অমানৱীয় কাৰ্য চলি আছে? আনকো নিজৰ মা-ভনী, ভাইৰ বা বন্ধু-বান্ধৱীৰ দৰে ভাবিব লাগিব, প্ৰকৃততে আমি সকলোৰে লগত ভাই-ভনীৰ দৰেই থকাটো সম্ভৱ নহয়, তাত কোনোবা হয়তো দাদা, খুৰী বা জীৱন সংগী বা আন ব্যক্তিও হ'ব পাৰে। গতিকে যিটো অঞ্চলত কাৰোবাৰ জীৱন সংগী গঢ়াৰ আশাই নেথাকে সেই অঞ্চলত আৰু বিয়াৰ পাছত অন্তত আন ছোৱালীৰ সতে ভাই-ভনীৰ দৰে থাকিব পাৰোঁ আৰু তেতিয়া মনত বেয়া কামনা নাইবা বেয়া চিন্তা-ভাবনাই ঠাই ল'ব নোৱাৰে। কিন্তু সকলোৱে ভাই-ভনী হ'ব নোৱাৰে। আন কিছুমান মানুহ আপোনাৰ আত্মীয় স্বজনৰ দৰেও হ'ব পাৰে, মুঠৰ ওপৰত আন ব্যক্তিৰ প্ৰতি আমাৰ মনত সদ্ভাৱ থাকিলেই সেয়াই যথেষ্ট, তেতিয়া হিংসা-বিদ্ৰোহ, ধৰ্ষণ আদিৰ দৰে কাৰ্য পৰিলক্ষিত নহয়, সমাজ সুন্দৰ হৈ পৰিব। মানুহৰ মনবোৰ সুন্দৰ হ'লে জগতখনো অধিক সুন্দৰ হৈ পৰিব। সমাজত নাৰীৰ স'তে চলি থকা নিৰ্যাতন, বোৱাৰী নিৰ্যাতন, ধৰ্ষণ আদিৰ বিৰোধিতা কৰি যোগ্য নাৰীক বিশেষ সন্মান দিবলৈ যত্ন কৰিব লাগিব। কিয়নো নাৰী হৈছে সৃষ্টিৰ প্ৰতীক, নাৰীক নদীৰ লগত তুলনা কৰা হয়, নাৰী হ'ল মমতাময়ী, সহনশীলতা, লক্ষ্মী আৰু বহুতো। ইয়াৰ উপৰিও আজিৰ সমাজ বিশুদ্ধভাৱে নিৰ্মাণ কৰিবলৈ আমি সাজু হ'ব লাগে। প্ৰতিজন ব্যক্তিৰ মানসিকতা সলনি হ'লে সমাজো সলনি হব।

তেনেদৰে জীৱনত আপোনাৰ বিষয়ে কোনোবাই মিছাকৈ অভিযোগ দিয়া ব্যক্তিবোৰৰ চিন্তাধাৰাই নেতিবাচক। গতিকে জীৱনত আনৰ বিষয়ে নেতিবাচক কথা কওঁতে সদায় সাৱধান হ'ব, অন্যথা যাৰ ভুল তেওঁৰ আগত ক'ব আনৰ আগত ক'লে আনৰ ভুল আনে সংশোধন কৰিব নোৱাৰে। মানুহৰ মাজত পাৰস্পৰিক বুজাবুজিৰ বহু প্ৰয়োজন। সদায় ইজনে সিজনৰ লগত পাৰস্পৰিক বুজাবুজি আৰু সহযোগিতাৰে চলক, তথাপিও কিন্তু আনক অভিযোগ নতুবা নেতিবাচক মন্তব্য সহজে নিদিব, জীৱন প্ৰতিযোগিতা কৰক তথাপিও কিন্তু হিংসা নকৰিব। কিয়নো এখন তাল অকলে কেতিয়াও নাবাজে এখন বাজিলেহে আনখন তাল বাজিব। পৃথিৱীত কোনো মানুহেই পাৰ্ফেক্ট নহয়। আপোন ভালে জগত ভাল, সমাজত ভাল-বেয়া বিচাৰ নকৰি প্ৰকৃত বিচক্ষণজনেহে মিলি থাকিব পাৰে। আপুনি যিমানেই সাকাৰাত্মক হ'ব সিমানেই আপোনাৰ প্ৰতিটো কথাই প্ৰতি সাকাৰাত্মক দিশটো প্ৰদৰ্শন হোৱাৰ লগতে জীৱন সুন্দৰময় হৈ পৰিব। তেনেদৰে প্ৰকৃততে কিছুমান ছোৱালীয়ে চুটি কাপোৰ পিন্ধিলে কিছুমান মানৱৰূপী দানৱ নতুবা দেৱতাৰ কু-নজৰৰ বাবে বেয়া প্ৰভাৱ পৰিব পাৰে, সেয়া হয়। ইয়াৰ জ্বলন্ত উদাহৰণ ধৰ্ষণ লগতে দেখিবলৈ সৌন্দৰ্যময় নহয়। কিন্তু চুটি কাপোৰৰ নামত অৰ্ধনগ্ন হৈ পোছাক পৰিধান কৰাৰ কথাত মই কোৱা নাই। আচলতে চুটি কাপোৰ পিন্ধাজনৰ দোষ তেওঁৰ হয় জানো? তেওঁ তেওঁৰ স্বাধীনতাত চলিছে, আনে ক'ব লগা কি আছে। কিন্তু যিয়ে বেয়াকৈ কৈছে তেওঁৰ দৃষ্টিভংগী লেতেৰা, কাপোৰ চুটিকৈ পিন্ধাজনৰ নহয়। সেয়েহে মনত ৰাখিব কাৰোবাৰ মনত লংপেন্ট, চাৰ্ট পিন্ধিও মনত ভাল ভাব থাকিব পাৰে।

ইয়াৰ বিপৰীতে আন একাংশৰ মাজত ওৰণি টানিও মনত হিংসা, বিদ্ৰোহ থাকিব পাৰে। গতিকে পোনতে মনৰ পৰ্দা সঠিক কৰা উচিত। মনত ৰাখিব আপোনাৰ বাহ্যিক সৌন্দৰ্য কিমান ধুনীয়া সেয়া দৰকাৰী নহয়, ঘৰটো কিমান ডাঙৰ সেয়া দৰকাৰী নহয়, কিন্তু আপোনাৰ মনৰ সৌন্দৰ্য কিমান, মনটো কিমান বিশাল সেয়াহে প্ৰয়োজনীয়। গতিকে মনত কোনোধৰণৰ কপট নৰখাকৈ উচ্চ আৰু সাকাৰাত্মক চিন্তাধাৰাৰে, মুক্ত আৰু শিশুৰ দৰে পৰিষ্কাৰ মনৰ গৰাকী হ'বলৈ যত্ন কৰা উচিত। মানুহক মানুহৰ বাবে হৃদয়ৰ প্ৰয়োজন, য'ত মৰম, ভালপোৱা নিঃস্বাৰ্থভাৱে থাকিব লাগে।

ড° ভূপেন হাজৰিকাই কৈছিল-'মানুহে মানুহৰ বাবে যদিহে অকণো নেভাবে ভাবিব কোনেনো কোৱা....' প্ৰকৃততে আমি সদায় মানুহ হ'বলৈ যত্ন কৰিব লাগে, আপোনাৰ ধন-সম্পত্তি, আপোনাৰ স্থান কিমান সেয়া ডাঙৰ কথা নহয়, ডাঙৰ কথাটো হ'ল আপোনাৰ মনটো কিমান ধনী, সৌন্দৰ্য আপোনাৰ নিজৰ মনৰ পৰা গঢ়ি তোলক। গতিকে সদায় বাহিৰত নাৰিকলৰ বাকলিৰ দৰে টান হ'লেও ভিতৰভাগ কোমল হ'বলৈ যত্ন কৰক। এজন মানুহৰ পৰিচয় তেওঁৰ মুখৰে শব্দ নতুবা শুৱলা কথাৰে নহয়। এজন মানুহৰ পৰিচয় হয় তেওঁৰ কৰ্মৰে। গতিকে আমি কেৱল নিজৰ কথা নেভাবি আনৰো সুখ-দুখ বুজিবলৈ সহানুভূতিৰ প্ৰয়োজন, কিয়নো আনৰ দুখত দুখী আৰু আনৰ সুখত সুখীয়েই হৈছে প্ৰকৃত মানৱ। আপুনি নিম্ন স্থান নতুবা মধ্য স্থানৰ হওক, আপুনি যিয়েই নহওক কিয়, কিন্তু সদায় মানুহৰ বাবে হৃদয়ৰ প্ৰয়োজন। কেৱল শুৱলা শব্দৰ নহয়, য'ত মৰম, দয়া, সহানুভূতিৰে বিপদৰ সময়ত আনলৈ সহায়ৰ হাত আগবঢ়াই দিব। সেয়ে কোৱা হয় মানুহৰ পৰিচয় হয় এখন বহল অন্তৰ আৰু উচ্চ মানসিকতাৰে।

সত্য পথৰ পৰা বিচলিত নহৈ, অন্যায়ৰ প্ৰতিবাদ কৰি সততাৰ পৰিচয়েৰে ন্যায় তথা শুদ্ধ পথত চলিবলৈ যত্ন কৰিব লাগিব, য'ত বিশ্বাসঘাতকতা, হিংসা-বিদ্ৰোহ, প্ৰলোভন, লোভ, লুণ্ঠন, শোষণ, অত্যাচাৰ, নিৰ্যাতন, অন্যায় আদি নাথাকিব আৰু নৈতিকতাৰ বিৰুদ্ধে মানুহে গতি নকৰিব। সামাজিক দৃষ্টিত পুৰুষ-মহিলাৰ স্থিতি সমান হ'ব লাগিব। পুৰুষ-মহিলাই সামাজিকভাৱে অধিকাৰ উপভোগ কৰিব পাৰিব লাগিব। ইয়াৰ উপৰিও মানুহৰ মনবোৰ বিশাল আৰু উচ্চ মানসিকতাৰ স'তে সাকাৰাত্মক হ'লে সমাজতান্ত্ৰিক ব্যৱস্থা সুন্দৰ হৈ পৰিব। আনৰ অন্ধভক্ত হৈ থাকিলে নহ'ব, কথাবোৰ গভীৰভাৱে চালিজাৰি চাব লাগিব, হৃদয়ত মানৱতা গুণেৰে পৰিপূৰ্ণ হৈ থাকিব লাগিব, যোগ্যজনে শুদ্ধ বিচাৰেৰে উচিত স্থান পাব লাগিব আৰু আমি প্ৰলোভনত বিক্ৰী নগৈ বিবেকেৰে কাম কৰিব লাগিব। আনক অনুধাৱন কৰিব নোৱাৰাকৈ সহজতে বিচাৰ কৰিবলৈ নাযাব, আপুনি হয়তো নাজানিব পাৰে কাৰ স'তে কি ঘটনা চলি আছে। তেনেদৰে ছোৱালী ঘৰৰ ভিতৰত সোমাই থাকিলে চৰিত্ৰ ভাল, ক'লা মেকুৰী সন্মুখেৰে পাৰ হ'লে যাত্ৰা বেয়া আদি ভ্ৰান্ত ধাৰণা পৰিত্যাগ কৰক। আনক বদনাম দিবলৈ চেষ্টা নকৰিব। সদায় সাকাৰাত্মক হ'বলৈ যত্ন কৰক। কোনোবাই কাৰোবাৰ লগত নিজৰ ভাই-ভনী ভাবি নতুবা বন্ধু-বান্ধৱীৰ ৰূপত কথা পাতিব পাৰে নতুবা মিলাপ্ৰীতিৰে থাকিব পাৰে, সেয়া দেখি আপুনি আচল ৰহস্য নজনাকৈ নেতিবাচক মন্তব্য মনলৈ নানিব বা দিব নেযাব, সেয়া ছ'চিয়েল মিডিয়াতেই হওক নতুবা বাস্তৱ জীৱনতেই। এনেকুৱা বহু ধৰণৰ কথা কেতিয়াবা একাংশ মানুহে অনুধাৱন কৰিব নোৱাৰি কিছুমান মানুহক সমাজত মিছলীয়া বদনামৰ বশৱৰ্তী কৰি তোলে, গতিকে সদায় আনৰ প্ৰতি সাকাৰাত্মক আৰু ভাল চিন্তা ৰাখক।

বাস্তৱবাদী আৰু বিশ্বাসী হ'বলৈ শিকক, মিছলীয়া নহ'বা আনক প্ৰতাৰণা নকৰিব, সোণৰ হৰিণাৰ পাছত দৌৰি নিজৰ লক্ষ্যক বিসৰ্জন নিদিব। সুবিধাবাদী নহ'ব, নিজস্ব স্বাৰ্থৰ পাছত দৌৰি আনৰ অন্যায় নকৰিব, আনকো নিজৰ পৰিয়ালৰ দৰেই ভাল দৃষ্টিৰে চাওক, কামনাৰ চকুৰে নাচাব। মিছলীয়া কথাৰে হৃদয় জিনাতকৈ বাস্তৱৰে হৃদয়ত ঠাই লোৱাটোহে প্ৰকৃতবিধৰ সঁচা ব্যক্তি। আপোনাৰ স্থান যিয়েই নহওক কিয়, মানুহ হ'বলৈ যত্ন কৰক, হৃদয়খন চাফা হ'বলৈ যত্ন কৰক। আপোনাৰ অন্তৰত থকা চিন্তা-ভাবনা, আপোনাৰ মানসিকতাৰ আপোনাৰ আচল পৰিচয়। গতিকে মানুহৰ মনবোৰ সুন্দৰ হ'লে আনকো নিজৰ মা-দেউতা, ভাই-ভনীৰ দৰেই যেন লাগিব, মৰম উপজিব। কোনোধৰণৰ হিংসা, বিদ্ৰোহ, ভেদাভেদ নাথাকিব। সকলোৰে মাজত একে দেহৰ ৰক্ত তথা একেখন নাওৰ যাত্ৰীৰ পৰিচয়ৰে এখন বহুৰঙী ফুলনিৰ বাগিচাৰ দৰেই অনৈক্যৰ মাজত মিলাপ্ৰীতিৰে এক হোৱাৰ পৰিচয় আমাৰ মাজত থাকিব, মানুহবোৰৰ মাজত শ্ৰদ্ধা, সন্মান নিজস্ব গুৰুজনাৰ প্ৰতি ভক্তি অটুট ৰাখিব। মানুহবোৰৰ মাজত আদৰ্শ, নৈতিকতাৰে পৰিপূৰ্ণ হৈ থাকিব। সকলোৱে নিজৰ জাতি-জনগোষ্ঠীৰ সংস্কৃতি-পৰম্পৰা তথা ৰীতি-নীতিৰ আধাৰত চলিব। আমি আমাৰ নিজৰ সুখ-দুখৰ মাজত ব্যস্ত নাথাকি আনৰো সুখ-দুখৰ সমভাগী হ'বলৈ চেষ্টা কৰিব লাগে। কিয়নো আনৰ সুখত সুখী আৰু আনৰ আনৰ দুখত দুখীয়েই প্ৰকৃত মানৱ আৰু তেতিয়া ইজনে-সিজনৰ মাজত কোনো মতানৈক্যৰ সৃষ্টি নকৰি মানৱতাৰ সুন্দৰ নিদৰ্শন দাঙি ধৰি এখন অধিক সুন্দৰ সমাজ সাজিবলৈ সক্ষম হ'ব।

ফোন ঃ ৯৩৬৫৮৬৫০৮২

# লিংকন, মাৰ্ক্স, বিবেকানন্দ-মহাত্মালৈকে

■ কল্প ৰঞ্জন গগৈ

মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ষষ্ঠদশ ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকনে (১৮০৯-১৮৬৫) ১৮৬৩ চনৰ ১৯ নৱেম্বৰত জাতীয় বীৰ সৈনিকসকলক সন্মান জনাই কৈছিল— That these dead shall not have died in vain that this Nation under god shall have a new birth of freedomand that government of the people, by the people, for the people shall not perish from earth। এটা নতুন প্ৰজাতন্ত্ৰই জন্ম পাব এই সৈনিকসকলৰ তেজ-ঘামৰ বিনিময়ত আৰু ই পৃথিৱীক চিৰকাল উজ্জীৱিত কৰি ৰাখিব।

জাৰ্মান মনীষী কাৰ্ল মাৰ্ক্সে (১৮১৮-১৮৮৩) কৈছিল— দাৰ্শনিকসকলে বিশ্বক ব্যাখ্যা কৰিলেই নহ'ব— ইয়াৰ পৰিৱৰ্তন সাধিব লাগিব- Philosophers have defined the world in various ways but the important point is to change it. কৈছিল— history is the only science- একমাত্ৰ বিজ্ঞান। working people creates history they should unite as they have nothing to lose except their chains. people should know fear yo face the world with courage। সেয়ে বিশ্বৰ শ্ৰমিক আঁতৰি থাকিব লাগিব ধৰ্ম নামৰ আফিঙৰ পৰা।

স্বামী বিবেকানন্দ (১৮৬৩-১৯০২) হৈছে ছিষ্টাৰ নিবেদিতাৰ মতে অহা ১৫ শতিকাৰ বিশ্বলৈ আহিব ধৰা বিদ্ৰোহী যুৱকৰ অগ্ৰীম প্ৰতিনিধি। তেওঁৰ মতে ধৰ্ম ভাৰতবৰ্ষৰ জাতীয় জীৱনৰ ৰক্ত-ই হৈছে মানুহৰ ভিতৰত সোমাই থকা দেৱত্বৰ প্ৰকাশ- manifestation of divinity already in man সেয়ে তেওঁ গুৰুত্ব দিছিল প্ৰকৃত manmaking education so that the inherent patential and perfection be manifested। যদিও ধৰ্মৰ সহায়ত দেৱত্বৰ বিকাশৰ কথা স্বামীজীয়ে কৈছিল তথাপিও ইয়াৰ ভিতৰত আফিঙৰ পৰা সাৱধানতা অৱলম্বনৰ কথাও কৈছিল। স্বামীজীৰ মতে বিদ্ৰোহৰ মাজেদিহে চেতনাৰ প্ৰকাশ হয়- constant rebellion against nature। সম্প্ৰসাৰণহে জীৱন-সংকোচন নহয়।

নিৰী-শ্বৰবাদী বুদ্ধহে স্বামীজীৰ মতে হিন্দুত্ববাদৰ যুক্তিমূলক সিদ্ধান্ত— logical conclusion hinduism। সেয়ে বুদ্ধ হৈ পৰিছিল বিষ্ণুৰ অৱতাৰ আৰু অৱতাৰ হোৱাৰ পিছৰ পৰা তেওঁৰ শিষ্যসকলৰ দ্বাৰা বুদ্ধ-দৰ্শনৰ স্খলন আৰু পতন অষ্টম শতিকাৰ পৰা। এই মহাপতন ৰোধ কৰাৰ বাবে মহামেল হৈছিল কাশ্মীৰত।

বুদ্ধৰ চিন্তাক সম্প্ৰসাৰণৰ লক্ষ্যৰে শংকৰদেৱে (১৪৪৯-১৫৬৮) অসমত আৰম্ভ কৰিছিল গণসাংস্কৃতিক আন্দোলন। আজিও অসমত চলি আছে, কিন্তু চাৰি ভাগত বিভক্ত হৈ। সেয়ে ই গতিহীন।

ওপৰৰ কেইজনৰ উত্তৰসুৰী ভাৰতত মহাত্মা গান্ধী (১৮৬৯-১৯৪৮), অবিভক্ত ছোভিয়েট দেশত ভ্লাডিমিৰ লেনিন (১৮৭০-১৯২৪) আৰু চীনৰ মাও জে-ডং (১৮৯৩-১৯৭৬)

ঠিক যেনেদৰে জাৰ্মানীত কাৰ্ল মাৰ্ক্স নাই, ভাৰতবৰ্ষতো স্বামী বিবেকানন্দ, মহাত্মা গান্ধী নাই — সেইদৰে শুভ্ৰ যুগৰ বতৰা বিলোৱা লেলিনৰ ছোভিয়েট দেশ আৰু মাওৰ চীন দেশ নাই।

আজিৰ সময় ইমান দ্ৰুতগতিত আগবাঢ়িছে যে আমাৰ ধাৰণা হৈছে যে আমি ৰজা-মহাৰজা-জমিদাৰৰ যুগলৈ উভতি গৈ আছোঁ। কাৰ্ল মাৰ্ক্সৰ মতে বুৰঞ্জীয়েই একমাত্ৰ বিজ্ঞান-ভয়েই সাহসৰ মাতৃ। স্বামী বিবেকানন্দৰ মতে মনোবিজ্ঞানেই হৈছে বিজ্ঞানৰ বিজ্ঞান psychology is the science of sciences আৰু দাৰ্শনিকসকলৰ মতে একৈশ শতিকা হৈছে মনোবিজ্ঞানৰ শতিকা - 21st century belongs to psychology alone। সেয়ে বৰ্তমানৰ বিকাশৰ দ্বান্দ্বিক প্ৰক্ৰিয়া- আধুনিক সমাজবিজ্ঞানৰ মতে dialectical materialism দ্বন্দ্বমূলক বস্তুবাদৰ তত্ত্ব যাক বুজোৱা গেটিবুৰ্জোৱাসকলে নাকচ কৰিব বিচাৰে- সিহে সময়ৰ লগে লগে বাস্তৱায়িত হ'ব ধৰিছে।

জনগণক বুজোৱা হৈছে বিজ্ঞাপন আৰু প্ৰদৰ্শনীৰ দ্বাৰা যে তোমালোকৰ কাম কেৱল কাজিয়া কৰা—দৰিদ্ৰ বনাম দুখীয়া, শ্ৰমিক বনাম বনুৱা, দেশত একমাত্ৰ ৰাজতন্ত্ৰহে আছে - আইনৰ কাম নাই, বাতৰি কাকত, কিতাপৰ কাম নাই, আইন এটা মস্ত গাধ। তেতিয়াই কিন্তু মহাকালৰ তৃতীয় নয়ন মেল খাইছে - ভিন্ন ৰূপত।

প্ৰহ্লাদ জন্মিছিল দৈত্য কুলত, নৰসিংহ লুকাই আছিল খুঁটাৰ ভিতৰত। ভাৰতীয় দৰ্শনৰ অৱতাৰবাদ কাৰ্ল মাৰ্ক্সৰ বহুত আগৰ মাৰ্ক্সবাদ যাৰ লক্ষ্য নতুন নন্দনতত্ত্ব - New aesthetics - নতুন প্ৰেক্ষাপট New fandscape।

সকলো বস্তুৱেই পদাৰ্থ আৰু আমি চাব লাগিব পদাৰ্থবোৰৰ ধাতৱ মূল্য কি - what is the metallic value of the elements? পদাৰ্থৰ গুণগত দিশহে হ'ব আমাৰ বিচাৰ্য, কাৰণ শূদ্ৰ যুগ নিজেই এটা নগুণ New quality। কাৰণ শূদ্ৰ যুগ আহিবই আহিব- প্ৰতিৰোধ ওফৰাই।

ফোন ঃ ৯১০১৮৪৬৮২২

# গ্ৰাম্য সমাজৰ চিনাকি অংগ ধোঁৱা-চাং

ধোঁৱা-চাং কোনে, ক'ত, কেতিয়া প্ৰথম সাঁজিছিল বা ব্যৱহাৰ কৰিছিল তাৰ সঠিক তথ্য পোৱা নাই যদিও আমাৰ গ্ৰামাঞ্চলত দেখি অহা কথাখিনিহে উল্লেখ কৰিছোঁ। আমাৰ গাঁৱলীয়া সমাজৰ সকলোৰে চিনাকি তথা প্ৰচলিত এখন ছবি ধোঁৱা-চাং। প্ৰকৃততে জুহালৰ ওপৰত থকা চাং খনকে ধোঁৱা-চাং বুলি কোৱা হয়। ঠাইভেদে ইয়াৰ নাম বেলেগ যদিও আমি সৰুপৰাই ইয়াক ধোঁৱা চাং বুলি জানো। আমাৰ গাঁৱলীয়া সমাজৰ প্ৰায় মানুহৰ ঘৰতেই ধোঁৱা-চাং এখন দেখিবলৈ পোৱা যায়। ধোঁৱা-চাং এখন থকাটো যেন নিয়মত পৰিণত হৈ আছে। বুঢ়া-বুঢী থকা গাঁৱলীয়া মানুহৰ ঘৰত একোখন ধোঁৱা-চাং থাকেই বুলি ক'লেও ভুল নহয়। জুহাল আৰু ধোঁৱা-চাং এখন থাকিলেহে গাঁৱলীয়া পৰিৱেশৰ ঘৰখন সুন্দৰ হৈ থাকে। যিখন সদায়েই ব্যৱহাৰ হৈ থাকে। অৱশ্যে বৰ্তমান নগৰীয়া অতি কমসংখ্যক মানুহৰ ঘৰতো দুই-এখন ধোঁৱা-চাং দেখা যায়। এখন ধোঁৱা-চাং থাকিলেহে জুহালৰ অস্তিত্ব থাকে বুলি ক'ব পাৰি। যিহেতু জুইৰ ওপৰতে থাকে আৰু অনবৰতে জুইৰ ধোঁৱা পাই থকাৰ বাবে হয়তু ধোঁৱা-চাং বুলি প্ৰচলন হৈ থাকিল। ধোঁৱা-চাং সদায় আছুতীয়া ঘৰ বা কোঠালিত সজা হয়। ধোঁৱা-চাং থকা ঘৰটো বাঁহৰ বেৰ আৰু ওপৰত প্ৰায় খেৰৰ চালনি দেখা যায়। ধোঁৱা-চাং বাঁহেৰে বনোৱা হয়, য'ত জুই জ্বলোৱা হয় তাৰ ওপৰত সুবিধা অনুযায়ী চাংখন বনোৱা হয়। চাৰিটা খুঁটাৰে মাটিৰপৰা প্ৰায় চাৰিফুট ওপৰৰ পৰা চাংখন বনোৱা হয়। কিছুমানে দুটা খুঁটা দিও ধোঁৱা-চাং বনোৱা দেখা যায়। দুই বা তিনি খলপীয়া চাংখন মজবুতকৈ বনোৱা হয়, কাৰণ তাত বিভিন্ন সা-সামগ্ৰী তুলি থোৱা হয়। ধোঁৱা-চাংখনৰ তলৰ পৰা প্ৰথম খলপত জুই জ্বলাবলৈ খৰি থোৱা হয়। কিছুমানে স্থানীয়ভাৱে পোৱা সৰু সৰু মাছ ধোঁৱা-চাঙৰ একেবাৰে তলৰফালে দুডাল মাৰি লগাই চালনি এখনত দি জুইৰ তাপত শুকুৱাই থোৱা দেখা যায়। মাজৰ খলপত পূৰঠ হোৱা ভেন্দি, জিকা, লাই, লফা, পালেং, ভোল আদিকে কৰি বিভিন্ন ধৰণৰ বীজ পোক পৰুৱাৰ পৰা যাতে বাচি থাকিব পাৰে তাক সংৰক্ষণ কৰি থোৱা হয়। তদুপৰি ভীমকলৰ বাকলি খাৰৰ বাবে থোৱা হয়। মূৰ ঘূৰালে একেবাৰে শুকান ভীম কলৰ বাকলি ধোঁৱা-চাঙৰ পৰা নমাই জুইত পুৰি পানীত অলপ দেৰি তিয়াই মূৰত প্ৰলেপ দিয়াৰ বাবে ব্যৱহাৰ কৰাও দেখা যায়। ভীমকলৰ বাকলিৰ খাৰ খাবলৈও ভাল বুলি কয়। ধোঁৱা-চাঙৰ একেবাৰে ওপৰত বাঁহৰ দ্বাৰা বনোৱা মাছ ধৰা সঁজুলি বিশেষকৈ জাকৈ, খালৈ, জুলুকি, পল আদি মাছ নধৰা বতৰত তুলি থোৱা হয়। এই দৰে জুইৰ ধোঁৱা লাগিলে বোলে বাঁহৰ সামগ্ৰী বিলাক ভাল হৈ থাকে । ধোঁৱা-চাঙৰ তলত নিজৰ সুবিধা অনুযায়ী কিছুমান সা-সামগ্ৰী থয়। যেনে চাহ-পানী খাবৰ বাবে এটা বা দুটা বাচন, চাহপাত, গুড়, চেনি থ'বৰ বাবে টেমা বা বটল, চেকনি, জুইশলা ইত্যাদিবিলাক। নুমাবলৈ ধৰা জুই মুখেৰে ফু মাৰি জুই জ্বলাবলৈ এটা বাঁহৰ চুঙাও থাকে। জুইৰ ধোঁৱা লাগি একেবাৰেই ক'লা হৈ পৰা বাচনটো চাহ গৰম কৰিবৰ বাবে এডাল শকত তাঁৰ ধোঁৱা-চাঙৰ তলৰ ফালে বান্ধি জুইৰ ওপৰত ওলোমাই লোৱা হয়। সেই জুহালত বহি চাহ-পানী খোৱাৰ আমেজেই বেলেগ হয়। ঠাণ্ডাৰ দিনত জুহালৰ ধোঁৱা-চাঙৰ তলত বহি জুইৰ উম লোৱা মজাটোৱেই সুকীয়া। আমাৰ গ্ৰাম্য সমাজৰ বাবে ধোঁৱা-চাং এক উল্লেখনীয় চিনাকি অংগ হ'লেও বৰ্তমান আধুনিকতাৰ বা মানুহৰ অতি ব্যস্ততাৰ বাবেই ধোঁৱা-চাং নৱপ্ৰজন্মৰ কাৰণে প্ৰায়েই অচিনাকি হৈ পৰিছে। আধুনিকতাৰ লগত খোজ মিলাই ধোঁৱা চাঙৰ দৰে গ্ৰাম্য সমাজৰ সাতামপুৰুষীয়া চিনাকি অংগবিলাক সংৰক্ষণ কৰাৰ প্ৰয়োজনীয়তাত সকলোৱে গুৰুত্ব প্ৰদান কৰিলেহে গ্ৰাম্য সমাজৰ অস্তিত্ব থাকিব।

■ বিজু খাউণ্ড

ফোন ঃ ৭৮৯৬৫৮৯১৯২

# সব কা সাথ সব কা বিকাশ

■ ফখৰুদ্দিন আহমেদ

বিগত ইং ২০২০ বৰ্ষৰ পৰা সময় সাপেক্ষে বিশ্বৰ লগতে সমগ্ৰ ভাৰতবৰ্ষত পালিত হোৱা লক ডাউনে সাধাৰণ জনতাক বিশেষভাৱে বিধ্বস্ত কৰি থৈ যোৱা সমস্যাটোৱেই হৈছে অৰ্থনৈতিক সমস্যা। সাম্প্ৰতিক সময়লৈ এই বিধ্বস্ততাৰ পৰা সাধাৰণ জনতাই পৰিত্ৰাণ পাবলৈ সক্ষম হোৱা নাই। ইফালে, ভাৰতবৰ্ষৰ শাসন ক্ষমতাৰ কেন্দ্ৰবিন্দু দিল্লীৰ মছনদ দ্বিতীয়বাৰৰ বাবে দখল কৰিবলৈ সমৰ্থ হোৱা ভাৰতীয় জনতা পাৰ্টী চমুকৈ বিজেপিৰ শ্ল'গান আছিল 'সব কা সাথ সব কা বিকাশ'। ইয়াৰ সৈতে থকা দেশৰ উন্নয়নৰ অন্যান্য প্ৰতিশ্ৰুতিৰ বিস্তৃত ব্যাখ্যা দাঙি ধৰা নিষ্প্ৰয়োজন। দেশৰ যথেষ্ট উন্নয়নো নোহোৱা নহয়। সমান্তৰালভাৱে মূৰ দাঙি উঠিছে সাম্প্ৰদায়িকতাবাদৰ শ্লোগান। হিন্দু-মুছলমানৰ নামত জমি উঠা ৰাজনৈতিক খেলখনৰ পাকচক্ৰত বিভিন্ন ৰাজ্যৰ বিভিন্ন স্থানত অপ্ৰীতিকৰ ঘটনাও বিগত সময়ছোৱাত ঘটি যোৱা দেশবাসীয়ে প্ৰত্যক্ষ কৰিলে। গো মাতা আৰু গো মাংস শব্দ দুটিৰ আলমত সাধাৰণ জনতাৰ শান্তি, সম্প্ৰীতি আৰু সমন্বয়ক কুঠাৰাঘাত কৰিবলৈ এচাম স্বাৰ্থলোভী ৰাজনীতিবিদ আৰু সমাজতত্ত্ববিদ বাৰুকৈয়ে ব্যস্ত হৈ থকাৰ সময়তে সাধাৰণ জনতাৰ মূৰৰ ওপৰত আঘাত কৰিলেহি মূল্যবৃদ্ধিৰ টাঙোনডালে। ইতিমধ্যেই কোঙা হৈ থকা অৰ্থনৈতিক পৰিস্থিতিত সাধাৰণ জনতাই দিক্-বিদিক হেৰুৱাই পেলোৱাৰ উপক্ৰম কৰিছে। চুবুৰীয়া ৰাষ্ট্ৰ শ্ৰীলংকাত সদ্য মুহূৰ্তত ঘটি থকা ৰাজনৈতিক অচলাৱস্থাৰ ভূতেও খেদিছে বহুতকে। অৱশ্যে এইসকলৰ বেছিভাগেই বিজেপিবিৰোধী শিবিৰৰ ৰাজনৈতিক নেতা তথা সমৰ্থক। এইসকলৰ মানসিকতা বাঁহৰ আগ বানপানীত ডুব গ'লে কাউৰী ক'ত থাকিব বুলি ভাবি আত্মসন্তুষ্টিত বিভোৰ হোৱা শিয়ালটোৰ দৰেহে। দেশৰ সাধাৰণ জনতাৰ উন্নয়ন আৰু মংগলৰ স্বাৰ্থত নিজক উজাৰি দি নিজৰ দায়বদ্ধতাৰ পৰিচয় দিব পৰা ৰাজনৈতিক নেতাৰ সাম্প্ৰতিক সময়ত দেশত বাৰুকৈয়ে অভাৱ হৈছে। সাধাৰণ জনতা সাম্প্ৰতিক সময়ত মূল্যবৃদ্ধিৰ ফলত জুৰুলা হৈছে। মূল্যবৃদ্ধি ৰোধ কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা দৃষ্টোগোচৰ হোৱা নাই। তাৰ বিপৰীতে অতি সাম্প্ৰতিকভাৱে কেন্দ্ৰীয় চৰকাৰে সাধাৰণ জনতাৰ নিত্য ব্যৱহাৰ্য বহুকেইবিধ সামগ্ৰীৰ ওপৰত জি এছ টি আৰোপৰ মাধ্যমেৰে পুনৰ মূল্যবৃদ্ধি ঘটাইছে। বেংকৰ চেকৰ ওপৰতো জিএছটিৰ মাধ্যমেৰে অতিৰিক্তভাৱে আৰ্থিক বোজা জাপি দিছে। সাধাৰণ জনতাৰ জীৱনত ব্যৱহৃত চাউল, আটা, দৈ, পনীৰ, মাছ, মাংস, মৌ, শিশুৰ খাদ্য, পাপড়, শিক্ষণ সামগ্ৰী আদিৰ উপৰিও হাস্পতালৰ কোঠাৰ ভাৰা আদিৰ ওপৰটো জিএছটিৰ নামত অতিৰিক্ত আৰ্থিক বোজা জাপি দিয়া হৈছে। মুঠৰ ওপৰত সকলো পিনৰ পৰাই সাধাৰণ জনতা বিপৰ্যস্ত হৈ পৰিছে।

সাম্প্ৰতিক সময়ৰ ভাৰতবৰ্ষৰ এই অৰ্থনৈতিক সংকটৰ বাবে স্বাধীনোত্তৰ ভাৰতবৰ্ষক প্ৰায় সাত দশকতকৈ অধিক কাল শাসন কৰি যোৱা ভাৰতীয় জাতীয় কংগ্ৰেছ দল আৰু সেই দলৰ কৰ্মকৰ্তাসকলো কম দায়ী নহয়। কংগ্ৰেছ দলে ভাৰতবৰ্ষক বহু ক্ষেত্ৰত বহু অৰিহণাৰে বিশ্বত এখন সুকীয়া আসনত অধিষ্ঠিত কৰাৰ পিছতো এই দলটোৰ ৰাজনৈতিক নেতা তথা কৰ্মীসকলে বিয়পাই দিয়া স্বজন তোষণ আৰু ব্যাপক দুৰ্নীতিপৰায়ণতাৰ বাবে সাম্প্ৰতিক সময়ত শাসনাধিষ্ঠিত বিজেপি দলৰ বিপৰীতে কংগ্ৰেছ দলটিক এটি শক্তিশালী বিৰোধী দল হিচাপে প্ৰতিষ্ঠিত কৰাত বাৰুকৈয়ে বিফল হৈছে। এখন গণতান্ত্ৰিক দেশত এক শক্তিশালী বিৰোধী ৰাজনৈতিক দলৰ বাৰুকৈয়ে প্ৰয়োজন। এনে নহ'লে শাসনাধিষ্ঠিত ৰাজনৈতিক দলে স্বেচ্ছাচাৰী আৰু হঠকাৰী সিদ্ধান্ত গ্ৰহণ কৰিলেও দুৰ্বল বিৰোধী ৰাজনৈতিক দলটিয়ে সাধাৰণ জনতাৰ প্ৰতি দায়বদ্ধতাৰ প্ৰদৰ্শনত ব্যৰ্থ হয়। লগতে শাসনাধিষ্ঠিত ৰাজনৈতিক দলক দেশ পৰিচালনাৰ বাবে সুস্থতাৰ সৈতে প্ৰধান বিৰোধী ৰাজনৈতিক দলৰ সহযোগিতাৰো প্ৰয়োজন। কিন্তু সাম্প্ৰতিক সময়ত এইবোৰ দিশত ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ অসমৰ্থতাহে সাধাৰণ জনতাই প্ৰত্যক্ষ কৰিবলগা হৈছে। এনে জটিল সন্ধিক্ষণত শাসনাধিষ্ঠিত বিজেপি দলে নিৰ্বাচনী সভাবোৰত দিয়া নিৰ্বাচনী প্ৰতিশ্ৰুতিবোৰ স্মৰণ কৰা একান্ত প্ৰয়োজন হৈ পৰিছে। ভাৰতবৰ্ষৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ লগতে বিজেপি দলৰ সাংসদ, মন্ত্ৰী আৰু বিধায়কসকলৰ লগতে নেতা-কৰ্মীসকলে সাধাৰণ জনতাক দি থোৱা 'সব কা সাথ সব কা বিকাশ'ৰ প্ৰকৃতাৰ্থত প্ৰায়োগিক ব্যৱস্থা ল'ব লাগে। আনহাতে, ভাৰতীয় টকাৰ মূল্য ডলাৰ মূল্যৰ হিচাপত দেশৰ স্বাধীনতাৰ পিছত সৰ্বনিম্ন পৰ্যায়লৈ গতি কৰা কাৰ্য আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত দেশবাসীৰ বাবে আন এক অশুভ লক্ষণ।

এনেবিলাক নেতিবাচক পৰিস্থিতিৰ মাজেৰে দেশে গতি কৰি থকা সময়তো কিন্তু ৰাজনৈতিক দলবিলাকে বোকা ছটিওৱা খেলত ব্যস্ত হৈ থাকি সাধাৰণ জনতাৰ প্ৰতি যে তেওঁলোকৰ কোনো ধৰণৰ দায়বদ্ধতা নাই তাকেই বাৰে বাৰে প্ৰতিপন্ন কৰি আছে। ৰাজনৈতিক দলবিলাকৰ মাজত আদৰ্শৰ অমিল থকাটো স্বাভাৱিক। সেই অমিল বিলাকৰো কিন্তু মূল লক্ষ্যটো হ'ল সাধাৰণ জনতাক সহায় কৰা আৰু দেশক প্ৰগতিৰ পথত আগুৱাই লৈ যোৱা। এই মূল বিষয়বোৰ এতিয়া কাগজত অংকিত বাঘৰ লেখিয়াহে হৈছেগৈ। সকলোকে যেন-তেন প্ৰকাৰে শাসনৰ গাদী লাগে। বাকীবোৰ গৌণ।

দেশ আৰু দেশৰ জনতাৰ বাবে মংগলজনক পৰিৱেশৰ সৃষ্টি কৰাৰ দায়িত্ব শাসনাধিষ্ঠিত ৰাজনৈতিক দলবিলাকৰ আৰু চৰকাৰৰ প্ৰতিটো ইতিবাচক কাৰ্যক্ৰমণিকাত সৰ্বতোপ্ৰকাৰ সহযোগিতা কৰাৰ দায়িত্ব দেশৰ সৰ্বসাধসৰণ জনতাৰ। যদিহে চৰকাৰে ৰূপায়ণ কৰা কাৰ্যক্ৰমণিকাবোৰ সাধাৰণ জনতাৰ বাবে মংগলজনক নহৈ সৰ্বনাশী হয়, তেতিয়াই দেশৰ উন্নয়ন অধোগামী হ'বলৈ আৰম্ভ কৰে, দেশৰ সৰ্বসাধাৰণ জনতা প্ৰতিবাদী হ'বলৈ বাধ্য হয়। সেয়ে সময় থাকোঁতে ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰ, বিভিন্ন ৰাজ্যৰ বিভিন্ন ৰাজনৈতিক দলৰ দ্বাৰা গঠিত ৰাজ্য চৰকাৰসমূহ, বিভিন্ন নিকায়-নিগমসমূহৰ সৰ্বসাধাৰণ জনতাৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিসকল সাৱধান হ'বৰ হ'ল। নহ'লে সূৰ্যৰ পোহৰৰ দৰেই সত্য কথা যে এদিন সকলোৱেই সৰ্বসাধাৰণ জনতাৰ আদালতত বিচাৰৰ সমুখীন হ'ব লাগিব।

ফোন ঃ ৮৬৩৮৩১২৭০৭

# অসমীয়া ভাষাটো অসমীয়াৰ হৃদয়ৰ ভাষা, প্ৰাণৰ ভাষা

■ দুলুমণি দেৱী

আমাৰ ভাষাটো আমাৰ প্ৰত্যকজন অসমীয়াৰ প্ৰিয়, সেয়া নকৈ কোৱাৰ প্ৰয়োজন নহয়। কপাহ কোমল যি আমাৰ শব্দ, ভাষাৰ লালিত্য সেয়াই অতুল্য চেতনা জাগ্ৰত কৰে। অন্তৰত সিঁচি দিয়ে অনাবিল স্নেহ। সেই মাতৃভাষা সক্ৰিয়ভাৱে চিৰদিন-চিৰকাল প্ৰবহমান হৈ থাকক, জাকত জিলিকা হৈ ৰওক তাকে অন্তঃকৰণেৰে কামনা কৰোঁ। এটা জাতিৰ সংস্কৃতিৰ পৰিচয় দিয়ে ভাষাটোৱে, আমি যি দেশলৈকে নাযাওঁ কিয়, যি ভাষাই নকওঁ, আমাৰ কিন্তু আপোন মাতৃভাষাটোহে। বিদেশত আপোন মানুহ দেখিলে যিকোনো প্ৰকাৰে কাষ চপা হয়, নিজৰ ভাষাতে কথা পতা হয়। যেনেকৈ বেচিদিন আলহীঘৰত থাকি আমনি লাগে, ঠিক তেনেকৈ বেচিকৈ অন্যভাষা কৈ বা অন্যদেশত থাকিও আমাৰ বহুতৰ ভাল নালাগে, নিজ দেশলৈ ঢাপলি মেলিবলৈ মন যায়। নিজৰ ভাষা-ভাষীৰ লোক লগ পালে অনৰ্গল সলসলীয়াকৈ নিজৰ মনৰ ভাব ব্যক্ত কৰিব পৰা যায়, এয়া স্বাভাৱিক। অসমত অসমীয়াক প্ৰথম ভাষা হিচাপে ৰাখিবলৈ কিছু যেন সংশয় আহি পৰিছে, বিশ্বায়নে সমগ্ৰ বিশ্বখন এখন গাঁৱত পৰিণত কৰিছে ঠিকেই কিন্তু সেই বিশ্বায়ন বা পৰিৱৰ্তন সিমানখিনিহে আমাক লাগে যিমানখিনি আমাৰ শক্তি-সামৰ্থ্যৰ ভিতৰত। সময়ে যেন ক'ব খোজে নিজস্বতা বজাই ৰখাৰ সময় সমাগত। মিলনৰ সেতু গঢ়িবলৈ আলোচনাৰ প্ৰয়োজন, আমি প্ৰত্যেকেই গণতান্ত্ৰিক দেশৰ বাসিন্দা, জনমত শক্তিশালী হ'লে আমাৰ বহু সমস্যা উপশম হয়, শান্তিপূৰ্ণভাৱে কৰা আলোচনাই সংঘৰ্ষৰ সমাধান কৰি উচিত পথ দেখুৱায়। সম্প্ৰীতিৰ এনাজৰীডাল অটুট ৰাখিবলৈ ভিন্ন মতাদৰ্শৰ মাজৰ পৰা শুদ্ধটো বিচাৰ কৰিবই লাগিব। এটা সময় আছিল সাতভনী মিলি যেতিয়া অসমখন বৰ অসম হৈ আছিল বহিঃশত্ৰুৱেও সমীহ কৰিছিল শক্তি দেখি, কিন্তু সময়ৰ সোঁতত ভিন্ন স্বাৰ্থত এখন এখনকৈ সকলো ফালৰি কাটি গ'ল, যি বাকী আছে সেয়া যাতে অটুট থাকে, নিজৰ ভাষাৰ জৰিয়তে যাতে উঠি অহা প্ৰজন্মই নিজক চিনাকি দিব পাৰে, সকলো বাধা নেওচি বিশ্ব দৰবাৰত ভাষাটো জিলিকাব পাৰি তাৰ কাৰণে কৰণীয় বহুখিনি আছে। এটা কথা ক'বই লাগিব, বৰ্তমান প্ৰতিযোগিতাৰ দৌৰত দৌৰিবলৈ আমাক শক্তি, সামৰ্থ্য আৰু অৰ্হতা সকলোখিনিয়ে লাগে আৰু সেই শক্তি আহৰণ নিজ দেশত থাকিও কৰিব পাৰি, ঠিক সেইদৰে নিজৰ ভাষাটোক প্ৰাধান্য দিও অন্য ভাষাত আগবাঢ়িব পৰা যায়। আমি আশাবাদী অনাগত দিনত সেয়া হ'ব, উঠি অহা প্ৰজন্মক গুৰুত্ব দিব তেতিয়া ঐক্য বিৰাজ কৰিব।

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

# কলিয়াবৰত জলজীৱন আঁচনি ধোঁৱা-চাঙত

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১ আগষ্ট** ঃ হাতত বাল্টী আৰু কলহ লৈ চৰকাৰী বিশুদ্ধ পানীলৈ অপেক্ষা কলিয়াবৰৰ একাংশ ৰাইজৰ। কিন্তু নোলায় পানী, নল আছে কিন্তু পানী নাই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাইজৰ সুবিধাৰ্থে জলজীৱন আঁচনি নামৰ এক অভিলাসী আঁচনি ৰূপায়ণ কৰিছিল। সেই মৰ্মে অসমৰ চুকে কোনে ঘৰে ঘৰে বিশুদ্ধ খোৱা পানী পাব পৰাকৈ স্থাপন কৰা হৈছিল নল। কলিয়াবৰতো ঘৰে ঘৰে বিশুদ্ধ খোৱা পানী পাব পৰাকৈ স্থাপন কৰা হৈছিল নল। নল স্থাপন কৰাৰ পাছৰে পৰা ৰাইজে পোৱা নাই পানী। কলিয়াবৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অন্তৰ্গত কুঠৰী গাঁও পঞ্চায়তৰ এলেকাধীন কুঠৰী ন-বস্তী, কুঠৰী গোহাঁই গাঁও, কুঠৰী পশ্চিম পথাৰ গাঁৱৰ প্ৰায় দুহেজাৰটা পৰিয়ালে পোৱা নাই পানী। ঠিক একে অৱস্থা কলিয়াবৰৰ পশ্চিম অঞ্চলতো। কলিয়াবৰ জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ অন্তৰ্গত ২ নং কুলিডুঙি গাঁৱত পানীৰ টেপৰ গৃহ সংযোগৰ নামত সংঘটিত হৈছে ব্যাপক দুৰ্নীতি। আঁচনিৰ কাম চোৱা-চিতা কৰিবলৈ আহৰি নাই বিভাগীয় বিষয়া-অভিযন্তাৰ। যাৰ ফলত ব্যাপক অনিয়ম সংঘটিত হৈছে জল জীৱন মিছন আঁচনি ৰূপায়নত। ঘৰৰ পদূলিত পানী টেপৰ সংযোগ লাভ কৰি বিপাঙত পৰিছে সৰ্বসাধাৰণ ৰাইজ। জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু ঠিকাদাৰৰ কৃপাত বাস্তৱ ক্ষেত্ৰত জল জীৱন এতিয়া একাংশৰ বা জল জঞ্জালৰ ৰূপ লৈছে। ইতিমধ্যে, বিভাগীয় নীতি-নিৰ্দেশনা অমান্য কৰি পানীৰ নলাসমূহ সংযোগ কৰি ঠিকাদাৰ গোষ্ঠীয়ে দায়িত্ব সামৰিলে। পাছত জনস্বাস্থ্য কাৰিকৰী বিভাগেও নলাৰে সংযোজিত হোৱা বঞ্জ্যক্তিসকলৰ পৰা যাৱতীয় নথি-পত্ৰ লৈ দায়িত্ব সামৰিলে বুলি অভিযোগ উঠিছে। অথচ এই পৰ্যঞ্জ্যন্ত পানী যোগান নাই, টেপসমূহ সঠিকভাৱে স্থাপন হোৱা নাই। মুঠতে চূড়ান্ত বেমেজালিৰ মাজেৰে এই মিছনৰ কাম-কাজ চলি আছে। আনহাতে, কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজ্য চৰকাৰলৈকে জল জীৱন মিছনৰ প্ৰশস্তি গোৱাত ব্যস্ত। অৱশ্যে তাৰ মাজতে কেইবাটাও জল জীৱন মিছনৰ ঠিকাদাৰী প্ৰতিষ্ঠানক ব্লেক লিষ্টেড কৰিছে। উল্লেখ্য যে, জল জীৱন মিছন, ঘৰে ঘৰে বিশুদ্ধ পানী' লক্ষ্যৰে সমগ্ৰ ভাৰতৰ এই অভিলাষী আঁচনিৰ অন্তৰ্গত অসমৰ প্ৰতিটো সমষ্টিৰে সম্পূৰ্ণ হোৱা আঁচনিসমূহ যোৱা ৩১ আগষ্ট তাৰিখে আনুষ্ঠানিকভাৱে মুকলি কৰা হৈছিল। এতিয়া কলিয়াবৰৰ প্ৰায় প্ৰতি ঘৰে-ঘৰে নল আছে কিন্তু ঘৰে-ঘৰে নাই জল। যাৰ ফলত এই অঞ্চল ৰাইজে বোকা পানী, পাহাৰৰ নলাৰ পানী, আইৰণযুক্ত পানী খাব লগা হৈছে। জলজীৱন আঁচনিৰ পৰা গ্ৰামাঞ্চলৰ ৰাইজ উপকৃত হোৱাৰ পৰিৱৰ্তে একাংশ ঠিকাদাৰ হে উপকৃত হোৱাৰ অভিযোগ ৰাইজৰ। ২০২৪ চনৰ ভিতৰত ৰাজ্যৰ প্ৰতিটো পৰিয়ালকে পৰ্যাপ্ত পৰিমাণৰ আৰু নিৰ্ধাৰিত গুণ সম্পন্ন খোৱাপানী যোগানৰ উদ্দেশ্যে অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে আৰম্ভ কৰা 'জল জীৱন মিছন'ৰ ৰাজ্যৰ বিভিন্ন স্থানত সম্প্ৰদান অনুষ্ঠানো অনুষ্ঠিত হৈছে। চৰকাৰী তথ্য মতে, অসমত প্ৰায় আঠ লাখ ঘৰত জল জীৱন মিছনৰ জৰিয়তে বিশুদ্ধ খোৱা পানীৰ সংযোগ কৰা হৈছে। অসমৰ বাবে নিৰ্ধাৰণ কৰা ৫৬০১.১৬ কোটি টকাৰ এই বৃহৎ পৰিমাণৰ ধনৰ আঁচনিৰ এই সংযোগ কিমান মান বিশিষ্ট, কিমান চৰকাৰী নীতি-নিয়ম পালন কৰা হৈছে? ইতিমধ্যে ৩২৭৭ কোটি টকাৰ প্ৰথম পৰ্যায়ৰ সমাপ্তিৰ পাছতেই আজি ৰাজ্যজুৰি সম্প্ৰদান অনুষ্ঠান অনুষ্ঠিত হৈছিল।



## যোৰহাটৰ ১৩১নং বুথৰ গৰখীয়া দ'লত 'মন কী বাত'

### চিকিৎসা সাহায্য বিচাৰি গ'লেও বিধায়কে আবেদন-পত্ৰ ঘূৰাই পথোৱাৰ গুৰুত্বৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ১ আগষ্ট** ঃ কালি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন-কী-বাত আৰু বুথ কী বাত অনুষ্ঠান ঢেকৰগড়া মণ্ডলৰ অধিনৰ ৩৮ নং বালিগাঁও পঞ্চায়ত এলেকাধীন ১৩১ নং বুথৰ গৰখীয়া দ'লত আৰু যোৰহাট গ্ৰাম্য মণ্ডলৰ ৩৭ নং ৰজাহাউলী পঞ্চায়ত এলেকাধীন ১৬৫ নং বুথৰ ৰাজতীয়াত আৰু ১৬৭ নং বুথৰ পশ্চিম নকাৰিত মন-কী-বাত অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত দলৰ পৰামৰ্শ অনুসৰি এচ চি মৰ্চা যোৰহাট জিলাৰ সভাপতি অনন্ত দাস উপস্থিত থাকি ১৬৫ বুথত বন্তি প্ৰজ্বলন কৰে। বুথ কি বাতত ৰাইজৰ লগত বুথৰ বিভিন্ন সমস্যা সন্দৰ্ভতো মত বিনিময় কৰি সমস্যাসমূহ সমাধানৰ পৰামৰ্শ আগবঢ়াই অনন্ত দাসে। স্থানীয় ৰাইজে অৰুণোদয়, উজ্জ্বলা, সৌভাগ্য, শৌচাগাৰ, প্ৰধান মন্ত্ৰী আৱাস যোজনা, চিকিৎসা সাহাৰ্য আদি সম্পৰ্কত অৱগত কৰে মত বিনিময় অনুষ্ঠানত। বিশেষকৈ দেৰগাঁও সমষ্টিৰ বিধায়কজনে চিকিৎসা সাহায্য বিচাৰি আবেদন লৈ গ'লেও আবেদন ঘূৰাই পথাই দিয়াৰ গুৰুত্বৰ অভিযোগ উত্থাপিত হয় ১৩১নং বুথৰ গৰখীয়া দ'লৰ মত বিনিময় অনুষ্ঠানত।

## লামডিং আৰক্ষীৰ গাঁজাসহ এজনক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, লামডিং, ১ আগষ্ট** ঃ লামডিঙত ড্ৰাগছ আৰু গাঁজাৰ ঘাটিত পৰিণত হৈছে।পুনৰবাৰ আকৌ লামডিঙত গাঞ্জা উদ্ধাৰ।লামডিঙত গাঁজা সৰবৰাহকাৰীৰ মাষ্টৰ মাইণ্ড গৌতম বিশ্বাস আৰক্ষীৰ জালত।শনিবাৰে নিশাৰ ভাগত লামডিঙ আৰক্ষী অভিযান চলাই বৃহত পৰিমাণৰ গাঞ্জা জব্দ লগতে এজনক আটক কৰে।লামডিঙত চলি আছে নিষিদ্ধ গাঞ্জাৰ ৰমৰমিয়া বেহা।অভিযানত গাঞ্জা সহ এজন যুৱক আটক।গোপন সূত্ৰৰ পম খেদি যুৱক জনৰ পৰা প্ৰায় ২৬ কেজি নিষিদ্ধ গাঞ্জা সহ নগদ ২৫ হাজাৰ টকা জব্দ কৰে ।গৌতম বিশ্বাস নামৰ যুৱক জনক হাতে লোতে লামডিঙৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা আৰক্ষীয়ে আটক কৰে।আটক কৰি যুৱক জনক লামডিং আৰক্ষী অব্যাহত ৰাখিছে তদন্ত।জব্দকৃত গাঞ্জাখিনিৰ বজাৰ মূল্য আনুমানিক ৫ লাখমান টকা হ'ব।

## বৈনাৰাত জাপানীজ এনকেফেলাইটিছত শিশুৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা আন্ধেৰীঘাট, ১ আগষ্ট** ঃ সম্প্ৰতি ৰাজ্য খনত জাপানীজ এনকেফেলাইটিছ ৰোগে ভয়াবহ ৰূপ ধাৰণ কৰিছে।প্ৰাপ্ত তথ্য অনুসৰি দৰং - ওদালগুৰি জিলাৰ সীমান্তৱৰ্তী ২নং বৈনাৰা গাওঁ নিবাসী বনশ্ৰী ৰাজবংশী (১১) নামৰ শিশু এগৰাকী জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ মৃত্যু মুখত পৰে। ২ নং বৈনাৰা সত্ৰ প্ৰাথমিক বিদ্যালয় ৫ ম শ্ৰেণীত অধ্যয়নৰত বনশ্ৰী ৰাজবংশী শিশু গৰাকী এমাহ পূৰ্বে জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ এচজিএম ছি এইচতচিত চিকিৎসাধীন হৈ আছিল। শিশু টিৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে।

## নৈশবাছৰ পৰা গাঁজা জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১ আগষ্ট** ঃ কলিয়াবৰৰ জখলাবন্ধাত নিশা আৰক্ষীৰ অভিযান। নৈশ বাছৰ পৰা জব্দ বৃহৎ পৰিমাণৰ গাঞ্জা। গোপন খবৰৰ ভিত্তিত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত জখলাবন্ধা আৰক্ষীয়ে চলাইছিল অভিযান। জখলাবন্ধা আৰক্ষীয়ে চলোৱা এক তালাচীত এ আৰ ২০ - ৮০২৭ নম্বৰৰ 'তনুজ' নামৰ গুৱাহাটীৰ পৰা জাগুন অভিমুখী নৈশ বাছখনৰ পৰা গাঞ্জাখিনি জব্দ হয়। নগাঁৱৰ আৰক্ষীয়ে আটক কৰা লোক দুজন ডিব্ৰুগড়লৈ বুলি নৈশ বাছখনত উঠিছিল বুলি চালকে জনাইছে। আটক কৰা লোক দুজন মৰিগাঁও জিলাৰ মৈৰাবাৰী আৰক্ষী থানাৰ অন্তৰ্গত সৰবৰাহকাৰী জিয়াৰুদ্দিন আৰু ছাদ্দাম হুচেইন। জব্দকৃত গাঞ্জাখিনিৰ গাঞ্জাৰ ওজন ১৬ কেজি ৫৪০ গ্ৰাম আৰু বজাৰ মূল্য প্ৰায় ৫ লাখ টকা বুলি অনুমান কৰা হৈছে।

## ধৰ্মপুৰত কংগ্ৰেছী নেতাৰ বিজেপিত যোগদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১ আগষ্ট** ঃ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ গৃহ সমষ্টি ধৰ্মপুৰৰ ককয়াত আজি কংগ্ৰেছৰ কে'বাগৰাকীও নেতা-কৰ্মীয়ে আনুষ্ঠিনকভাৱে বিজেপি দলত যোগদান কৰে। কংগ্ৰেছৰ 'ৰাজীৱ গান্ধী পঞ্চায়তীৰাজ সংগঠন'ৰ জিলা সভাপতি মৃগেন ঠাকুৰীয়াৰ লগতে কেবাগৰাকীও কংগ্ৰেছীয়ে বিজেপিত যোগদান কৰে । ককয়াত প্ৰধান মন্ত্ৰীৰ 'মন কী বাত' অনুষ্ঠানত আনুষ্ঠানিক ভাৱে এইসকল লোকে বিজেপিত যোগদান কৰে। সমষ্টিটোৰ ককয়াৰ গিৰিধৰ শৰ্মা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত প্ৰধান মন্ত্ৰীৰ ' মন কী বাত ' অনুষ্ঠানত কেবাগৰাকীও কংগ্ৰেছ দলৰ নেতা-কৰ্মীয়ে বিজেপি দলত যোগদান কৰে। আনাতাঁৰ কেন্দ্ৰযোগে সম্প্ৰচাৰ হোৱা মন কী বাত অনুষ্ঠানত প্ৰধান মন্ত্ৰী মোডীৰ ভাষন শুনাৰ পিছতে ককয়া পঞ্চায়তৰ ১৪৪ নম্বৰ বুথৰ সভাপতি তৰুণ ঠাকুৰীয়াৰ পৌৰহিত্যত অনুষ্ঠিত যোগদান সভাত নলবাৰী জিলা বিজেপিৰ উপ সভাপতি উদয় বৰ্মন , ককয়া গাও পঞ্চায়তৰ সভাপতি কমলেশ্বৰ নাথ , কাউন্সিলৰ প্ৰমোদ কলিতা , পশ্চিম নলবাৰী মণ্ডল বিজেপিৰ ভাৰপ্ৰাপ্ত সভাপতি শশীন্দ্ৰ শৰ্মাকে ধৰি কেবাগৰাকীও নেতা কৰ্মী উপস্থিত থাকে । দলৰ মাফলাৰ আৰু প্ৰতীকেৰে সদ্য পদত্যাগী এইসকল কংগ্ৰেছী নেতাক বিজেপি দললৈ আদৰণি জনোৱা হ'য় । অনুষ্ঠানৰ পূৰ্বে ভাৰত মাতা , দিনদয়াল উপাধ্যায় আৰু শ্যামা প্ৰসাদ মুখাৰ্জীৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন কৰে। যোগদান কাৰ্যসূচীটোৰ নেতৃত্ব বহন কৰে জিলা বিজেপিৰ উপ সভাপতি উদয় বৰ্মনে । সদ্য পদত্যাগী কংগ্ৰেছী নেতা সকলে ধৰ্মপুৰ সমষ্টিৰ স্থানীয় বিধায়ক তথা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰসংশাত পঞ্চমুখ হৈ পৰাৰ লগতে কংগ্ৰেছ দল একমাত্ৰ গান্ধী পৰিয়ালৰ দল বুলি ক্ষুৰধাৰ সমালোচনা কৰে।



## কলিয়াবৰত ককায়েকৰ আক্ৰমণৰ বলি হ'ল ভায়েক-বোৱাৰীয়েকক

### গুৰুতৰভাৱে আহত দম্পতীক তেজপুৰলৈ প্ৰেৰণ, আটক অপৰাধী

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১ আগষ্ট** ঃ কলিয়াবৰৰ নিশা পৰিয়ালকেন্দ্ৰীক সংঘাতত গুৰুতৰভাৱে আহত এগৰাকী মহিলা আৰু এজন পুৰুষ। কলিয়াবৰৰ উলুৱনী আৰক্ষী নিৰেশ এলেকাৰ গড়গুৰিত সংঘটিত হয় ঘটনাটো। নিশা পৰিয়ালৰ মাজত হোৱা বিবাদৰ বাবে ককায়েকে দাৰে ঘপিয়াই নিজৰ ঘৰতে হত্যাৰ অপচেষ্টা ভায়েক আৰু ভাইবোৱাৰীয়েকক। পদুম দাধৰা নামৰ লোকজনে নবৌয়েক মণিমালা দাধৰা আৰু ককায়েক দেৱজিৎ দাধৰাক এখন দাৰে ঘপিয়াই প্ৰাণে মৰাৰ অপচেষ্টা চলাই পলায়ণ কৰে। গুৰতৰভাৱে আহত দেৱজিৎ আৰু মনিমালাক নিশাই তেজপুৰ চিকিৎস্যা মহাবিদ্যালয় হস্পিটালত ভৰ্ত্তি কৰোৱা হয়। পলাতক পদুমকো নিশাই অভিযান চলাই উলুৱনী আৰক্ষীয়ে আটক কৰে ,উদ্ধাৰ কৰে দা-খনো।

## জনিয়াৰ কপোহাত আত্মসহায়ক গোটৰ সভা



**দৈনন্দিন বাৰ্তাৰ সেৱা, পাকাবেতবাৰী, ভক্তৰডোবা, ১ আগষ্ট** ঃ বৰপেটা জিলাৰ ৪৪ নং জনিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত কপোহাত কালি মন্দিয়া উন্নয়ন খণ্ডতত পঞ্জীভুক্ত আত্মসহায়ক গোটৰ সদস্যা সকলক লৈ এখন সভা অনুষ্ঠিত হৈ যায়। সমাজকৰ্মী কলিম উদ্দিনৰ পৌৰোহিত্যত আৰু মমেলা খাতুনৰ নেতৃত্বত অনুষ্ঠিত সভা সৰুক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা বৰ্তমানৰ অগপ দলৰ কেন্দ্ৰীয় উপ-সভাপতি ডাঃ তাৰা প্ৰসাদ দাস , বৰপেটা বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা অগপ দলৰ জিলা সভাপতি গুণীন্দ্ৰ নাথ দাস , অগপ দলৰ জ্যেষ্ঠ নেতা পুলিন পাঠক , অগপ দলৰ বাঘবৰ সমষ্টিৰ সভাপতি আলী হুছেইন, সমাজসেৱী হাসেম কাজিৰ লগতে দলৰ আন আন কাৰ্য্যকৰ্তা সকল উপস্থিত থাকে । সভাখনত মহিলা আত্মসহায়ক গোট সমূহৰ সদস্যা সকলে তেওঁলোকৰ সমস্যা সমূহৰ বিষয়ে তাত অৱগত কৰাত ডাঃ তাৰা প্ৰসাদ দাসে অতি আগ্ৰহেৰে অভিযোগ সমূহ অনুধাৱন কৰাৰ লগতে সমাধানৰো আশ্বাস প্ৰদান কৰে। সভাৰ অন্তত কপোহা স্থিত ভেলেঙী নদীয়ে সৃষ্টি কৰা গড়াখহনীয় অঞ্চল পৰিদৰ্শন কৰি ডাঃ তাৰা প্ৰসাদ দাসে উক্ত ঠাইৰ পৰাই বিভাগীয় অভিযন্তাক অৱগত কৰোৱাৰ লগতে তাৰ তাৎক্ষণিক সমাধান সম্পৰ্কে ফোনত বাৰ্তালাপ কৰে।



## পখিলা দেৱীৰ মৃত্যুত শোক

দৈনন্দিন বাৰ্তাৰ সেৱা আন্ধেৰীঘাট ১ আগষ্ট :কামৰূপৰ ভিতৰখোলা গাওঁ নিৱাসী ধৰ্মপ্ৰাণা মহিলা পখিলা দেৱী (৫২)ৰ ৰবিবাৰে আকস্মিক ভাৱে মৃত্যু হয় ।বিয়লি ভাগত হৰ্থাৎ অসুস্থ হৈ পৰা মহিলা গৰাকীক ততাতৈয়াকৈ চিকিৎসালয়লৈ নিয়া হয় যদিও শেষ নিশ্বাস ত্যাগ কৰে ।দৰং জিলাৰ মালিবাৰিটাৰি গাৱত জন্ম গ্ৰহণ কৰা পখিলা দেৱীয়ে জীয়ৰী অৱস্থাৰ পৰা জ্ঞান বিজ্ঞান সমিতি,প্ৰচেষ্টা, অসম মহিলা সমতা চ'ছাইটি ,আত্মসহায়ক গোট,মহিলা নামতি দ'ল আদিৰ সৈতে জড়িত হৈ সামাজিক ক্ষেত্ৰত মহিলা সকলক নেতৃত্ব বহন কৰিছিল ।ভিতৰখোলাৰ গোলাপ নাথৰ সৈতে বিবাহ পাশত আৱদ্ধ হোৱা পখিলা দেৱীৰ মৃত্যুত ভিতৰখোলাকে ধৰি জন্মগাও মালিবাৰিটাৰিত শোকৰ ছা পৰিছে।

## নগাঁৱত সোণসেৰীয়া গীতৰ কৰ্মশালাৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ১ আগষ্ট** ঃ নগাঁৱৰ অন্যতম অগ্ৰণী সামাজিক - সাংস্কৃতিক গোষ্ঠী 'গান্ধাৰ'ৰ উদ্যোগত ১৬ সংখ্যক সদৌ অসম অসমীয়া ন-পুৰণি সোণসেৰীয়া গীতৰ (গায়কী) কৰ্মশালা -২০২২ৰ দেওবাৰে নিশা আনুষ্ঠানিকভাৱে সফল সামৰণি পৰে। সামৰণি অনুষ্ঠানৰ বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে নগাঁৱৰ বিশিষ্ট সমাজ সংগঠক, লেখক ৰঞ্জিত কুমাৰ তামুলী ফুকনে আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত মাল্য অৰ্পণ কৰে ভাৰতীয় গণনাট্য সংঘৰ নগাঁও জিলাৰ পৃষ্ঠপোষকদ্বয় যজ্ঞেশ্বৰ শৰ্মা আৰু মুকুট ভূঞাই ।অনুষ্ঠানটি সঞ্চালনা কৰে লোক সংস্কৃতিৰ সাধক বিষ্ণুৰাম মেধিয়ে আৰু সামগ্ৰিকভাৱে অনুষ্ঠানটিৰ আঁত ধৰে 'গান্ধাৰ'ৰ প্ৰধান সম্পাদক প্ৰদীপ বৰাই ।অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে জনপ্ৰিয় কণ্ঠশিল্পী কৃষ্ণমণি নাথ। কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলে প্ৰশিক্ষণপ্ৰাপ্ত গীতসমূহ পৰিৱেশন কৰাৰ লগতে কণ্ঠশিল্পী তুতুমণি বৰা আৰু পল্লৱী শৰ্মাই গীত পৰিৱেশন কৰি সমগ্ৰ অনুষ্ঠানটি জীপাল কৰি তোলে। উক্ত অনুষ্ঠানতেই বিশিষ্ট তবলাবাদক প্ৰশান্ত ফুকন আৰু মধুস্মিতা ভট্টাচাৰ্য্যক গামোচা, চেলেং আৰু সম্বৰ্ধনা পত্ৰৰে বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰোপৰি সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত নগাঁৱৰ ৰামানুজন কনিষ্ঠ মহাবিদ্যালয়ৰ পৰা কলা শাখাত দশম স্থানপ্ৰাপ্ত মেঘনা বৰা আৰু উচ্চ মাধ্যমিকত ৰাজ্যৰ ভিতৰতে অষ্টম স্থানপ্ৰাপ্ত নগাঁৱৰ খ্ৰীষ্টজ্যোতি স্কুলৰ ছাত্ৰী উদেষণা বৰদলৈৰ উপৰি কেইবাগৰাকীও ডিষ্টিংচনপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। উক্ত অভিনন্দন অনুষ্ঠানটি স্বৰ্গীয় নূপুৰ শৰ্মাৰ সোঁৱৰণত মিনতি শৰ্মাৰ দ্বাৰা আগবঢ়োৱা হয়। অনুষ্ঠানত 'গান্ধাৰ'ৰ তৰফৰ পৰা ১০০ গৰাকী প্ৰশিক্ষাৰ্থীক মানপত্ৰ বিতৰণ কৰা হয়। উল্লেখ্য যে উক্ত কৰ্মশালা যোৱা ২৪ জুলাইৰ পৰা নগাঁও নতুন বজাৰস্থিত সংগীত শিল্পী মঞ্চ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈছিল আৰু উক্ত অনুষ্ঠানত মুম্বাইত প্ৰতিষ্ঠিত যশস্বী কণ্ঠশিল্পী অনিন্দিতা পাল, সুকণ্ঠী গায়িকা মধুস্মিতা ভট্টাচাৰ্য্য, জনপ্ৰিয় সংগীত শিল্পী মৃণাল কান্তি মেধি, সংগীত শিল্পী সীমান্ত কাকতি আদিয়ে প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদান কৰে।







## বাপুজী বালিকা উঃ মাঃ বিদ্যালয়ত অভিনন্দন অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা আন্ধেৰীঘাট, ১ আগষ্ট** ঃ শিক্ষাৰ্থী সকলৰ মাজত কেৰিয়াৰ আৰু জীৱন শৈলী সম্পৰ্কীয় এক দিনযোৰা কাৰ্যসূচী শনিবাৰে দৰং জিলাৰ বিষ্ণুপুৰ স্থিত স্ত্ৰী শিক্ষাৰ একমাত্ৰ শিক্ষানুষ্ঠান বাপুজি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায় । বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মদনমোহন কাকতিৰ সভাপতিত্ব ত অনুষ্ঠিত হোৱা সভাখনত ৰাষ্ট্ৰীয় বঁটা প্ৰাপক ডাহি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শশাঙ্ক হাজৰিকাই সমল ব্যক্তি হিচাবে উপস্থিত থাকি শিক্ষাৰ্থী সকলক কেৰিয়াৰ আৰু জীৱন শৈলী ৰ ওপৰত বক্তব্য আগবঢ়ায়। কেৰিয়াৰ সম্পৰ্কত শিক্ষাৰ্থী সকলক পঢ়ি শুনি জ্ঞান অৰ্জন কৰি ভৱিষ্যতে সুনিশ্চিত পথ বাচি লবলৈ আহ্বান জনোৱাৰ লগতে মন মগজুক নিয়ন্ত্ৰণ, সময়ৰ সদ্ব্যৱহাৰ, সমস্যা সমাধান, গঠন মুলক চিন্তা ধাৰা আদি শৈলী সমূহৰ ওপৰত সদা সচেতন থাকি জীৱন যুদ্ধত জয়ী হৈ এজন দক্ষ ব্যক্তিসম্পণ্ণ দেশৰ সু নাগৰিক হবলৈ তেওঁ বক্তব্যত উল্লেখ কৰে। এই সভাখনত উপস্থিত থাকি বিদ্যালয় খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক শাস্ত্ৰী ৰাম ডেকা, বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি দীনেশ্বৰ ৰাজবংশী য়েও শিক্ষাৰ্থী সকলক উদ্যেশী ভাষণ প্ৰদান কৰে। বিদ্যালয় খনৰ সহকাৰী বিজ্ঞান শিক্ষক হিৰণ্য কুমাৰ নাথে আঁত ধৰা এই অনুষ্ঠানৰ আৰম্ভণিতে আদৰণি ভাষণ আগবঢ়ায় বিদ্যালয় খনৰ প্ৰধান শিক্ষক পলাশ চমুৱাই। আনহাতে এই সভাতেই বিদ্যালয় খনৰ পৰা সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ৪৫ গৰাকী কৃতি ছাত্ৰী সকলক অভিনন্দন জনোৱা হয়। ইয়াৰ উপৰিও বিদ্যালয় খনৰ পৰা আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া শিক্ষাৰ্থী সকলকো এই অনুষ্ঠানতে গুৰুমণ্ডলীৰ দ্বাৰা আশীৰ্বাদ প্ৰদান কৰা হয়। শিক্ষক, অৱসৰপ্ৰাপ্ত শিক্ষক, প্ৰাক্তন ছাত্ৰী সমন্বিতে অভিভাৱক উপস্থিত থকা সভাখনত ছাত্ৰী সকলৰ দ্বাৰা পৰিৱেশিত গীত নৃত্য ই অনুষ্ঠান সুচী জীপাল কৰি তোলে।

## কলিয়াবৰত সদৌ অসম লেখিকা সমাৰোহৰ সভানেত্ৰী-সম্পাদিকা সন্মিলন

### ■ নতুন শিক্ষা নীতিৰ বাবে ৰাজ্যৰ শিক্ষা খণ্ডত কিছু পৰিৱৰ্তন আৱশ্যক হৈ পৰিছে

### ■ বিদ্যালয়ত ইংৰাজী শিক্ষা প্ৰৱৰ্তনৰ বিষয়ে মন্ত্ৰী কেশৱ মহন্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১ আগষ্ট** ঃ 'অসমত জনসংখঞ্জ্যা বাঢ়িছে কিন্তু অসমীয়া মাধঞ্জ্যমৰ বিদঞ্জ্যালছাত্ৰীয় তথা ছাত্ৰ- কমিছে। ইংৰাজী ভাষা সুন্দৰকৈ জানিব লাগিব যদিও অসমীয়া ভাষা সাহিতঞ্জ্যৰ ভঁৰাল চহকী কৰাটোও আমাৰ দায়িত্ব। নতুন শিক্ষা নীতিৰ বাবে ৰাজঞ্জ্যৰ শিক্ষা খণ্ডত কিছু পৰিৱৰ্তন আৱশঞ্জ্যক হৈ পৰিছে। সেয়ে, তৃতীয় শ্ৰেণীৰ পৰা বিজ্ঞান আৰু গণিত বিষয়ত ইংৰাজী ভাষাৰ মাধঞ্জ্যমেৰে অসমৰ বিদঞ্জ্যালয়সমূহত শিক্ষা দান প্ৰক্ৰিয়া আৰম্ভ কৰাৰ অসম চৰকাৰে সিদ্ধান্তগ্ৰহণ কৰিছে।' এই বক্তব্যঞ্জ্য ৰাজঞ্জ্যৰ স্বাস্থঞ্জ্য মন্ত্ৰী কেশৱ মহন্তৰ। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত, কলিয়াবৰ লেখিকা সমাৰোহ সমিতিৰ সহযোগত প্ৰতিখন জিলাৰ সভানেত্ৰী-সম্পাদিকাসকলৰ সন্মিলন অনুষ্ঠানত মুখঞ্জ্য অতিথি ৰূপে উপস্থিত থাকি ভাষণ প্ৰসঙ্গত আৰু কয়, — 'নিজৰ ভাষাটো জীয়াই ৰাখিবলৈ সকলোৰে একগোট হৈ সামূহিক প্ৰচেষ্টাৰে আগবাঢ়িব লাগে। লেখিকা সমাৰোহে জন্মলগ্নৰে পৰা সমাজৰ হকে, নৱ প্ৰজন্মৰ হকে কাম কৰি আহিছে। এনে বিৰল পদক্ষেপ হয়তো মহিলাসকলৰ এনে বৃহৎ অনুষ্ঠানটোৱে কৰি আহিছে।' আজি কলিয়াবৰৰ কুঁৱৰীটোলস্থিত মুক্তিযুঁজাৰু ভৱনত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত, কলিয়াবৰ লেখিকা সমাৰোহ সমিতিৰ সহযোগত প্ৰতিখন জিলাৰ সভানেত্ৰী-সম্পাদিকাসকলৰ সন্মিলন অনুষ্ঠানত পুৱা পতাকা উত্তোলন কৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ডঃ চাৰু চহৰীয়া নাথে। লেখিকা সমাৰোহৰ কলিয়াবৰ জিলা সমিতিৰ সভানেত্ৰী ৰেখা দেৱীয়ে বন্তিপ্ৰজ্বলন কৰাৰ পাছতে পুৱা ১১-৩০ বজাৰ পৰা অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে চাৰু চহৰীয়া নাথে। লেখিকা সমাৰোহৰ উপদেষ্টা স্বৰ্ণ বৰুৱা গগৈয়ে উদ্বোধন কৰা সভাখনিত আদৰণি ভাষণ প্ৰদান কৰে আদৰণি সমিতিৰ সভানেত্ৰী মামনি ভুঞা হাজৰিকাই। মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই লেখিকা সমাৰোহৰ অতীত- বৰ্তমানৰ কৰ্মসূচীৰ প্ৰশংসা কৰাৰ লগতে ভৱিষ্যত নিৰ্মাত এই অনুষ্ঠানটিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ আশা প্ৰকাশ কৰে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উত্তৰণত জিলা আৰু শাখা সমিতিসমূহৰ ভূমিকা সম্পৰ্কত আলোকপাত কৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ কাৰ্যকৰী সভানেত্ৰী সুৱৰ্ণ শইকীয়া বৰদলৈয়ে। এই অনুষ্ঠানতে মন্ত্ৰী কেশৱ মহন্তক সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ তৰফৰ পৰা বিশেষ সম্বৰ্দ্ধনা জনোৱাৰ লগতে সকলো জিলা সমিতিয়ে সুকীয়াকৈ সন্মান যাঁচে। দিনজোৱাকৈ আয়োজিত সন্মিলনখনত ৰাজ্যৰ প্ৰতিখন জিলা সমিতিৰ সভানেত্ৰী সম্পাদিতকে ধৰি বিষয়ববীয়াৰ লগতে আন আন সদস্যাসকলেও অংশগ্ৰহণ কৰে।

# জৌহৌলাও সম্বোলা বসুমতাৰীৰ মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি বাসুগাঁও গয়বাৰীত সন্ত্ৰাসবাদবিৰোধী দিৱস

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাসুগাঁও, ১ আগষ্ট** ঃ অন্যান্য বছৰৰ দৰে এই বেলিও নিখিল বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত চিৰাং জিলাৰ বাসুগাঁও চহৰৰ নিকটৱৰ্তী গয়বাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে সন্ত্ৰাসবাদ বিৰোধী দিৱস পালন কৰা হয় । উল্লেখযোগ্য যে তদানীন্তন এবছুৰ সভাপতি জৌহৌলাও সম্বোলা বসুমতাৰী ১৯৯৬ চনৰ ৩০ জুলাই তাৰিখত উগ্ৰপন্থীৰ হাতত মৃত্যু বৰণ কৰে আৰু তেতিয়াৰ পৰাই নিখিল বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত ৩০ জুলাই তাৰিখটোক সন্ত্ৰাসবাদ বিৰোধী দিৱস হিচাপে পালন কৰি আহিছে। জৌহৌলাও সম্বোলা বসুমতাৰীৰ ২৬ সংখ্যক মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি জিলা খনৰ বাসুগাঁও চহৰৰ নিকটৱৰ্তী গয়বাৰীত অৱস্থিত জৌহৌলাও সম্বোলা বসুমতাৰী পাৰ্কত অনুষ্ঠিত সন্ত্ৰাসবাদ বিৰোধী দিৱসৰ কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৮.০০ বজাত পতাকা উত্তোলন কৰা হয় । পতাকা উত্তোলন কৰে নিখিল বড়ো ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি দ্বীপেন বড়োৱে। ৮-৩০ বজাত প্ৰয়াত তদানীন্তন এবছুৰ সভাপতি জৌহৌলাও সৌম্বোলা বসুমতাৰীৰ প্ৰতিচ্ছবিত মাল্যৰ্পন তথা শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয় । শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে প্ৰয়াত জৌহৌলাও সৌম্বোলা বসুমতাৰীৰ সহধৰ্মীনি ভানুমতী বসুমতাৰী আৰু তেওঁৰ কন্যা ফামী বসুমতাৰীয়ে। পুৱা ৮.৪৫ বজাত ৰাজ্যত বৃদ্ধি পোৱা ভয়ংকৰ অপৰাধ, ড্ৰাগছ, মানৱ সৰবৰাহ আৰু সমাজত সম্প্ৰীতি অস্থিৰ কৰি তোলা ধন দাবী ইত্যাদি নিৰ্মূল কৰাৰ উদ্দেশ্য তথা শান্তি কামনাৰে শান্তিৰ প্ৰতীক বগা পাৰ চৰাই আৰু বেলুন উৰুৱা হয় । পাৰ চৰাই উৰুৱায় বড়ো সাহিত্য সভাৰ উপ সভাপতি ৰমেলা ইচলাৰী আৰু সাহিত্য অকাডেমী বঁটা প্ৰাপক হৰি নাৰায়ণ খাখলাৰীয়ে। পুৱা ৯ বজাত সন্ত্ৰাসবাদৰ বিৰুদ্ধে চিএওৰ-বাখৰ মানৱ শৃংখল আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে হস্তাক্ষৰ সংগ্ৰহ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে ৩১ নং চিদলী বিধান সভা সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰীয়ে। পুৱা ৯.৩০ বজাত বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলৰ মাজত জলবায়ু পৰিৱৰ্তন- বানপানী, খহনীয়া, খৰাং বতৰ আদি বিষয়-বস্তুৰ ওপৰত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। পুৱা ১০.৩০ বজাত মুকলি সভা মুকলি সভা শুভ উদ্বোধন কৰে । নিখিল বড়ো ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি দ্বীপেন বড়ো আৰু এবছুৰ প্ৰাক্তন সভাপতি ডঃ দীপক কুমাৰ বসুমতাৰীয়ে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বড়ো সাহিত্য সভাৰ সভাপতি তৰেন বড়ো। আনহাতে অনুষ্ঠানত বিশেষ অতিথি হিচাপে উপস্থিত থাকে বিটিআৰৰ মুখ্য কাৰ্য্যবাহী সদস্য প্ৰমোদ বড়ো, আই পি এছ, তথা বিশেষ শাখা অসমৰ এডিচনেল ডিজিপি হীৰেন নাথ। তেওঁ বিশেষকৈ নৱপ্ৰজন্মৰ যুৱক-যুৱতী সকল কেনেদৰে আগবাঢ়িলে জীৱন পথত আগবাঢ়িব পাৰে উক্ত সংক্ৰান্তত সাৱলীল বক্তব্য দাঙি ধৰি বন্দুক-বাৰুদ পৰিহাৰ কৰি শান্তি-সম্প্ৰতিৰ সমাজ গঢ়িবলৈ আহ্বান জনায়। তেওঁ ড্ৰাগছ মুক্ত সমাজ গঠনতো আহ্বান জনায়। ইপিনে তদানীন্তন এবছুৰ সভাপতি প্ৰয়াত জৌহৌলাও সৌম্বোলা বসুমতাৰীৰ ২৬ সংখ্যক মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা সন্ত্ৰাসবাদ বিৰোধী দিৱসটি নেৰানেপেৰা বৰষুণ তথা প্ৰতিকূল বতৰকো নেওচি সমূহ কাৰ্যসূচী সুচাৰু ৰূপত অনুষ্ঠিত হৈ যোৱাত সন্তোষ প্ৰকাশ কৰে নিখিল বড়ো ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি সম্পাদক দ্বয় দ্বীপেন বড়ো আৰু খনিন্দ্ৰ বসুমতাৰীয়ে।



### নিখিলা ৰাভা ছাত্ৰ সন্থা আৰু নিখিল ৰাভা মহিলা পৰিষদ, ওদালগুৰি জিলা সমিতিৰ উদ্যোগত কীৰ্তিমান ৰাভা ছাত্ৰ-ছাত্ৰীক অভিনন্দন অনুষ্ঠান

# কঠোৰ পৰিশ্ৰমৰ বিকল্প নাই ঃ ড° সুভাষ ৰাভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ১ আগষ্ট** ঃ নিখিল ৰাভা ছাত্ৰ সন্থাৰ স'তে জড়িত হৈ সমগ্ৰ ৰাভা জাতিক শিক্ষা ,আৰ্থ সামাজিক , বিভিন্ন ক্ষেত্ৰত উন্নয়নৰ হকে আগবঢ়াই লৈ আজিৰ পৰা আৰম্ভ হৈছে। নিখিল ৰাভা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক তথা সদ্য ড''ৰেট ডিগ্ৰী অৰ্জন কৰা ডঃ সুভাষ ৰাভাই সম্বৰ্ধনা গ্ৰহণ কৰি আৰু অভিনন্দিত কীৰ্তিমান শিক্ষাৰ্থীসকলক কয় কঠোৰ পৰিশ্ৰম ,অধ্যয়নৰ বিকল্প নাই।ছাত্ৰ ছাত্ৰীক উদ্দেশ্যি কেৰিয়াৰ সম্পৰ্কীয় মূল্যবান পৰামৰ্শ আগবঢ়োৱাৰ লগতে জাতীয় চিন্তা চেতনাৰ প্ৰতিও সজাগ হ'বলৈ আহ্বান জনায়। ২০২২ বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ওদালগুৰি জিলা ৰাভা ছাত্ৰ সন্থাৰ অন্তৰ্গত ১০৫ গৰাকী কীৰ্তিমান ৰাভা ছাত্ৰ- ছাত্ৰীক শৈক্ষিক দিশত আগুৱাই যাবলৈ উৎসাহিত কৰাৰ উদ্দেশ্যে ওদালগুৰি জিলা ৰাভা ছাত্ৰ সন্থা আৰু ওদালগুৰি জিলা ৰাভা মহিলা পৰিষদৰ জিলা সমিতিৰ যৌথ উদ্যোগত টংলা আঞ্চলিক ৰাভা ছাত্ৰ সন্থা আৰু চমুৱাপাৰা গাঁঞ্জও উন্নয়ন সমিতিৰ সহযোগত চমুৱাপাৰা উইং ক্লাবৰ প্ৰাংগণত ৩১ জুলাইত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত স্বজাতীয় সাজ পাজাৰ আৰু মানপত্ৰৰে সম্বৰ্ধনা আৰু অভিনন্দন জ্ঞাপন কৰে। ওদালগুৰি জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি হেমেন ৰাভাই সঞ্চালনা কৰা অভিনন্দন অনুষ্ঠানত উপস্থিত থাকি নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি নৃপেন খান্দাইয়ো ছাত্ৰ- ছাত্ৰীৰ লগতে জাতিটোৰ উত্তৰণৰ হকে গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়।জিলা ৰাভা সন্থাৰ সম্পাদক মন্টু ৰাভা আৰু মহিলা পৰিষদৰ সম্পাদিকা জয়ন্তী ৰাভাই আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত ওদালগুৰি জিলা ৰাভা সাহিত্য সভাৰ সভাপতি দেৱ ৰাভা ,ৰাভা গণমঞ্চৰ সভাপতি জয়ন্ত ৰাভা, ৰাভা উন্নয়ন পৰিষদ দাবী সমিতিৰ উপসভাপতি প্ৰফুল্ল ৰাভা ,ওদালগুৰি জিলা ৰাভা মহিলা পৰিষদৰ সভানেত্ৰী অহল্যা ৰাভা, নিখিল ৰাভা মহিলা পৰিষদৰ সহকাৰী সম্পাদিকা ৰশ্মি ৰেখা ৰাভা ,প্ৰাক্তন জিলা শিক্ষা সম্পাদক কিৰিটি প্ৰসাদ ৰাভা ,বায়নং বিচুৰা ডেৰাচুঙৰ সম্পাদক দৰ্পন ৰাভা ,আন্তঃৰাষ্ট্ৰীয় কাবাদী ৰেফাৰী নমল ৰাভা , অৱসৰপ্ৰাপ্ত বেংক বিষয়া অমূল্য চৰণ ৰাভা , চমুৱাপাৰা মধ্য ইংৰাজী বিদ্যালয়ৰ সদ্য অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক অক্ষয় প্ৰসাদ দাস,টংলা মহাবিদ্যালয়ৰ অধ্যাপক হেমন্ত ৰাভা ,আধিগম শিক্ষাকেন্দ্ৰৰ সঞ্চালক অৰূপ জ্যোতি ৰাভা প্ৰমুখ্যে ৰাভা সংগঠন সমূহৰ বিভিন্ন বিষয়ববীয়া আৰু ছাত্ৰ- ছাত্ৰীসকলৰ অভিভাৱক আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।পুৱা ৯-০০বজাত নিখিল ৰাভা ছাত্ৰ সন্থা আৰু নিখিল ৰাভা মহিলা পৰিষদৰ পতাকা উত্তোলন কৰে দুয়োটা অনুষ্ঠানৰ সভাপতি হেমেন ৰাভা আৰু অহল্যা ৰাভাই।নিখিল ৰাভা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক হৰকান্ত ৰাভাই শ্বহীদ তৰ্পণ কৰা কাৰ্যসূচীৰ পিছতে সমাজ সেৱক কমলা কান্ত ৰাভা, গোবিন্দ ৰাভা আৰু যোগেন চন্দ্ৰ ৰাভাই গছপুলি ৰোপণ কৰে।



যোৱাৰ লগতে অধ্যয়নকো সমান্তৰালভাৱে আগবঢ়াই লৈ গৈ মই আজি ওদালগুৰি জিলাৰ পৰা প্ৰথমগৰাকী ড''ৰেট ডিগ্ৰী অৰ্জন কৰা শিক্ষাৰ্থী ।মোক আজি ৰাভা সমাজে সম্বৰ্ধনা জনোৱা বাবে অভিভূত হৈ পৰিছো। জাতিটোৰ ওচৰত আজীৱন ঋণী হৈ ৰ'ম।মোৰ সংগ্ৰাম



## ধুবুৰী জিলাৰ জ্যোতি উচ্চ মাধ্যমিক বিদ্যালয় চামিল কৰণক লৈ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ তীব্ৰ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১ আগষ্ট** ঃ ধুবুৰী জিলাৰ ফকিৰগঞ্জৰ ৰাধুৰাম চাৰি আলি ভাঙ্গাৰ পাৰত অৱস্থিত জ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়খনক হামিদাবাদ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লগত একত্ৰিকৰণৰ যো- যা চলি থকাৰ বাতৰিয়ে বিদ্যালয় খনৰ ছাত্ৰ- ছাত্ৰী আৰু অভিভাৱকৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে । জ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়খনক হামিদাবাদ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লগত চামিল কৰাৰ গুণাগঁথা চলি থকাৰ মাজতে আজি বিদালয়খনৰ ছাত্ৰ ছাত্ৰীৰ লগতে অভিভাৱক সকলে বিদ্যালয় চৌহদত সমবেত হৈ এক প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। প্ৰতিবাদী ছাত্ৰ ছাত্ৰী সকলে 'আমাৰ জ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়খনক ইয়াতে ৰাখিব লাগিব', 'আমি বেলেগ স্কুলৰ লগত চামিল নহও', 'আমাৰ দাবী ন্যায্য দাবী ', আদি শ্লোগানেৰে পৰিবেশ উত্তাল কৰি তোলে।

### অসমৰ দুই শতাধিক মাদ্ৰাছাত কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাৰ শেনদৃষ্টি
### সন্দেহৰ আৱৰ্তত হোজাই, নগাঁও, মৰিগাঁৱৰ শতাধিক মাদ্ৰাছা

## ধিং-ভেৰভেৰীতো আৰক্ষীয়ে অভিযান চলাই আটক কৰিছে এজন মাদ্ৰাছা শিক্ষকক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১ আগষ্ট** ঃ কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাৰ শেনদৃষ্টি অসমৰ মাদ্ৰাছাসমূহত। তথ্য অনুসৰি বৰ্তমান সমগ্ৰ অসমত চৰকাৰী আৰু বেচৰকাৰী সৰ্বমুঠ ৯৫০খন মাদ্ৰাছা আছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ অধিকাংশ মাদ্ৰাছা হোজাই, নগাঁও,বৰপেটা, গোৱালপাৰা আৰু ধুবুৰী জিলাত অৱস্থিত। লগতে মৰিগাঁও,নলবাৰী, বঙাইগাঁও আদি বিভিন্ন জিলাতো সংখ্যালঘু জনবসতিপ্ৰধান অঞ্চলত ধৰ্মীয় শিক্ষাৰ নামত বহু মাদ্ৰাছা স্থাপিত হৈছিল। কিন্তু শেহতীয়াকৈ মৰিগাঁও জিলাৰ দুখনকৈ মাদ্ৰাছাত আনছাৰুল্লাহ বাংলাদেশীৰ শ্বিপাৰ চেল সক্ৰিয় হৈ থকাৰ প্ৰমাণ পোৱাৰ পিছতে ৰাজ্যৰ মাদ্ৰাছাসমূহত জেহাদী কাৰ্যকলাপ চলি থকা সন্দৰ্ভত চোৰাংচোৱাই লাভ কৰা তথ্য সত্য প্ৰমাণিত হৈছে। মৰিগাঁৱৰ পৰা জেহাদীৰ লিংক বিচাৰি আজি নগাঁও জিলাৰ ধিং ভেৰভেৰীতো আৰক্ষীয়ে অভিযান চলায়।ধিঙৰ পৰা আৰক্ষীয়ে আমিৰ হামজা নামৰ এজন মাদ্ৰাছাৰ শিক্ষকক আটক কৰিছে। আমিৰ হামজাক বৰ্তমান মৰিগাঁও আৰক্ষী আৰু কেন্দ্ৰীয় তদন্তকাৰী সংস্থাই জেৰা অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে মধ্যঅসমৰ সৰ্বাধিক মাদ্ৰাছা হোজাই আৰু নগাঁও জিলাত অৱস্থিত। জানিব পৰা মতে ধিঙৰ সমীপৱৰ্তী বটদ্ৰৱা, জুৰীয়া আৰু ৰূপহী অঞ্চলত প্ৰায় ১৩০খন মাদ্ৰাছা আছে ।ইয়াৰে পঞ্জীয়নহীন বহু মাদ্ৰাছাই বৰ্তমান চিন্তিত কৰি তুলিছে আৰক্ষীক।একেদৰে হোজাই জিলাৰ মোৰাঝাৰ, যমুনামুখ, ডবকা, নীলবাগান আৰু হোজাই জিলাত থকা বহু মাদ্ৰাছাও সন্দেহৰ আবৰ্তত সোমাই পৰিছে। পূৰ্বে হোজাই জিলাৰ যমুনামুখৰ পৰা কামৰুজ জামান নামৰ হিজবুল মুজাহিদীনৰ এজন দুৰ্ধৰ্ষ সদস্যক গ্ৰেপ্তাৰ কৰাৰ পিছতে হোজাই আৰক্ষী আৰু কেন্দ্ৰীয় তদন্তকাৰী সংস্থাই যুটীয়াভাৱে অভিযান চলায় ৫জন শ্বিপাৰ চেলৰ সদস্যক গ্ৰেপ্তাৰ কৰিছিল। এই ঘটনাৰ ৪বছৰ পিছত পুনৰ মধ্যঅসমত আন এটা জেহাদী সংগঠনৰ অৱস্থিতি প্ৰমাণ হোৱা কাৰ্যই উদ্বিগ্ন কৰি তুলিছে গৃহমন্ত্ৰনালয়ক। সেয়ে বৰ্তমান সমগ্ৰ ৰাজ্যৰ লগতে মধ্যঅসমৰ বহু মাদ্ৰাছাত জেহাদী কাৰ্যকলাপ সন্দৰ্ভত তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাই।

## ধূলাৰ যুৱ মহোৎসৱ স্থায়ী সমিতিৰ উদ্যোগত ভেৰভেৰিত কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা জ্ঞাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ১ আগষ্ট** ঃ দৰঙৰ ধূলা আৰক্ষী থানাৰ অন্তৰ্গত ভেৰভেৰিত কৃতি শিক্ষাৰ্থী লৈ সম্বৰ্ধনা জনোৱা হয়। শনিবাৰে ভেৰভেৰি বজাৰত পূব কলাই গাওঁ যুৱ মহোৎসৱ স্থায়ী সমিতিৰ উদ্যোগত এখন বিশাল সভা অনুষ্ঠিত কৰি অঞ্চলটোৰ মেধাৱী ছাত্ৰী ছাত্ৰী সকলক সম্বৰ্ধনা জনোৱা হয় । উক্ত সভাত আমন্ত্ৰিত অতিথি হিচাপে গুৱাহাটী কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰ্ক বিভাগৰ সাধাৰণ সম্পাদক সুদৰ্শন কৌশিক শৰ্মা , গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ নবৰণ কাশ্যপ , আমছুৰ কেন্দ্ৰীয় উপদেষ্টা আইনুদ্দিন আহমেদৰ লগতে বৃহৎ অঞ্চলৰ বিভিন্ন বিদ্যালয়ৰ শিক্ষক সকলে উপস্থিত থাকে। কৃতি ছাত্ৰ ছাত্ৰী সকলক ফুলাম গামোচা , মান পত্ৰ আৰু এখনকৈ কিতাপেৰে সম্বৰ্ধনা জনোৱা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত উজ্জ্বল কামনাৰে বহু গুৰুত্বপূৰ্ণ বক্তৃতা প্ৰদান কৰে সভাত উপস্থিত থকা আমন্ত্ৰিত অতিথি সকলে । উক্ত সভাত বৃহৎ ভেৰভেৰি অঞ্চলৰ কেইবাটাও বিদ্যালয়ৰ প্ৰায় ৫ শতাধিক ছাত্ৰ ছাত্ৰী সকল উপস্থিত থাকে।

## পিপিৰাকুছি- ৰামৰাইপাৰাত বিজেপিৰ বুথ বাহিনী গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১ আগষ্ট** ঃ দৰঙৰ পাথৰিঘাট মণ্ডল বিজেপিৰ সংখ্যালঘু মৰ্চাৰ সভা এখন আজি দিনৰ ৪ বজাত পাথৰিঘাট গাঁও পঞ্চায়তৰ ৪০নং পিপৰাকুছি আৰু ৪১নং ৰামৰাইপাৰা বুথত অনুষ্ঠিত হয়।সভাতে এখনি বিশাল বুথ বাহিনী গঠন কৰা হয়। উপস্থিত ৰাইজৰ বিপুল সহাৰি আৰু ভাৰতীয় জনতা পাৰ্টি চৰকাৰৰ সম অধিকাৰ, সম বিকাশৰ প্ৰতি আপুত হৈ আৰু মুখ্যমন্ত্ৰী তথা জননেতা হিমন্ত বিশ্ব শৰ্মাৰ সংখ্যালঘুৰ উন্নয়নমূলক চিন্তাধাৰাক ভাল পাই বহু সংখ্যালঘু লোকে ভাৰতীয় জনতা পাৰ্টিৰ সংখ্যালঘু মৰ্চাৰ বুথ বাহিনী গঠনৰ সভাত উপস্থিত হয়। সভাত দুখনকৈ ২১ জনীয়া বুথ বাহিনী গঠন কৰা হয়।উক্ত সভাখনঞ্জত উপস্থিত থাকি সাফল্যমণ্ডিত কৰে পাথৰিঘাট গাওঁ পঞ্চায়তৰ সভানেত্ৰী বিনু কলিতা, বিধায়ক ভাতৃ দুলাল ৰাজবংশী,পাথৰিঘাট মণ্ডল সংখ্যালঘু মৰ্চাৰ উপ-সভাপতি বাবুল আলী, সাধাৰণ সম্পাদক ৰাছিম মিন্টু ৰাজ্জাক, সম্পাদকদ্বয় আবুবক্কৰ ছিদ্দিক,মোছান আলী, সামাজিক মাধ্যমৰ অধ্যক্ষ মাইনুল হক, কাৰ্য্যনিৰ্বাহক সদস্য বাহাৰুল ইছলাম আৰু জিলা সংখ্যালঘূ মৰ্চাৰ কাৰ্য্যনিৰ্বাহক সদস্য চহিদূল আলম। গৰিষ্ঠ সংখ্যক লোক উপস্থিত থকা সভাত সকলোলৈ ধন্যবাদ জনাইছে মৰ্চাৰ মণ্ডলৰ সাধাৰণ সম্পাদক মিন্টু ৰাচিম ৰাজ্জাকে।

## কামৰূপ জিলাত ভোটাৰ অন্তৰ্ভুক্তিৰ সংশোধিত প্ৰ-পত্ৰ আনুষ্ঠানিকভাৱে মুকলি




**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ১ আগষ্ট** ঃ দেশৰ অন্য ঠাইৰ লগতে কামৰূপ জিলাতো কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত ধ্ৰুৱজ্যোতি দাসে আজি উপায়ুক্ত কাৰ্যালৰ সভাকক্ষত জিলা নিৰ্বচন বিষয়াৰ দ্বাৰা আয়োজিত এক অনুষ্ঠানত নিৰ্বাচন আয়োগৰ দ্বাৰা শেহতীয়াকৈ সংশোধিত প্ৰ-পত্ৰ- ৬, প্ৰ-পত্ৰ-৭ আৰু প্ৰ-পত্ৰ-৮ আনুষ্ঠানিক ভাৱে মুকলি কৰাৰ লগতে ভোটাৰ আধাৰ সংযোগীকৰণৰ প্ৰ-পত্ৰ ৬(খ) মুকলি কৰে। উল্লেখ্য, ৰিপ্ৰজেণ্টেশ্যন অৱ পিপুল এ'' ১৯৫০ৰ শেহতীয়া সংশোধনী অনুসৰি এতিয়াৰে পৰা ২০২৩ বৰ্ষৰ যি কোনো সময়ত ১৮ বছৰ হবলগীয়া ভোটাৰে নাম অন্তৰ্ভূক্তিৰ বাবে আৱেদন কৰিব পাৰিব। নতুন অন্তৰ্ভূক্তি বছৰৰ ৪টা ভিত্তি দিন হিচাপে লৈ কৰা হ'ব। ২০২৩ বৰ্ষৰ ১ জানুৱাৰী, ১ এপ্ৰিল, ১ জুলাই আৰু ১ অ'ৈবৰক ভিত্তি দিন হিচাপে লৈ ৪ বাৰ ভোটাৰ তালিকা প্ৰকাশ পাব। ইয়াৰ উপৰি প্ৰ-পত্ৰ ৬(খ) পূৰণৰ জৰিয়তে নতুন ভোটাৰে আধাৰ নম্বৰ সংলগ্ন কৰাৰ উপৰি বৰ্তমানৰ ভোটাৰেও আধাৰ নম্বৰ সংলগ্ন কৰিব লাগিব। ২০২৩ বৰ্ষৰ পহিলা এপ্ৰিলৰ ভিতৰত আধাৰ নম্বৰ সংলগ্ন কৰিব লাগিব। তদুপৰি ২০২৩ বৰ্ষৰ যিকোনো সময়তে ১৮ বছৰ হ'ব লগীয়া নতুন ভোটাৰে ২০২২ বৰ্ষৰ ৯ নৱেম্বৰত খচৰা ভোটাৰ তালিকা প্ৰকাশ হোৱাৰ দিনৰ পৰা প্ৰ-পত্ৰ ৬ পূৰণ কৰি আৱেদন কৰিব পাৰিব। আজি মুকলি কৰা প্ৰ-পত্ৰ ৬ ভোটাৰ পঞ্জীয়ন, প্ৰ-পত্ৰ-৭ নাম কৰ্তন, প্ৰ-পত্ৰ-৮ তথ্য সংশোধন আৰু প্ৰ-পত্ৰ ৬ (খ) আধাৰ কাৰ্ডৰ সৈতে ভোটাৰ আই ডি সংযোজিতকৰণ বাবে ব্যৱহৃত হ'ব। প্ৰ-পত্ৰ মুকলি অনুষ্ঠানৰ পিছতে আজি নতুন প্ৰ-পত্ৰ পূৰণ তথা আধাৰ সংলগ্ন কৰাৰ ওপৰত ই. আৰ. অ', এই. আৰ. অ', এচি. এল. এম. টি, ডি. এল. এম. টি. সকলৰ এক প্ৰশিক্ষণ প্ৰদান কাৰ্যসূচী উক্ত স্থানতে অনুষ্ঠিত হয়। অহা ৩ আৰু ৪ আগষ্টত সমষ্টি ভিত্তিত বি.এল.অ আৰু বি.এল.অ চুপাৰভাইচাৰ সকলক এই সম্পৰ্কে প্ৰশিক্ষণ কৰা হব।প্ৰ-পত্ৰ উন্মোচনী অনুষ্ঠানৰ আৰম্ভণীতে নিৰ্বাচন বিষয়া মানসজ্যোতি বৰাই শেহতীয়া প্ৰ-পত্ৰ সংশোধনী তথা আধাৰ সংলগ্ন কৰাৰ ওপৰত চমু বক্তব্য প্ৰদান কৰে।

## টুপামাৰীত দুই ম'বাইল চোৰক ৰাইজে আটক কৰি গতালে আৰক্ষীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১ আগষ্ট** ঃ নগৰবেৰাৰ টুপামাৰীত চুৰি কৰি মোবাইল বিক্ৰী কৰিবলৈ গৈ ৰাইজৰ ৰোষত পৰিল দুজনকৈ গভাইত চোৰ। জানিব পৰা মতে টুপামাৰী আৰক্ষী চকীৰ এলেকাধীন ২ নং উত্তৰ ৰাঙ্গাপানী গাওঁৰ আন্না খাতুন নামৰ এগৰাকী মহিলাৰ ঘৰত দুই বছৰ পূৰ্বে চোৰে ঘৰৰ বিভিন্ন বয়বস্তু লগতে এখন মোবাইল ফোন চুৰি কৰি নিছিল। সেই সন্দৰ্ভত আন্না খাতুনে নগৰবেৰা আৰক্ষী থানাত দাখিল কৰিছিল এক এজাহাৰ আৰু আৰক্ষীয়ে অব্যাহত ৰাখিছিল মাৰাথান অনুসন্ধান। ভুক্তভোগীৰ অভিযোগ মতে চেঙা সমষ্টিৰ কাছুমাৰা আৰক্ষী থানাৰ অন্তৰ্গত ম'হচৰা গাঁৱৰ কায়েম আলীয়ে মোবাইল ফোনটো চুৰি নি উক্ত গাওঁয়ে আনোৱাৰ হুচেইনৰ ওচৰত বিক্ৰী কৰিছিল। ভূক্তভোগী পৰিয়ালৰ লগতে ৰাইজে বিভিন্ন কৌশল খটুৱাই ৰবিবাৰৰ সন্ধিয়া দুয়োজনকে অটক কৰি উত্তম- মাধ্যম সোধাই টুপামাৰী আৰক্ষী চকীত গতাই দিয়ে। ইতিমধ্যে আৰক্ষীয়ে ধৃত চোৰ কায়েম আলীক জেল হাজোতলৈ প্ৰেৰণ কৰিছে যদিও মুকলি কৰি দিছে আনোৱাৰ হুচেইন নামৰ যুৱকজক। ধৃত আনোৱাৰ হুছেইনে মোবাইলটো কায়েম আলীৰ পৰা ক্ৰয় কৰিছিল বুলি জানিব পৰা গৈছে। মোবাইল চোৰ ধৰা খবৰে অঞ্চলজুৰি তীব্ৰ চাঞ্চল্য বিয়পিছে।

## লাহৰীঘাট ছিনিয়ৰ ছেকেণ্ডাৰী ইংলিছ স্কুলত 'কৃতী শিক্ষক মকবুল হুছেইন' নামৰ গ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১ আগষ্ট** ঃ উত্তৰ পূৱ সাহিত্য আৰু সাংস্কৃতিক সন্মিলনৰ লাহৰীঘাট শাখাৰ উদ্যোগত আজি মৰিগাঁও জিলাৰ লাহৰীঘাট ছিনিয়ৰ ছেকেণ্ডাৰী ইংলিচ স্কুলৰ প্ৰেক্ষাগৃহত দিনৰ ২ বজাত এখনি গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। সোণডোবা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মোস্তাফা ছায়দুৰ ৰহমানৰ সঞ্চালনাত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত উক্ত সাহিত্য সন্মিলনৰ লাহৰীঘাট শাখা সমিতিৰ সম্পাদক তথা কবি, ব্যক্তিগত খণ্ডৰ শিক্ষক ৰেকিবুল আজাদৰ স্ব ৰচিত 'কৃতি শিক্ষক মকবুল হুছেইন " নামৰ গ্ৰন্থটি আনুষ্ঠানিক ভাবে উন্মোচন কৰা হয়। ধোবাংখাইতী মধ্য ইংৰাজী বিদ্যালয়ৰ ৰাজ্যিক কৃতি শিক্ষকৰ বঁটা প্ৰাপ্ত প্ৰধান শিক্ষক মকবুল হুছেইনৰ কৰ্মৰাজিৰ ওপৰত ৰচিত গ্ৰন্থটি উন্মোচন কৰে মুখ্য অতিথি তথা লাহৰীঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰাজনীতি বিভাগৰ বিষয় শিক্ষক নুৰুল হুছেইন দেৱে।অৱশ্যে মূল কাৰ্যসূচীলৈ যোৱাৰ আগতে সমবেত সংগীত পৰিবেশন কৰে উক্ত ইংলিচ স্কুলৰ ছাত্ৰ- ছাত্ৰীসকলে। আমন্ত্ৰিত অতিথি সকলৰ লগতে ইংলিচ স্কুলৰ শিক্ষক গোটক এখনকৈ ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জনোৱা হয়।গ্ৰন্থ উন্মোচনী সভাৰ গোটেই অনুষ্ঠানটিৰ আঁত ধৰে সাহিত্য সন্মিলনৰ লাহৰীঘাট শাখা সমিতিৰ সম্পাদক ৰেকিবুল আজাদে। আমন্ত্ৰিত অতিথি হিচাপে বিশেষ ভাবে উপস্থিত থাকে লাহৰীঘাট থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আমিৰ হুছেইন, লাহৰীঘাট ছিনিয়ৰ ছেকেণ্ডাৰী ইংলিচ স্কুলৰ অধ্যক্ষ ছুলমান আলী, ৰাজ্যিক কৃতি শিক্ষক মকবুল হুছেইনদেৱৰ উপৰিও বহু কবি সাহিত্যিক , শিক্ষা গুৰু সকল, সাহিত্য আৰু সাংস্কৃতিক সন্মিলনৰ কৰ্মী সকলো উপস্থিত থাকে। গ্ৰন্থ উন্মোচনী সভাটি সাফল্য মণ্ডিত হয় লাহৰীঘাট ছিনিয়ৰ ছেকেণ্ডাৰী ইংলিচ স্কুলৰ ছাত্ৰ ছাত্ৰী সকলে পৰিবেশন কৰা নৃত্য, গীতৰ লগতে শিক্ষক গোটৰ সহযোগিতা, উত্তৰ পূৱ সাহিত্য ও সাংস্কৃতিক সন্মিলনৰ লাহৰীঘাট শাখা সমিতিৰ কৰ্ম কৰ্তা সকলৰ অনুপ্ৰেৰণা, আমন্ত্ৰিত অতিথি সকলৰ মূল্যৱান বক্তব্যৰ লগতে এখন সাহিত্য সমাজৰ উপস্হিতিয়ে।



## স্বাৱলম্বিতাৰ লক্ষ্যৰে এগৰাকী মহিলাৰ প্ৰশংসনীয় পদক্ষেপ



**দৈনন্দিন বাৰ্তাৰ সেৱা, দেওপানী, ১ আগষ্ট** ঃ সাহস, বুদ্ধি,কৰ্মদক্ষতা, এক শৃঙ্খলাবদ্ধ মন থাকিলে প্ৰতিগৰাকী মানুহক কৃতকাৰ্যতা আৰু জনপ্ৰিয়তাৰ শীৰ্ষলৈ যে লৈ যাব পাৰে সেইয়া নিশ্চিত। তেওঁ মহিলা বা পুৰুষেই হওক । তাৰেই এক উদাহৰণ দাঙি ধৰিব বিচৰা হৈছে আজিৰ প্ৰতিবেদনত। নাম সবিতা মহন্ত । দেওপানী গাৱঁৰ এগৰাকী অত্যুত্সাহী মহিলা। অঞ্চলটোৰ প্ৰতিটো সু পৰিকল্পিত কামতেই সু চিন্তা চৰ্চাৰে হাতেকামে সহাৰি আগবঢ়াই অহা মহিলা গৰাকীৰ জনপ্ৰিয়তাও সমগ্ৰ অঞ্চলটোত নুই কৰিব নোৱাৰি। বিশেষকৈ মহিলা সবলীকৰণৰ ক্ষেত্ৰত কৰ্মৰ মাজেৰে সমাজৰ প্ৰতিগৰাকী মহিলাক সহাৰি হাঁহি মুখেৰে জনোৱাটো সবিতা মহন্তৰ দৰে এগৰাকী মহিলাৰ সবাটোকৈ আকৰ্ষণীয় গুণ। নিজৰ ঘৰ সংসাৰ খন সুন্দৰকৈ পৰিচালনা কৰিঅহাৰ উপৰিও সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জৰিত হৈ আন দুগৰাকী মহিলাকো অনুপ্ৰাণিত কৰি আহিছে। শেহতীয়াকৈ সবিতা মহন্তই নিজৰ অৰ্থ ব্যয় কৰি নিজৰ ঘৰতেই স্থাপন কৰিছে এখন অত্যাধুনিক মইনা তাঁতশাল । আয়তীৰ উৰুলিৰ মঙ্গল ধ্বনিৰে দেওপানী গাৱঁৰ চৰকাৰী গাওঁবুঢ়া প্ৰদীপ বৰুৱাই ফিতা কাটি উদ্যোধন কৰে তাঁতশালখন। বয়ন শিল্পৰ জৰিয়তে নিজৰ লগতে অঞ্চলটোৰ আন দহ গৰাকী মহিলাৰ উৎকৰ্ষ সাধন হোৱাৰ লক্ষ্যৰে আশাবাদী হৈ এনে ধৰণৰ পদক্ষেপ হাতত লোৱাবুলি সংবাদ মাধ্যমৰ আগত মত ব্যক্ত কৰে সবিতা মহন্তই।

## ডিমৌমুখত মৰিয়া যুৱ-ছাত্ৰ সন্থাৰ অভিনন্দন অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১ আগষ্ট** ঃ শিৱসাগৰ নগৰৰ সমীপৰ ডিমৌমুখ মঠাদাং মুক্তাৰ প্ৰাথমিক বিদ্যালয়ত মৰিয়া যুৱ ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত হয় এক অভিনন্দন অনুষ্ঠানৰ।সংগঠনটোৰ জিলা সম্পাদক নেকিৰ আলীয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোত কেন্দ্ৰীয় সমিতৰ সভাপতি আছাদুৰ ৰহমানে পৌৰহিত্যত কৰে। এই অভিনন্দন অনুষ্ঠানত অঞ্চলটোৰ বিভিন্ন ধৰ্মাৱলম্বীৰ প্ৰায় ৬০ গৰাকী ছাত্ৰ-ছাত্ৰীক ফোলাম গামোছা আৰু মানপত্ৰই সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানটোত বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকি অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আলহাজ তফজুল আলী, ডিমৌমুখ হাইস্কুলৰ প্ৰধান শিক্ষক পিয়াৰ হুছেইন, ৰৌচন আলী, জানবা আলী, মুজাহিদুল ইছলাম, ৰফিকুল ইছলাম, আলহাজ চৰিফুল হুছেইন, ইৰমাণ আলী আদি বিশিষ্ট ব্যক্তি সকলে বক্তব্য প্ৰদান কৰে। অনুষ্ঠানটিত সংগঠনৰটোৰ জিলা সভাপতি ফাৰুক আহমেদে শিক্ষা, কৃষ্টি-সংস্কৃতি, বাল্য বিবাহ নিষিদ্ধকৰণৰ ওপৰত বিস্তৃতভাৱে বক্তব্য প্ৰদান কৰে।ইয়াৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ উজ্জ্বল ভৱিষ্যতৰ কামনা কৰে।

## অসম সাহিত্য সভাৰ সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ নিৰ্বাচনকেন্দ্ৰিক কুচকাৱাজ আৰম্ভ

### সভাপতিৰ পদত প্ৰহ্লাদ তাছা আৰু প্ৰধান সম্পাদকৰ পদত ড° উপেন্দ্ৰ জিৎ শৰ্মাৰ নাম সৰ্বাধিক চৰ্চা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ১ আগষ্ট** ঃ অসমৰ জাতীয় জীৱনৰ শতবৰ্ষ অতিক্ৰম কৰা গৰিমামণ্ডিত অনুষ্ঠান অসম সাহিত্য সভাৰ নিৰ্বাচন চমু চাপি আহিছে। সভাৰ নিৰ্বাচন পৰিচালনাৰ বাবে বিগত ২৪ জুলাইত শিৱসাগৰৰ যুৱ দৌলত অনুষ্ঠিত কাৰ্য্যনিৰ্বাহক সভাই ন্যায়ধীশ তথা আইনজ্ঞ ডঃ বিপ্ৰ শৰ্মাক সভাপতি হিচাপে লৈ তিনিজনীয়া এখনি নিৰ্বাচনী সমিতিও গঠিত হৈছে। ইতিমধ্যে অসম সাহিত্য সভাৰ নিৰ্বাচন কেন্দ্ৰিক প্ৰাৰম্ভিক কামকাজ আৰম্ভ হৈছে। ১৯১৭ চনত শিৱসাগৰত অনুষ্ঠিত প্ৰথমখন অধিৱেশনত সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাক সভাপতি আৰু নমস্য জাতীয় কাণ্ডাৰী শৰত চন্দ্ৰ গোস্বামীক প্ৰধান সম্পাদক হিচাপে শুভাৰম্ভ হোৱা জাতীয় অনুষ্ঠান অসম সাহিত্য সভাই বিগত এশ পাঁচ বছৰত বৰ্ণিল পৰিক্ৰমাৰ মাজেৰে আগবাঢ়ি আহিছে। বহু সময়ত সংঘাতৰ মাজেৰে আগবাঢ়ি যোৱা জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ প্ৰতি অসমীয়া ৰাইজৰ হৃদয়ত এতিয়াও আছে গভীৰ আস্থা আৰু বিশ্বাস। অসমৰ ৰাইজে শেহতীয়াকৈ অসম সাহিত্য সভাৰ নিৰ্বাচন কেন্দ্ৰিক কথাবতৰাৰ মাজতে ৰাইজৰ মাজত সঘন উচ্চাৰিত বিষয়টি হ'ল সভাৰ সন্মানীয় প্ৰধান সম্পাদকৰ ভ্ৰমণ বানচৰ প্ৰসংগ ১৮ লাখৰো অধিক ধন ভ্ৰমণ বানচৰ নামত ব্যয় কৰিব পৰা এইজন প্ৰধান সম্পাদকে বিগত ৬ মাহে কৰ্মচাৰীক দৰমহা আদায় দিব নোৱাৰাক লৈও চৰ্চা চলি আছে। আনহাতে শিৱসাগৰ অধিৱেশনত একাংশ স্তাৱকৰ জৰিয়তে পুনৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে অনুমোদন লোৱা বিষয়টোৱেও অধিক চৰ্চা চলিছে। আনহাতে আগন্তুক নিৰ্বাচনত প্ৰধান সম্পাদক যাদৱ শৰ্মাক প্ৰত্যাহ্বান জনাবলৈ সাজু হৈ উঠিছে অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক তথা সভাৰ কেইবাটাও কাৰ্যকালৰ সহকাৰী সম্পাদক ডঃ উপেন্দ্ৰ জিৎ শৰ্মাই। ইতিমধ্যে অসমৰ বিভিন্ন প্ৰান্তত শাখা সাহিত্য সভা সমূহৰে সাংগঠনিক বিষয়ৰ আলোচনাৰ মাজেৰে ডঃ উপেন্দ্ৰ জিৎ শৰ্মাই নিজৰ সাংগঠনিক পৰিপক্কতাৰ বিষয়ে পৰিচয় দাঙি ধৰি প্ৰধান সম্পাদকৰ পদৰ শক্তিশালী দাবীদাৰ হিচাপে থিয় দিছে। ড° উপেন্দ্ৰ জিৎ শৰ্মা অসম সাহিত্য সভাৰ প্ৰাক্তন গৱেষণা বিষয়া। সাহিত্য সভাক বুজি পোৱা তৃণমূল পৰ্যায়ত শক্তিশালী স্থিতিত গণভিত্তি গঢ়ি তোলিছে ড° উপেন্দ্ৰ জিৎ শৰ্মাই । উপসভাপতি পদৰ বাবে সভাৰ আন এজন সাংগঠনিক দিশৰ শক্তিশালী ব্যক্তি তথা সাহিত্যিক ডঃ গিৰিশ সন্দিকৈৰ নাম সঘনে উচ্চাৰিত হৈছে। সভাপতিৰ পদৰ বাবে সঘন উচ্চাৰিত হৈছে চাহ জনগোষ্ঠীয় মূলৰ শক্তিশালী লিখক অসম সাহিত্য সভাক তৃণমূল পৰ্য্যায়ৰ পৰা শক্তিশালী নেতৃত্ব আগবঢ়োৱা সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক , প্ৰাক্তন উপসভাপতি পদ্মশ্ৰী সন্মানেৰে সন্মানিত প্ৰ !াদ চন্দ্ৰ তাছাৰ নাম। অসম সাহিত্য সভাৰ মাজেৰে উজনি অসমৰ চাহ বাগিচা অঞ্চলত অসমীয়া ভাষাৰ প্ৰচাৰ প্ৰসাৰৰ বাবে অনবদ্য অৱদান আগবঢ়োৱা প্ৰহ্লাদ তাছাই ২০১৬ চনৰ শতবৰ্ষ উদযাপনৰ সময়ত ধ্ৰুৱজ্যোতি বৰাই পদত্যাগ কৰাৰ পিছৰ সময়ছোৱাত বিপদৰ মুহূৰ্তত অসম সাহিত্য সভাক নেতৃত্ব দি জনমানসত সাহিত্য সভাৰ গৰিমা ৰক্ষা কৰিছিল। আনহাতে চাহ জনগোষ্ঠীয় মূলৰ কোনো ব্যক্তি অসম সাহিত্য সভাৰ সভাপতি পদত অধিষ্ঠিত হোৱা নাই। এই মুহূৰ্তলৈ কোন কোন ব্যক্তিয়ে প্ৰতিদ্বন্দ্বীতা আগবঢ়াব সেইয়া নিশ্চিত হোৱা নাই যদিও প্ৰধান সম্পাদকৰ পদত ড° উপেন্দ্ৰ জিৎ শৰ্মা, উপসভাপতিৰ পদত ড° গিৰিশ সন্দিকৈ আৰু সভাপতিৰ পদত প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি তথা বিশিষ্ট সাহিত্যিক পদ্নশ্ৰী প্ৰহ্লাদ চন্দ্ৰ তাছাৰ নাম সঘনে উচ্চাৰিত হৈছে।

## ধুবুৰীৰ এগৰাকী ৪৯ বছৰীয়া মহিলা নিৰুদ্দেশ হোৱা ঘটনাই অঞ্চলটোত সৃষ্টি কৰিছে চাঞ্চল্যৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১ জুলাই** ঃ ধুবুৰী জিলাৰ পোৰাৰচৰ গাঁওৰ আয়শা খাতুন নামৰ এগৰাকী ৪৯ বছৰীয়া মহিলা নিৰুদ্দেশ হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্য সৃষ্টি হৈছে। উল্লেখ, মহিলা গৰাকীয়ে চলিত মাহৰ ২৮ তাৰিখত নিজৰ বাসগৃহৰ পৰা ৰাতিপুৱা ঘৰৰ পৰা ওলাই গৈছিল যদিও তাৰ পিছৰে পৰাই আয়শা খাতুন নামৰ এই গৰাকী মহিলা নিৰুদ্দেশ হৈ পৰে । পিছে পৰিয়ালৰ আত্মীয়সকলে বিভিন্ন ঠাইত বিচাৰি হতাশাত চিন্তিত হৈ পৰিছে। পিছে উপায়হীন হৈ নিৰুদ্দেশ হোৱা আয়শা খাতুনৰ দুই ভাতৃ ধুবুৰী সদৰ থানাত ঘটনাৰ সন্দৰ্ভত অবগত কৰে যদিও স্থানীয় দক্ষিণ শালমাৰা আৰক্ষী চকীত এখন লিখিত ভাবে অবগত কৰিবলৈ পৰামৰ্শ দিয়ে ধুবুৰীৰ সদৰ থানাৰ আৰক্ষীয়ে বুলি উল্লেখ কৰিলে মহিলা গৰাকীৰ দুই ভাতৃয়ে। ইয়াৰ উপৰিও মহিলা গৰাকীৰ দুই ভাতৃৰ ৰাইজলৈ কাতৰ আহ্বান যদি কোনো সদাশয় বেক্তি মোৰ বাইদেউ আয়শা খাতুনৰ সন্ধান পালে তলত উল্লেখ কৰা ঠিকনা আৰু 8472879294 মোবাইল নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনালে।

## পাঁচনৈ ছেৰফাং পৰিষদীয় সমষ্টিত ৰাজনৈতিক দলত খহনীয়া

### কংগ্ৰেছ দলৰ পৰা ইউ পি পি এল দলত যোগদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ১ আগষ্ট** ঃ ওদালগুৰি জিলাৰ মাজবাট পাঁচনৈ ছেৰফাং পৰিষদীয় সমষ্টিত বিভিন্ন ৰাজনৈতিক দলত খহনীয়া হৈছে বুলি জনা যায়। জানিব পৰা মতে ৩৯ নং পাঁচনৈ ছেৰফাং পৰিষদিয় সমষ্টিৰ ইউ পি পি এল দলৰ কাৰ্য্যালয়ত আজি দিনৰ ১২ বজাত ইউ পি পি এল দলৰ এখনি গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। উক্ত সভাতে ওদালগুৰি জিলা কংগ্ৰেছৰ সম্পাদক বিকিপানি মাতাম খাখা,বি পি এফৰ প্ৰাক্তন ভি চি ডি চিৰ সভাপতি শিবু কুজুৰ, মাজবাট ব্লক কংগ্ৰেছ অৰ মহিলা মৰ্চাৰ সম্পাদিকা অনিমা মুছাহাৰী সহ প্ৰায় ২৬ গৰাকী লোকে ইউ পি পি এল দলৰ নিতি আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ সকলোৱে ইউ পি পি এল দলত যোগদান কৰে বুলি পাঁচনৈ ছেৰফাং পৰিষদিয় সমষ্টিৰ ইউ পি পি এল দলৰ সভাপতি ছবিন বসুমতাৰীয়ে সাংবাদিকক জানিবলৈ দিয়ে। উক্ত সভাত উপস্থিত থাকে ইউ পি পি এল দলৰ কেন্দ্ৰীয় উপ-সভাপতি ভ্ৰমণ বাগলাৰী, ওদালগুৰি জিলা ইউ পি পি এল দলৰ সভাপতি ৰবীন্দ্ৰ বসুমতাৰী, ওদালগুৰি জিলা সাংগঠনিক সম্পাদক মনোৰঞ্জন শৰ্মা, সংখ্যালঘুৰ হাছমৎ আলী, পাঁচনৈ ছেৰফাং পৰিষদিয় সমষ্টিৰ ইউ পি পি এল দলৰ সম্পাদক জনাৰ্ধন কলিতা, পাচঁনৈ ছেৰফাং পৰিষদিয় সমষ্টিৰ যুৱ মৰ্চাৰ সভাপতি অমৰ ব্ৰহ্মাৰ লগতে ভি চি ডি চিৰ সভাপতি, উপ-সভাপতি সম্পাদকৰ লগতে ইউ পি পি এল দলৰ প্ৰায়মাৰী সমিতিৰ সভাপতি সম্পাদক সকল উপস্থিত থাকে।



# অধিৱেশনৰ একাদশ দিনত লোকসভাত আলোচনা হ'ল মূল্যবৃদ্ধি-জিএছটি প্ৰসংগত

## বিৰোধীয়ে মূল্যবৃদ্ধিৰ বিষয়ত জনমত গঠনত সফল হোৱা নাই, কিয়নো মূল্যবৃদ্ধি হোৱাই নাই দেশত ঃ জয়ন্ত সিন্হা

**নতুন দিল্লী, ১ আগষ্ট ঃ** লোকসভাৰ চলিত বৰ্ষাকালীন অধিৱেশনৰ আজি অৰ্থাৎ সোমবাৰে আছিল একাদশ দিন। এই বিশেষ দিনটোত সংসদৰ মজিয়াত আলোচনা হ'ল জি এছ টি আৰু সামগ্ৰীৰ মূল্যবৃদ্ধি প্ৰসংগত। ইয়াৰ পূৰ্বে দিনটোৰ কাৰ্যসূচী আৰম্ভ হোৱাৰ প্ৰাকক্ষণত লোকসভাৰ চাৰিজন নিলম্বিত সাংসদৰ নিৰ্দেশনা বাতিল কৰে অধ্যক্ষ ওম বিৰলাই। এসপ্তাহৰ পূৰ্বে এই সাংসদকেইজনক সদনৰ বৰ্ষাকালীন অধিৱেশনৰ আটাইকেইটা দিনৰ কাৰণে নিলম্বিত কৰিছিল। ইয়াৰ পিছতেই ৰাজ্যসভাৰ ২১ জন সাংসদক যোৱা এসপ্তাহৰ কাৰ্যসূচীৰ বাবে নিলম্বন কৰি ৰাখিছিল। ইফালে মূল্যবৃদ্ধি প্ৰসংগত বিৰোধীয়ে দীৰ্ঘদিন ধৰি আলোচনাৰ কাৰণে দাবী উত্থাপন কৰি আহিছিল। বিগত সময়ছোৱাত দেশৰ বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণ অসুস্থ হৈ আছিল। সেয়েহে তেওঁ সংসদৰ কাৰ্যক্ৰমনিকাৰ পৰা বাহিৰত আছিল। বিত্তমন্ত্ৰীয়ে সদনলৈ ঘূৰি আহিলেই মূল্যবৃদ্ধি আৰু জি এছ টি প্ৰসংগত আলোচনাৰ আশ্বাস দিছিল অধ্যক্ষই। আজি অৰ্থাৎ সোমবাৰে এই বিষয়ত আলোচনাৰ পাতনি মেলা হয়। চৰকাৰী পক্ষৰ হৈ সাংসদ জয়ন্ত সিনহাই কয় যে বিগত দুবছৰে লকডাউন আৰু ক'ভিড অতিমাৰীয়ে জুৰুলা কৰা সময়ছোৱাত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলো দৰিদ্ৰ লোকলৈ বিনামূলীয়া খাদ্য যোগান ধৰিছিল। লগতে বিনামূলীয়াকৈ ক'ভিড ভেকচিন প্ৰদান কৰিছিল। বিজেপি চৰকাৰে চাউল, আটা আদিৰ উপৰিও কণী, গাখীৰ আৰু অন্যান্য খোৱা সামগ্ৰীৰ দাম নিয়ন্ত্ৰণ কৰিছিল। সেয়েহে বিৰোধীয়ে মূল্যবৃদ্ধি প্ৰসংগত বাৰে বাৰে দাবী উত্থাপন কৰি আহিলেও তেওঁলোকে জনমত গঠনত সফল হোৱা নাই। কিয়নো দেশত প্ৰকৃততে মূল্যবৃদ্ধি হোৱাই নাই। বিজেপিৰ সাংসদ জয়ন্ত সিনহাৰ পূৰ্বে চিপিএমৰ সাংসদ আৰিফে কয় যে বিজেপিয়েই যিহেতু গোমাতাৰ পূজন কৰে, তেনেস্থলত গাখীৰ আদি সামগ্ৰীৰ ওপৰত জি এছ টি আৰোপ কৰাটো অতিশয় দুৰ্ভাগ্যজনক কথা। তেলেগুদেশম পাৰ্টীৰ সাংসদ জয়দেৱ গাল্লাই সংসদত কয় যে পেট্ৰ'ল, ডিজেল আদিৰ অনিয়ন্ত্ৰিত মূল্যবৃদ্ধিয়ে দেশত ক্ষুদ্ৰ ব্যৱসায়ীসকলক বিপদৰ মাজলৈ ঠেলি দিছে। কিয়নো হোটেল, ৰেষ্টুৰেণ্ট আদি ক্ষুদ্ৰ ব্যৱসায় কৰা লোকসকল এতিয়া মূল্যবৃদ্ধিৰ কবলত জুৰুলা হৈছে। এইক্ষেত্ৰত দেশৰ গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী আৰু বিত্তমন্ত্ৰীয়ে আলোচনা কৰি সিদ্ধান্ত ল'ব লাগে বুলি আঙুলিয়াই দিয়ে। বিশেষকৈ পেট্ৰ'ল আৰু ডিজেল আদি ইন্ধনজাত সামগ্ৰীবোৰ জি এছ টিৰ অধীনলৈ আনিব লাগে বুলি তেওঁ ব্যক্ত কৰে। তৃণমূল কংগ্ৰেছৰ কল্যাণ বেনাৰ্জীয়ে কয় যে মূল্য বৃদ্ধিৰ প্ৰসংগ উচ্চাৰিত হ'লেই চৰকাৰে ক'ভিড ভাইৰাছৰ গাত দোষ জাপি দিব খোজে। লগতে ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধৰ দোহাই দি মূল্যবৃদ্ধি বিষয়ত দায়সৰা স্থিতি গ্ৰহণ কৰি আহিছে। ইফালে এন চি পি দলৰ সাংসদ সুপ্ৰিয়া ছুলে লোকসভাত কয় যে মহাৰাষ্ট্ৰৰ মহা বিকাশ আঘাৰী মৰ্চাই



শেহতীয়াকৈ জি এছ টিৰ জৰিয়তে সাধাৰণ খাদ্যসামগ্ৰী সামৰি লোৱা কাৰ্যৰ বিৰোধিতা কৰি আহিছে। গতিকে চৰকাৰে মূল্যবৃদ্ধি প্ৰসংগত বাস্তৱসন্মত কোনো পদক্ষেপ লোৱা নাই বুলি ব্যক্ত কৰে। বিজু জনতা দলৰ সাংসদ পিনাকী মিশ্ৰই কয় যে চৰকাৰে ২০১৬ চনত বিমুদ্ৰাকৰণৰ জৰিয়তে ক'লা ধন নিয়ন্ত্ৰণ কৰিব বুলি ঘোষণা কৰিছিল। কিন্তু প্ৰকৃততে সেয়া আছিল মিছা প্ৰতিশ্ৰুতি। চৰকাৰ এইক্ষেত্ৰত সম্পূৰ্ণ ব্যৰ্থ হ'ল। বিদেশত থকা কিমান ক'লা ধন দেশলৈ ঘূৰি আহিল বুলি সাংসদজনে প্ৰশ্ন কৰে। তেলেংগানা ৰাষ্ট্ৰীয় সমাজপাৰ্টীৰ সাংসদ নাগেশ্বৰা ৰাৱে কেন্দ্ৰক মূল্যবৃদ্ধিৰ বাবে প্ৰধান জগৰীয়া বুলি অভিহিত কৰিছে। লগতে প্ৰতিদিনে কৃষিজাত সামগ্ৰীৰ মূল্য বৃদ্ধিৰ ফলত তেলেংগানাৰ কৃষকসকল ক্ষতিগ্ৰস্ত হোৱা বুলি কোৱা হৈছে। এনেকৈয়ে মূল্যবৃদ্ধি আৰু শেহতীয়াকৈ খাদ্যসামগ্ৰীৰ ওপৰত আৰোপ কৰা জি এছ টি প্ৰসংগত সদনত সৰৱ ভূমিকা পালন কৰে তৃণমূল কংগ্ৰেছৰ কাকলি ঘোষ, বহুজন সমাজপাৰ্টীৰ সংগীতা আজাদ আদিয়েও। ইফালে ডি এম কেৰ সাংসদ কানিমুজিয়ে ক'লা ধনৰ প্ৰসংগ উত্থাপন কৰি কয় যে ক'ভিডৰ সময়ছোৱাত দেশৰ পাঁচ নিযুত লোকে কৰ্মহীন হৈছে। সমান্তৰালভাৱে ইন্ধানজাত সামগ্ৰীৰ মূল্যবৃদ্ধি, জি এছ টিৰ নিৰিখ বৃদ্ধিয়ে দেশবাসীক কঠিন পৰিস্থিতিৰ মাজলৈ ঠেলি দিছে। এইক্ষেত্ৰত চৰকাৰে হাতসাৰটি থকা বুলিও অভিযোগ উত্থাপন কৰিছে ডি এম কেৰ সাংসদগৰাকীয়ে।

### দেশত মাংকি পক্সত প্ৰথম মৃত্যু!

## বিদেশৰ পৰা উভতি অহা কেৰালাৰ যুৱকৰ মৃত্যু



**থিৰুৱনন্তপুৰম, ১ আগষ্ট ঃ** ককমাঙ্কিপ'ৰ সংক্ৰমণ ইতিমধ্যে ভাৰতত বিয়পিছে। এইবাৰ কেৰালাৰ এজন যুৱক এই ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰিছে। জানিব পৰা মতে বিদেশত থাকোতেই তেওঁৰ ৰিপ'ৰ্ট পজিটিভ আহিছিল। দেশত এইটো মাঙ্কিপ'ত প্ৰথম মৃত্যুৰ ঘটনা। কেৰালাৰ স্বাস্থ্য মন্ত্ৰী বীনা জৰ্জে জানিবলৈ দিয়ে যে ত্ৰিশূৰৰ এজন ২২ বছৰীয়া যুৱকৰ শনিবাৰে মৃত্যু হৈছে। তেওঁ ২২ জুলাইত সংযুক্ত আৰৱ আমিৰাতৰ পৰা উভতি আহিছিল। অসুস্থতাৰ বাবে তেওঁ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি হৈছিল। তাতেই শনিবাৰে তেওঁৰ মৃত্যু হয়। ইতিমধ্যে কেৰালাৰ নেচনেল ইনষ্টিটিউট অৰ ভাইৰোলজীলৈ যুৱকজনৰ নমুনা প্ৰেৰণ কৰা হৈছে যাতে তেওঁ মাঙ্কিপ'ৰ ফলত মৃত্যু হৈছে নে নাই সেয়া নিশ্চিত কৰিব পাৰে। স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে কয়, "যুৱকজনৰ শৰীৰত মাঙ্কিপ'ৰ কোনো লক্ষণ নাছিল। এনকেফেলাইটিছ আৰু ক্লান্তিৰ লক্ষণৰ সৈতে তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। পৰিয়ালে শনিবাৰে চিকিৎসালয়ক জনাইছিল যে তেওঁৰ মাঙ্কিপ'ৰ ৰিপ'ৰ্ট পজিটিভ আহিছিল। এই ৰোগত মৃত্যুৰ হাৰ অত্যন্ত কম। তথাপি কেনেকৈ এই ৰোগত আক্ৰান্ত হৈ যুৱকজনৰ মৃত্যু হ'ল তাৰ তদন্ত কৰা হ'ব।" বাতৰি অনুসৰি, ২২ জুলাইত ঘৰলৈ উভতি অহাৰ পিছত তেওঁ সুস্থ আছিল। তেওঁ চুবুৰীত ফুটবলো খেলিছিল। কিন্তু ২৬ জুলাইত তেওঁ জ্বৰত ভুগিবলৈ আৰম্ভ কৰে। তেতিয়াই তেওঁক চিকিৎসালয়লৈ লৈ যোৱা হয়। তেওঁৰ স্বাস্থ্যৰ অৱস্থাৰ অৱনতি ঘটাৰ লগে লগে তেওঁক আন এখন ব্যক্তিগত চিকিৎসালয়লৈ স্থানান্তৰিত কৰা হয়। তাত তেওঁক লাইপ ছাপোৰ্টত ৰখা হৈছিল। অৱশেষত মৃত্যুবৰণ কৰে। মাঙ্কিপ'ত মৃত্যুবৰণ কৰা লোকৰ অন্তিম সৎকাৰৰ ক্ষেত্ৰত অনুসৰণ কৰিবলগীয়া নিয়ম মানি পৰিয়ালে যুৱকজনৰ সৎকাৰ কৰে। তেওঁৰ সংস্পৰ্শলৈ অহাসকলৰ এখন তালিকাও প্ৰস্তুত কৰা বুলি কোৱা হৈছে। উল্লেখ্য যে ভাৰতত প্ৰথমবাৰৰ বাবে এই কেৰালাতে মাঙ্কিপ' ধৰা পৰিছিল। এতিয়ালৈকে দেশত চাৰিজনৰ দেহত ধৰা পৰিছে এই ৰোগ। ইয়াৰে তিনিজন কেৰালাৰ। এইবাৰ এই মাৰাত্মক ৰোগত প্ৰাণ হেৰুৱালে এজনে।

## উত্তৰ প্ৰদেশত বিধান পৰিষদৰ দুই আসনৰ বাবে উপ-নিৰ্বাচন

**লক্ষ্ণৌ, ১ আগষ্ট ঃ** উত্তৰ প্ৰদেশৰ বিধান পৰিষদৰ খালি হৈ থকা দুই আসনৰ বাবে অহা ১১ আগষ্ট তাৰিখে উপ-নিৰ্বাচনৰ ভোট গ্ৰহণ কৰা হ'ব। ইতিমধ্যে নিৰ্বাচন আয়োগে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে। সোমবাৰে অৰ্থাৎ আজি এই দুই আসনৰ বাবে তিনিজন প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। ইয়াৰে বিজেপিৰ দুই আৰু বিৰোধী সমাজবাদী পাৰ্টীৰ এজনে মনোনয়নপত্ৰ দাখিল কৰিছে। চলিত বৰ্ষৰ এপ্ৰিল মাহত ৩৬খন আসনৰ বাবে ৰাজ্যখনত বিধান পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত হৈছিল। উক্ত নিৰ্বাচনত শাসকীয় বিজেপি দলে অকলেই ৩৩খন আসন লাভ কৰিবলৈ সক্ষম হৈছিল। উল্লেখ্য যে গোৰখপুৰ অঞ্চলৰ বিজেপিৰ সভাপতি ধৰ্মেন্দ্ৰসিং ছেইন্থাৰ আৰু কাশী সংমণ্ডলৰ বিজেপিৰ উপ-সভাপতি নিৰ্মলা পাছোৱানে গেৰুৱা দলৰ হৈ মনোনয়নপত্ৰ দাখিল কৰিছে। ইফালে মনোনয়ন দাখিলৰ সময়ত উপস্থিত আছিল উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ, উপ-মুখ্যমন্ত্ৰী কেশৱ প্ৰসাদ মৌৰ্য আৰু ব্ৰজেশ পাঠক আদিৰ লগতে একাংশ জ্যেষ্ঠ দলীয় নেতা আৰু মন্ত্ৰীসভাৰ সদস্য। বিধানসভা ভৱনৰ কেন্দ্ৰীয় প্ৰেক্ষাগৃহত মনোনয়ন পত্ৰ গ্ৰহণ কৰিছে নিৰ্বাচনী বিষয়াই। ইফালে সমাজবাদী পাৰ্টীৰ হৈ কীৰ্তি কুলে দাখিল কৰিছে



মনোনয়ন পত্ৰ। বিগত বিধানসভা নিৰ্বাচনত মিৰ্জাপুৰ সমষ্টিৰ পৰা তেওঁ প্ৰতিদ্বন্দ্বিতা কৰিছিল। মনোনয়ন দাখিলৰ সময়ত সমাজবাদী পাৰ্টীৰ ৰাজ্যিক সভাপতি নৰেশ উত্তম পেটেল, বিধায়ক মনোজ পাণ্ডে, ৰবী দাস মালহোত্ৰা আদি উপস্থিত আছিল। আনহাতে মনোনয়ন দাখিল পিছতে বিজেপিয়ে ঘোষণা কৰিছে যে তেওঁলোকৰ দুইজন প্ৰাৰ্থী জয়ী হ'ব। বিৰোধী সমাজবাদী পাৰ্টীৰ হাতত জয়ী হ'ব পৰাকৈ প্ৰয়োজনীয় সংখ্যক বিধায়ক নাই। কেৱল সংবাদ মাধ্যমত নাম চৰ্চা হ'বৰ বাবেহে সমাজবাদী পাৰ্টীয়ে এইবাৰৰ নিৰ্বাচনত অৱতীৰ্ণ হোৱা বুলি প্ৰকাশ কৰিছে। ইপালে মনোনয়ন দাখিলৰ পিছতে সমাজবাদী প্ৰাৰ্থীগৰাকীয়ে দলৰ নেতৃত্বৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰিছে। সমাজবাদী পাৰ্টীৰ আহমেদ হাছানৰ মৃত্যু আৰু বিজেপিৰ সদস্য ঠাকুৰ জয়বীৰ সিঙৰ পদত্যাগৰ ফলত এই দুই আসন খালি হৈ আছিল। যোৱা মাহত ঘনশ্যাম সিং লোধী জয়ী হৈছিল লোকসভাৰ ৰামপুৰ সমষ্টিৰ উপ-নিৰ্বাচনত। উক্ত সমষ্টিত সমাজবাদী পাৰ্টীৰ অসীম ৰাজাক পৰাস্ত কৰিছিল। উক্ত সমষ্টিত কাৰাৰুদ্ধ মাফিয়া গেংষ্টাৰ আজম খানে পূৰ্বে প্ৰতিনিধিত্ব কৰিছিল যদিও এইবাৰ তেওঁ দলীয় মনোনয়ন প্ৰদান কৰা হোৱা নাছিল। ইফালে বহুজন সমাজপাৰ্টীয়ে ৰামপুৰ উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ পৰা বিৰত আছিল।

## মৰ্মান্তিক ! শিৱ মন্দিৰত পানী ঢালিবলৈ যোৱা কমেও ১০জন ভক্তৰ বিদ্যুৎস্পৃষ্ট মৃত্যু



**কোচবিহাৰ, ১ আগষ্ট ঃ** কককোচবিহাৰৰ জল্পেশ মন্দিৰত শিৱলংগত পানী ঢালিবলৈ যোৱা ভক্তৰ এখন গাড়ী বিদ্যুৎস্পৃষ্ট হৈ কমেও ১০ জন ভক্ত মৃত্যুমুখত পৰিছে। আন আহত ১৬ জনক জলপাইগুৰি ছুপাৰ স্পেচিয়েলিটি হাস্পাতালত ভৰ্তি কৰা হৈছে। দুৰ্ঘটনাটো গাড়ীৰ জেনেৰেটৰৰ পৰা এটা শ্বৰ্ট চাৰ্কিটৰ ফলত সংঘটিত হোৱা বুলি প্ৰাথমিকভাৱে অনুমান কৰা হৈছে। কোচবিহাৰৰ শীতলকুচিৰ পৰা ২৭ জনীয়া ভক্তৰ এটা দলে এখন পিক-আপ ভানত জলপাইগুৰিৰ জল্পেশৰ শিৱ মন্দিৰলৈ গৈ আছিল। ভক্তসকলৰ গাড়ীখনে চাংড়া বান্ধাৰ ধাৰলা নদীৰ দলং পাৰ হোৱাৰ পিছতে এই ঘটনাটো ঘটে। গাড়ীখনৰ চালকজনে কেইবাজনো ভক্ত অচেতন হৈ পৰা দেখি পিক-আপ ভানখন চাংড়া বান্ধা চিকিৎসালয়লৈ লৈ যায়। তাতেই ১০ জন লোকক চিকিৎসকে মৃত ঘোষণা কৰে। আহত তীৰ্থযাত্ৰীসকলে দাবী কৰা মতে গাড়ীখনৰ জেনেৰেটৰৰ পৰা শ্বৰ্ট চাৰ্কিটৰ ফলতে ঘটনাটো ঘটিছে। আৰক্ষীয়ে জানিবলৈ দিয়ে যে গাড়ীখনত থকা জেনেৰেটৰটোৰেই ডিজে বজোৱা হৈছিল। অনুমান কৰা হৈছে যে ঘটনাটো সেই জেনেৰেটৰটো কেনেবাকৈ শ্বৰ্ট চাৰ্কিট হোৱাৰ বাবেই সংঘটিত হৈছে। ইতিমধ্যে গাড়ীখন জব্দ কৰা হৈছে যদিও চালকজন পলাতক। দুৰ্ঘটনাগ্ৰস্ত সকলো লোক শীতলকুচিৰ বাসিন্দা। তেওঁলোকৰ পৰিয়ালক খবৰ দিয়া হৈছে। আৰক্ষীয়ে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে।

## জব্বলপুৰৰ চিকিৎসালয়ত অগ্নিকাণ্ড, কমেও মৃত্যু ৮জনৰ

**জব্বলপুৰ, ১ আগষ্ট ঃ** মধ্যপ্ৰদেশৰ জব্বলপুৰত অৱস্থিত এখন ব্যক্তিগতখণ্ডৰ হাস্পতালত সোমবাৰে পুৱাৰভাগতে বিধ্বংসী অগ্নিকাণ্ড সংঘটিত হয়। এই অগ্নিকাণ্ডত কমেও আঠজন লোকৰ মৃত্যু হোৱা বুলি প্ৰকাশ পাইছে। ইয়াৰে চাৰিজন হ'ল চিকিৎসাধীন ৰোগী। অন্য তিনিজন হ'ল হাস্পতালৰ কৰ্মী আৰু অন্য এজন ৰোগীৰ আত্মীয় বুলি প্ৰকাশ পাইছে। স্থানীয় আৰক্ষী অধীক্ষক সিদ্ধাৰ্থ বহুগুণাই সংবাদ



মাধ্যমৰ আগত কয় যে নিউলাইফ মাল্টি স্পেচিয়েলিটি হাস্পতালত এই অগ্নিকাণ্ড সংঘটিত হৈছিল। জব্বলপুৰৰ গুহালপুৰ আৰক্ষী থানাৰ অন্তৰ্গত দামুনাকা নামৰ অঞ্চলত অৱস্থিত আছে এই চিকিৎসালয়খন। জব্বলপুৰ অগ্নি নিৰ্বাপক বাহিনীৰ বিষয়া কুচাৰগ্ৰা ঠাকুৰে কয় যে তেওঁলোকে নিশা ২.১৫ মিনিটত এই অগ্নিকাণ্ডৰ খবৰ লাভ কৰিছিল। সোমবাৰে পুৱতি নিশা সংঘটিত হোৱা এই অগ্নিকাণ্ড নিয়ন্ত্ৰণ কৰিবলৈ চাৰিখন অগ্নিনিৰ্বাপক বাহন আৰু ৪০ জন কৰ্মী প্ৰেৰণ কৰা হৈছিল। চিকিৎসালয় চৌহদত সংস্থাপিত কৰা এটা জেনেৰেটৰৰ পৰা এই অগ্নিকাণ্ডৰ সূত্ৰপাত হৈছিল। পিছত মুহূৰ্তৰ ভিতৰতে চিকিৎসালয়ৰ ভিতৰলৈ অগ্নিৰ সম্প্ৰসাৰণ ঘটিছিল। ইফালে মুখ্যমন্ত্ৰী শিৱৰাজসিং চৌহানে এই ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্ত ঘোষণা কৰিছে। অগ্নিকাণ্ডত নিহতসকলৰ নিকট আত্মীয়লৈ পাঁচ লাখ টকাৰ ক্ষতিপূৰণ ঘোষণা কৰিছে। আহতসকলৰ সু-চিকিৎসাৰ পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়া বুলি প্ৰকাশ পাইছে। ইফালে হতাহতৰ সংখ্যা বৃদ্ধি পোৱাৰ আশংকা নুই কৰিব নোৱাৰি।

### বিজেপি নেতৃত্বক সমালোচনা কৰাৰ বাবেই নৱাব মালিকৰ পিছত এনফোৰ্চমেণ্টৰ জালত সঞ্জয় ৰাৱত

## শিৱসেনাৰ সাংসদক গ্ৰেপ্তাৰ, মহাৰাষ্ট্ৰত তোলপাৰ

**মুম্বাই, ১ আগষ্ট ঃ** কেন্দ্ৰৰ শাসকীয় বিজেপি দলৰ নেতা-কৰ্মীক অতি কঠোৰ ভাষাৰে সমালোচনা কৰি অহাৰ বাবেই মহাৰাষ্ট্ৰত ৰাজনৈতিক প্ৰতিশোধৰ বলি হৈছে ইজনৰ পিছত সিজনকৈ জন প্ৰতিনিধি। কিছুদিনৰ পূৰ্বে পূৰ্বৰ চৰকাৰৰ সংখ্যালঘু কল্যাণ বিভাগৰ মন্ত্ৰী নৱাব মল্লিকক এনফোৰ্চমেণ্ট বিভাগে গ্ৰেপ্তাৰ কৰিছিল। কাৰাগাৰত থকা অৱস্থাতে ৰাজ্যখনত চৰকাৰ সলনি হ'ল আৰু ৰাজিৰ ভিতৰতে মন্ত্ৰীৰ পৰা প্ৰাক্তন মন্ত্ৰীলৈ পৰিৱৰ্তন ঘটিল। শেহতীয়া ৰাজ্যসভাৰ নিৰ্বাচনত শিৱসেনাৰ জ্যেষ্ঠ নেতা সঞ্জয় ৰাৱত পুনৰবাৰ নিৰ্বাচিত হৈছিল। কিন্তু ৰাজ্যখনত চৰকাৰ সলনিৰ লগে লগে প্ৰাক্তন মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেৰ ঘনিষ্ঠ সংগী সঞ্জয় ৰাৱতৰ বিৰুদ্ধে আৰম্ভ হ'ল তদন্ত। এনফোৰ্চমেণ্টৰ দ্বাৰা তদন্ত আৰু জেৰা কৰি অৱশেষত তেওঁক গ্ৰেপ্তাৰ কৰা হ'ল। অহা চাৰি আগষ্ট পৰ্যন্ত এনফোৰ্চমেণ্টৰ জিম্মাত থাকিব লাগিব এইজন বহুবল্কী সাংসদ। উল্লেখ্য যে ভূমি কেলেংকাৰী আৰু চৰকাৰক কৰ ফাকি দি অবৈধভাৱে ধন সৰবৰাহ কৰাৰ গোচৰত সঞ্জয় ৰাৱতক গ্ৰেপ্তাৰ কৰা হৈছে। এই গ্ৰেপ্তাৰৰ বাবে এনফোৰ্চমেণ্টৰ হাতত পৰ্যাপ্ত পৰিমাণে নথিপত্ৰ তথা প্ৰমাণ মজুত থকা বুলি তদন্তকাৰী সংস্থাটোৱে দাবী কৰিছে। সোমবাৰে মুম্বাইৰ আদালতত হাজিৰ কৰোৱাৰ সময়ত ন্যায়াধীশ এম জি দেশপাণ্ডে বিচাৰপীঠে তেওঁক চাৰিদিনৰ বাবে এনফোৰ্চমেণ্টৰ জিম্মালৈ প্ৰেৰণ



কৰে। তদন্তকাৰী সংস্থাটোৱে আঠ দিনৰ বাবে নিজৰ জিম্মাত বিচাৰিছিল। চৰকাৰী পক্ষৰ হৈ অধিবক্তা হিতেন ভেনেগাইগোৱাৰে ন্যায়ালয়ত যুক্তি প্ৰদৰ্শন কৰিছিল। সেই কেলেংকাৰীৰ জৰিয়তে সাংসদ সঞ্জয় ৰাৱত আৰু তেওঁৰ পৰিয়ালটো ব্যাপকভাৱে হিতাধিকাৰী হোৱা বুলি আঙুলিয়াই দিয়া হৈছে। সঞ্জয় ৰাৱতৰ হৈ ন্যায়ালয়ত প্ৰতিনিধিত্ব কৰিছিল জ্যেষ্ঠ অধিবক্তা অশোক মুণ্ডাৰ্গি। তেওঁ কয় যে ৰাজনৈতিক প্ৰতিশোধৰ বাবে সঞ্জয় ৰাৱতক গ্ৰেপ্তাৰ কৰা হৈছে।

## শিৱসেনাৰ গৌৰৱ সঞ্জয় ৰাৱত ঃ উদ্ধৱ থাকৰে

**মুম্বাই, ১ আগষ্ট ঃ** শিৱসেনা মুৰব্বী উদ্ধৱ থাকৰে কয় যে সঞ্জয় ৰাৱত তেওঁলোকৰ দলটোৰ বাবে গৌৰৱ। কোনোধৰণৰ ষড়যন্ত্ৰই সঞ্জয় ৰাৱতক ক্ষতি কৰিব নোৱাৰে। শিৱসেনাৰ প্ৰতিষ্ঠাপক বাল থাকৰেৰ অনুগামী হোৱাৰ লগতে সঞ্জয় ৰাৱত অতি সাহসী আৰু নিকা ভাৱমূৰ্তিৰ ব্যক্তি বুলি তেওঁ অভিহিত কৰিছে। ইফালে সঞ্জয় ৰাৱতৰ পৰিয়ালে সাক্ষাৎ কৰিছে উদ্ধৱ থাকৰেই। মুম্বাইৰ বাসগৃহত ৰাৱতৰ পৰিয়ালক সাক্ষাতৰ সময়ত উপস্থিত আছিল সঞ্জয় ৰাৱতৰ মাতৃ, পত্নী, কন্যা আৰু অন্যান্য সদস্যসকল। দলৰ সাংসদ অৰবিন্দ চাৱন্ত আৰু বিধায়ক ৰবীন্দ্ৰ ভাইকাৰ, দলৰ নেতা মিলিণ্ড নাৰ্ভেকাৰ আদিয়ে সংগ দিছিল উদ্ধৱ থাকৰেক। ইফালে সঞ্জয় ৰাৱতক গ্ৰেপ্তাৰ কৰাৰ বিৰুদ্ধে শিৱসেনাৰ নেতা-কৰ্মীসকলে মহাৰাষ্ট্ৰৰ ঔৰংগাবাদত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে। ইফালে তেওঁলোকে ক্ৰান্তি চৌক অঞ্চলত সমবেত হৈ প্ৰতিবাদ কৰা বুলি প্ৰকাশ পাইছে। শিৱসেনাৰ স্থানীয় নেতা, কৰ্মী আদিৰ উপস্থিতিত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। দেওবাৰে মাজনিশা সঞ্জয় ৰাৱতক গ্ৰেপ্তাৰ কৰা হৈছিল। এনফোৰ্চমেণ্টৰ দ্বাৰা চলোৱা তালাচীৰ সময়ত সঞ্জয় ৰাৱতৰ বাসগৃহৰ পৰা চাৰে এঘাৰ লাখ নগদ টকা জব্দ কৰা বুলি প্ৰকাশ পাইছে। সঞ্জয় ৰাৱতৰ বিৰুদ্ধে হঠাত এনফোৰ্চমেণ্টৰ এই অভিযানত ষড়যন্ত্ৰৰ অভিযোগ আনিছে শিৱসেনাৰ দলীয় কৰ্মীসকলে। উল্লেখ্য যে দলটোৰ একনাথ সিন্দে পন্থীয়ে বৰ্তমানলৈকে নিৰৱতা অৱলম্বন কৰি আছে। এমাহৰ পূৰ্বে উদ্ধৱ থাকৰেক অপসাৰণ কৰি মুখ্যমন্ত্ৰীৰ আসনত বহিছিল একনাথ সিন্দে। নতুন চৰকাৰে বিজেপিৰ সমৰ্থনত চৰকাৰ গঠন কৰিছে। পূৰ্বৰ চৰকাৰে কংগ্ৰেছ আৰু এন চি পি দলৰ সমৰ্থনত চৰকাৰ গঠন কৰি প্ৰায় আঢ়ৈ বছৰ কাল শাসনবাৰ চলাই নিছিল।

## প্ৰিন্স চাৰ্লছৰ সংস্থালৈ বৃহৎ পৰিমাণৰ ধন দান বিন লাডেনৰ পৰিয়ালৰ

**লণ্ডন, ১ আগষ্ট ঃ** ওচামা বিন লাডেনৰ পৰিয়ালে ব্ৰিটেইনৰ প্ৰিন্স চাৰ্লছৰ কল্যাণ পুঁজিলৈ ১.১৯ মিলিয়ন মাৰ্কিন ডলাৰ দান কৰিছে। ৯য১১ ৰ আক্ৰমণৰ মূল অভিযুক্ত বিন লাডেনৰ পৰিয়ালে কৰিলে এই বৃহৎ দান। চানডে টাইমছত প্ৰকাশিত বাতৰিত এইকথা কোৱা হৈছে। এই বৃহৎ দানকলৈ ইতিমধ্যে বিভিন্ন মহলত চৰ্চা আৰম্ভ হৈছে। বাতৰি অনুসৰি, চাৰ্লছৰ বহু শুভাকাংক্ষীয়ে তেওঁক লাডেনৰ পৰিয়ালৰ পৰা কোনো ধৰণৰ সহায় নল'বলৈ নিষেধ কৰিছিল। কিন্তু শেষত চাৰ্লছৰ সংস্থাই এই অনুদান ল'বলৈ সন্মত হয়। প্ৰিন্স অফ ৱেলছ চেৰিটেবল ফাণ্ডলৈ দান কৰা হৈছে এই বৃহৎ পৰিমাণৰ ধন। প্ৰিন্স অফ ৱেলছ চেৰিটেবল ফাণ্ডৰ অধ্যক্ষ য়েল চেচিৰে সদৰী কৰে যে পাঁচজন ট্ৰাষ্টীয়ে এই অনুদান গ্ৰহণ কৰিবলৈ সন্মত হয়। যোৱা ফেব্ৰুৱাৰী মাহত ব্ৰিটিছ আৰক্ষীয়ে চাৰ্লছৰ দাতব্য পুঁজিকলৈ এক তদন্ত আৰম্ভ কৰিছিল। এজন চৌদি ব্যৱসায়ীৰ দ্বাৰা দান কৰা ধনৰ সৈতে জড়িত এক কেলেংকাৰীৰ সন্দৰ্ভত এই তদন্তটো আৰম্ভ হৈছিল। এই অভিযোগক কেন্দ্ৰ কৰি সৃষ্টি হোৱা জটিলতাৰ পিছত ফাউণ্ডেচনৰ মুৰব্বীয়ে যোৱা বছৰ পদত্যাগো কৰিছিল। মেহফুজ মাৰি মোবাৰক বিন মেহফুজ নামৰ ব্যৱসায়ীজনে এই বৃহৎ পৰিমাণৰ ধন দান কৰিছিল। পিছলৈ ইয়াকে লৈ বহু কেলেংকাৰী পোহৰলৈ আহে। ইতিমধ্যে এই খবৰে বিশ্বৰ সকলো মহলতে ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই খবৰৰ সত্যাসত্য কিমান সেয়া বৰ্তমানলৈকে নিৰূপিত হোৱা নাই। তথাপি প্ৰকাশিত খবৰে বিন লাডেনৰ দৰে দুৰ্ধৰ্ষ ইছলামিক সন্ত্ৰাসবাদীৰ পৰা সাহায্য গ্ৰহণ কৰা বিষয়টোৱে সন্দেহৰ মাত্ৰা বৃদ্ধিত যোগাইছে অৱিহণা।






## নিৰাপত্তাৰ স্বস্তি ! বন্দুকৰ অনুজ্ঞা-পত্ৰৰ অনুমতি পালে ছলমান খানে

**মুম্বাই, ১ আগষ্ট ঃ** বন্দুকধাৰী হ'ল বলীউডৰ ভাইজান ছলমান খান। চিনেমাৰ পৰ্দাত হাতত বন্দুক লৈ ছুপাৰষ্টাৰজনে ভিলেইনৰ ওপৰত দমন চলোৱা আপুনি দেখিছে। কিন্তু এইবাৰ বাস্তৱ জীৱনতো বন্দুক হাতত তুলি লৈছে বলীউডৰ ভাইজানে। নিজৰ সুৰক্ষাৰ বাবেই এই পন্থা অৱলম্বন কৰিছে তেওঁ। ইতিমধ্যে মুম্বাই আৰক্ষীয়ে তেওঁক মাৰণাস্ত্ৰৰ অনুজ্ঞা-পত্ৰ প্ৰদান কৰিছে। উল্লেখ্য যে শেহতীয়াকৈ ছলমান খান আৰু তেওঁৰ দেউতাক ছালীম খানে এটা ভয়ংকৰ মৃত্যুৰ ভাবুকি লাভ কৰিছিল। এক বেনামী পত্ৰযোগে কোনো অচিনাক্ত দুৰ্বৃত্তই দুয়োগৰাকী হত্যাৰ ভাবুকি দিছিল। এই ভাবুকি প্ৰদানৰ আঁৰত তিহাৰ জেলত কাৰাবন্দী হৈ থকা কুখ্যাত গেংষ্টাৰ ল'ৰেন্স বিষ্ণৈলৈ সন্দেহৰ আঙুলি উঠিছিল। এই ল'ৰেন্স বিষ্ণৈৰ গেঙেই জনপ্ৰিয় পঞ্জাৰী গায়ক সিদ্ধু মুছেৱালাক যোৱা ২৯ মে'ত হত্যা কৰিছিল বুলি অভিযোগ উঠি আহিছে। তাৰ পাছতে বিষ্ণৈয়ে জনাইছিল যে বলীউডৰ অভিনেতা ছলমান খানো মুছেৱালা সদৃশ পৰিস্থিতিৰ সন্মুখীন হ'ব। বিষয়টো লৈ তৎক্ষণাৎ ছলমান খানে মুম্বাই আৰক্ষীৰ কাষ চাপিছিল। আনহাতে কিছুদিন পূৰ্বে মুম্বাইৰ আৰক্ষী আয়ুক্তক সাক্ষাৎ কৰি মাৰণাস্ত্ৰৰ অনুজ্ঞাপত্ৰৰ আবেদন কৰিছিল ছলমানে। কিন্তু কিয় ল'ৰেন্স বিষ্ণৈয়ে ছলমান খানক এই ভাবুকি প্ৰদান কৰিছিল? তাৰ কাৰণ হৈছে ১৯৯৮ চনৰ কৃষ্ণসাঁৰ মৃগ চিকাৰৰ বিখ্যাত ঘটনাটো। এখন চিনেমাৰ দৃশ্যগ্ৰহণৰ সময়ত ছলমান খানে ৰাজস্থানত কৃষ্ণসাঁড় মৃগ চিকাৰ কৰিছিল। এই লৈ আইনী জটিলতাৰ মাজতো সোমাই পৰিছিল তেওঁ। আনহাতে ল'ৰেন্স বিষ্ণৈ হৈছে ৰাজস্থানৰ বিষ্ণৈ সম্প্ৰদায়ৰ এজন লোক। এই সম্প্ৰদায়টোৱে কৃষ্ণসাঁড় মৃগক পূজা কৰি আহিছে। সেই ঘটনাৰ আলমতে গেংষ্টাৰ ল'ৰেন্স বিষ্ণৈয়ে ছলমান খানক ইতিপূৰ্বে ২০১৮ চনতো হত্যাৰ ভাবুকি প্ৰদান কৰিছিল।



# ভাৰোত্তোলনত ভাৰতক তৃতীয়টো সোণ দিলে অচিন্ত্যই




**বাৰ্মিংহাম, ১ আগষ্ট ঃ** চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতৰ ভাৰোত্তোলকৰ পদক জয়ৰ গৌৰৱময় যাত্ৰা অব্যাহত আছে। আজি ভাৰোত্তোলনত ভাৰতে আৰু এটা সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। পুৰুষৰ ৭৩ কিলোগ্ৰাম শাখাত খেলা অচিন্ত শ্বেউলিয়ে দেশক তৃতীয়টো সোণ জয়ৰ গৌৰৱময় সফলতা দিয়ে। প্ৰথমবাৰৰ বাবে কমনৱেলথ গেমছ খেলা অচিন্তই স্নেচত অভিলেখ গঢ়ি ১৪৩ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৭০ কিলোগ্ৰাম মুঠ ৩১৩ কিলোগ্ৰাম উত্তোলন কৰি সোণ জয় কৰে। উল্লেখ্য যে চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতে এতিয়ালৈকে ভাৰোত্তোলনত ছটা পদক লাভ কৰিছে। ইয়াৰে তিনিটা সোণ, দুটা ৰূপ আৰু এটা ব্ৰঞ্জ। ভাৰোত্তোলনৰ জৰিয়তে ভাৰতক প্ৰথমটো সোণ জয়ৰ গৌৰৱ দিছিল টকিঅ' অলিম্পিকৰ ৰূপজয়ী মণিপুৰ মহিলা ভাৰোত্তোলক মীৰাবাঈ চানুৱে। অভিলেখ গঢ়ি ক্ৰমাগত তিনিখন কমনৱেলথ গেমছত পদক জয়ৰ সফলতা লাভ কৰে চানুৱে। ইয়াৰপূৰ্বে ২০১৪ ত ৰূপ আৰু ২০১৮ ত সোণ লাভ কৰিছিল মীৰাবায়ে। ইফালে, মিজোৰামৰ যুৱ ভাৰোত্তোলক জেৰেমি লালৰিনুংগাই ভাৰতক দ্বিতীয়টো সোণৰ পদক দিবলৈ সক্ষম হয়। প্ৰথমবাৰৰ বাবে কমনৱেলথ গেমছ খেলা জেৰেমিয়ে স্নেচত অভিলেখ গঢ়ি ১৪০ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৬০ কিলোগ্ৰাম মুঠ ৩০০ কিলোগ্ৰাম উত্তোলন কৰি সোণ জয় কৰে। উল্লেখ্য যে প্ৰতিভাবান ভাৰোত্তোলক জেৰেমি লালৰিনুংগাই ২০১৮ ত যুৱ অলিম্পিকত সোণ লাভ কৰাৰ লগতে বিশ্ব ভাৰোত্তোলনতো দেশক পদক দিছিল। ইফালে, মনিপুৰৰ মহিলা ভাৰোত্তোলক বিন্দিৰাণী দেৱীয়ে ৫৫ কিলোগ্ৰাম শাখাত ৰূপৰ পদক লাভ কৰে। তেওঁ স্নেচত ৮৬ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১১৬ কিলোগ্ৰাম মুঠ ২০২ কিলোগ্ৰাম উত্তোলন কৰি ৰূপ জয় কৰে। পুৰুষ ভাৰোত্তোলক সংকেট সাগৰে পুৰুষৰ ৫৫ কিলোগ্ৰাম শাখাত স্নেচত ১১৩ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৩৫ কিলোগ্ৰাম মুঠ ২৪৮ কিলোগ্ৰাম উত্তোলন কৰি ৰূপ জয় কৰিছিল। আনহাতে, পুৰুষৰ ৬১ কিলোগ্ৰাম শাখাৰ ভাৰোত্তোলনত ভাৰতৰ গুৰুৰাজা পুজাৰীয়ে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। তেওঁ স্নেচত ১১৮ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১৫১ কিলোগ্ৰাম মুঠ ২৬৯ কিলোগ্ৰাম উত্তোলন কৰি ব্ৰঞ্জ পদক জয় কৰে। ইফালে, আজি হোৱা পুৰুষৰ ৮১ কিলোগ্ৰাম শাখাৰ ভাৰোত্তোলনত ভাৰতৰ অজয় সিঙে অলপৰ বাবে পদক জয়ৰ পৰা বঞ্চিত হয়। ৩১৯ কিলোগ্ৰাম উত্তোলন কৰি চতুৰ্থত থাকে অজয়। ব্ৰঞ্জজয়ী ভাৰোত্তোলকে ৩২০ কিলোগ্ৰাম উত্তোলন কৰে।

# কোৱাৰ্টাৰ ফাইনেলত অমিত-হুছামুদ্দিন



**বাৰ্মিংহাম, ১ আগষ্ট ঃ** ভাৰতৰ তিনিজন পুৰুষ বক্সাৰৰ ব্যৰ্থতাৰ পাছত চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত আজি অমিত পাংগল আৰু মহম্মদ হুছামুদ্দিনে নিজৰ নিজৰ মেচত জয়লাভ কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে এই সফলতাৰ পাছত উভয় বক্সাৰে পদক জয়ৰ পৰা মাত্ৰ এখোজ দূৰত আছে। আজি হোৱাৰ পুৰুষৰ ৫১ কিলোগ্ৰাম শাখাৰ খেলত অমিতে হেলাৰঙে ভানুটুৰ নামৰি বেৰিক ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰি প্ৰত্যাশিতৰূপত চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত অভিযান আৰম্ভ কৰে। ইফালে, পুৰুষৰ ৫৭ কিলোগ্ৰাম শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত হুছামুদ্দিনে বাংলাদেশৰ মহম্মদ ছেলিম হুছেইনক ৫-০ ৰ ব্যৱধানত বিধ্বস্ত কৰে। ইয়াৰপূৰ্বে ভাৰতীয় বক্সাৰজনে প্ৰথম মেচত ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰিছিল দক্ষিণ আফ্ৰিকাৰ আমজ'লেলাক। উল্লেখ্য যে কমনৱেলথ গেমছৰ পৰা ইতিমধ্যে ভাৰতৰ অভিজ্ঞ বক্সাৰ শিৱ থাপাই প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অপ্ৰত্যাশিতভাৱে পৰাস্ত হৈ বিদায় লৈছে। উল্লেখ্য যে ৬০ কিলোগ্ৰাম শাখাত খেলা দুবাৰৰ অলিম্পিয়ান অসম সন্তান শিৱক এখন কঠিন



মেচত ৪-১ ৰ ব্যৱধানত পৰাস্ত কৰে স্কটলেণ্ডৰ বক্সাৰ ৰীছে লীনছে। উল্লেখ্য যে দেশৰ তাৰকা বক্সাৰ অসম সন্তান শিৱ থাপাই সুন্দৰ জয়েৰে চলিত কমনৱেলথ গেমছত অভিযান আৰম্ভ কৰিছিল। পুৰুষৰ লাইট ৱেল্টৰৱেট ৬০ কিলোগ্ৰাম শাখাত খেলা শিৱই প্ৰথম ৰাউণ্ডৰ মেচত পাকিস্তানৰ চুলেমান বালোচৰ বিৰুদ্ধে ৫-০ ৰ চমকপ্ৰদ জয় সাব্যস্ত কৰিছিল। ইফালে, শিৱৰ লগতে ভাৰতৰ হৈ ৯২ কিলোগ্ৰাম শাখাত খেলা পুৰুষ বক্সাৰ সঞ্জিতেও প্ৰথম ৰাউণ্ডতে ছামোৱাৰ আলো লিউৰ হাতত ৩-২ তপৰাস্ত হৈ কমনৱেলথ গেমছৰ পৰা বিদায় লৈছে। আনহাতে, ৭৫ কিলোগ্ৰাম শাখাত খেলা সুমিতো প্ৰথম মেচতে অষ্ট্ৰেলিয়াৰ বক্সাৰৰ হাতত ৫-০ ত পৰাস্ত হৈ বিদায় লয়।

## জুডোত ভাৰতৰ ৰূপ

**বাৰ্মিংহাম, ১ আগষ্ট ঃ** চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতৰ পদক জয়ৰ গৌৰৱ আজিও অৱধাৰিত ৰূপত আছে। আজি ভাৰতে ভাৰোত্তোলন, জুডো আৰু লন বলত পদক জয় কৰে। উল্লেখ্য যে আজি ভাৰতৰ চাৰি গৰাকী জুডুকাই নিজৰ নিজৰ ওজন শাখাত অংশ লয়। মহিলাৰ ৪৮ কিলোগ্ৰাম শাখাত খেলা এল সুশীলা দেৱীয়ে ফাইনেলত দক্ষিণ আফ্ৰিকাৰ খেলুৱৈৰ হাতত হাৰি ৰূপৰ পদক লাভ কৰে। মণিপুৰৰ জুডোকাগৰাকীয়ে কোৱাৰ্টাৰ ফাইনেলত মালদ্বীপৰ খেলুৱৈক পৰাস্ত কৰাৰ পাছত ছেমিফাইনেলত মৰিছাচৰ ম'ৰান্ডক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। খিতাপৰ যুঁজত তেওঁ মুখামুখি হ'ব দক্ষিণ আফ্ৰিকাৰ মিচেলাৰ। ইফালে, ৬০ কিলোগ্ৰাম শাখাত খেলা ভাৰতৰ বিজয় কুমাৰে ছেমিফাইনেলত পৰাস্ত হয় যদিও এতিয়া ব্ৰঞ্জৰ বাবে খেলিব। ব্ৰঞ্জ পদক লাভ কৰাৰ বাবে দেশৰ হৈ অন্তিম যুঁজত নামিব ৫৭ কিলোগ্ৰাম শাখাত খেলা সুচিকা তাৰিয়াল আৰু ৬৬ কিলোগ্ৰাম শাখাত খেলা জেছলিন সিং ছাইনিয়েও।

# বেডমিণ্টনৰ ছেমিফাইনেলত ভাৰতীয় দল

**বাৰ্মিংহাম, ১ আগষ্ট ঃ** কমনৱেলথ গেমছৰ বেডমিণ্টনৰ দলীয় চেম্পিয়ন ভাৰতে নিজৰ জয়যাত্ৰা অব্যাহত ৰাখি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় মিক্সড



বেডমিণ্টন দলে দক্ষিণ আফ্ৰিকাক ৩-০ ৰ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে। খিতাপৰ যুঁজলৈ অগ্ৰসৰ হোৱাৰ বাবে ভাৰত মুখামুখি হ'ব ছিংগাপুৰৰ। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা মেচত ভাৰতৰ দুই তাৰকা পি ভি সিন্ধু আৰু কিদাম্বি শ্ৰীকান্তে অংশ নল'লে। ইয়াৰপূৰ্বে পি ভি সিন্ধু নেতৃত্বনাধীন ভাৰতীয় মিক্সড বেডমিণ্টন দলে গ্ৰুপৰ অন্তিমখন মেচত ৪-১ ৰ ব্যৱধানত পৰাস্ত কৰিছিল অষ্ট্ৰেলিয়াক। এই মেচখনত ভাৰতৰ দুবাৰৰ অলিম্পিক পদক বিজয়ী পি ভি সিন্ধুই ২১-১০, ২১-১২ ৰ ব্যৱধানত জয়লাভ কৰাৰ বিপৰীতে কিদাম্বি শ্ৰীকান্তে ২১-১৪, ২১-১৩ ৰ ব্যৱধানত জয় সাব্যস্ত কৰে। আনহাতে, ডাবলছ শাখাত চিৰাগ-সমিথ যুটিয়ে ২১-১৬, ২১-১৯ ৰ ব্যৱধানত জয়লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ভাৰতীয় বেডমিণ্টন দলে প্ৰথম মেচত পাকিস্তানক ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰি অভিযান আৰম্ভ কৰাৰ পাছত দ্বিতীয় মেচত ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰিছিল শ্ৰীলংকাক।

## ছেমিফাইনেলত স্থান নিশ্চিত কৰাৰ লক্ষ্য

# আজি ইংলণ্ডৰ মুখামুখি হ'ব ভাৰতীয় মহিলা হকী দল

**বাৰ্মিংহাম, ১ আগষ্ট ঃ** ভাৰতৰ মহিলা হকী দলে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত কাইলৈ ছেমিফাইনেলত স্থান নিশ্চিত কৰাৰ লক্ষ্যৰে গ্ৰুপৰ তৃতীয় মেচখন খেলিব ইংলণ্ডৰ বিৰুদ্ধে। উল্লেখ্য যে ক্ৰমাগতভাৱে প্ৰথম দুখন মেচত বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হোৱা ভাৰতৰ মহিলা হকী দলে কাইলৈ ইংলণ্ডৰ বিৰুদ্ধেও জয়লাভ কৰিলে ছেমিফাইনেলত স্থান নিশ্চিত হ'ব। ইয়াৰপূৰ্বে ভাৰতৰ মহিলা হকী দলে প্ৰথম মেচত ৫-০ গ'লৰ ব্যৱধানত ঘানাক পৰাস্ত কৰি প্ৰত্যাশিত আৰম্ভণি কৰিছিল। টকিঅ' অলিম্পিকত ছেমিফাইনেল খেলি চমক সৃষ্টি কৰা ভাৰতৰ মহিলা হকী দলে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত পদক জয়ৰ লক্ষ্য লৈছে। জয় ধাৰা অব্যাহত ৰাখি গ্ৰুপৰ দ্বিতীয়খন মেচত ভাৰতৰ মহিলা হকী দলে ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৱেলছক। ভাৰতীয় দলৰ হৈ বন্দনা কাটাৰিয়াই দুটা আৰু গুৰজিত কৌৰে এটা গ'ল দিয়ে।

# ছেমিফাইনেলত সৌৰভ ঘোষাল, বিদায় জ্যোৎস্নাৰ

**বাৰ্মিংহাম, ১ আগষ্ট ঃ** ভাৰতৰ জ্যোৎস্না চিন্নাপ্পা চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছৰ মহিলাৰ একক শাখাৰ স্ক'ৱাছৰ কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হৈ পদক জয়ৰ দৌৰৰ পৰা আঁতৰি আহিছে। কিন্তু পুৰুষৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ সৌৰভ ঘোষালে। আজি হোৱা কোৱাৰ্টাৰ ফাইনেলত সৌৰভে ১১-৫, ৮-১১, ১১-৭, ১১-৩ ৰ ব্যৱধানত পৰাস্ত কৰে স্কটলেণ্ডৰ ল'বানক। ইয়াৰপূৰ্বে সৌৰভে শ্ৰীলংকাৰ প্ৰতিদ্বন্দ্বীক ১১-৪, ১১-৪, ১১-৬ ৰ ব্যৱধানত পৰাস্ত কৰিছিল। ইফালে, আজি হোৱা মহিলাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত কানাডাৰ হ'লীয়ে ১১-৯, ১১-৫, ১৫-১৩ ৰ ব্যৱধানত পৰাস্ত কৰে ভাৰতৰ জ্যোৎস্না চিন্নাপ্পাক। উল্লেখ্য যে নিউজিলেণ্ডৰ প্ৰতিদ্বন্দ্বীক ১১-৮, ৯-১১, ১১-৪, ১১-৬ ত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল জ্যোৎস্নাই। আনহাতে, প্ৰথম মেচত বাৰ্বাডোজৰ প্ৰতিদ্বন্দ্বীক ১১-৮, ১১-৯, ১২-১০ ৰ ব্যৱধানত পৰাস্ত কৰিছিল জ্যোৎস্নাই। ইফালে, আজি হোৱা অন্য এখন মেচত ছোৱালীৰ শাখাত ভাৰতৰ সুনয়না কুৰুভিল্লাই ১১-৩, ১১-২, ১১-২ ৰ ব্যৱধানত শ্ৰীলংকাৰ প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ স্থান নিশ্চিত কৰে। মাত্ৰ ১২ মিনিটতে মেচত জয়ী হয় সুনয়না।



## আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি ফিল'বাৰী সেনা ছাউনীত ভলীবল প্ৰতিযোগিতা

# ফিল'বাৰী সেনা ছাউনী ভলীবল দল বিজয়ী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ফিল'বাৰী, ১ আগষ্ট ঃ** আজি ফিল'বাৰী চাহ বাগিচাৰ খেলপথাৰত ভাৰতীয় সেনাৰ ১৪ নং আছাম ৰেজিমেণ্টৰ ফিল'বাৰী সেনা চাউনীৰ উদ্যোগত দেশ স্বাধীন হোৱা ৭৫ বছৰ উপলক্ষে "আজাদি কা অমৃত মহোৎসৱ" লগত সংগতি ৰাখি প্ৰীতিমুলক ভলীবল খেল অনুষ্ঠিত হয়।প্ৰীতিমুলক ভলীবল খেলত অংশগ্ৰহণ কৰে ফিল'বাৰী সেনা চাউনী ভলীবল দল বনাম বিজুলীবন ভলীবল দলৰ মাজত।ফিল'বাৰী সেনা চাউনী ভলীবল দলে বিজুলীবন ভলীবল দলক ৩-০ চেটত পৰাজিত কৰি চেম্পিয়ন হয়।প্ৰীতিমুলক ভলীবল খেলৰ উদ্বোধন কৰে ফিল'বাৰী সেনা চাউনীৰ বিষয়া গৌৰৱ ৰাণা।খেলৰ শেষত বিজয়ী আৰু বিজিত দলক পুৰস্কাৰ বিতৰণ কৰা হয়।




## আন্তঃজিলা আৰক্ষী ফুটবল

**গুৱাহাটী, ১ আগষ্ট ঃ** অসম আৰক্ষীৰ আন্তঃজিলা ফুটবল প্ৰতিযোগিতাৰ আজি প্ৰথমখন খেল বিহালী আৰক্ষী থানা আৰু জিনজিয়া আৰক্ষী থানাৰ মাজত বেদেতীৰ বিহালী চাহ বাগিচা খেল পথাৰত অনুষ্ঠিত হয় । আজিৰ খেলখন বিশ্বনাথ জিলা আৰক্ষী অধীক্ষক নবীন সিঙে উদ্বোধন কৰে। খেলখনত বিহালী চাহ বাগিচাই ২-০ গ'লত জয়ী হয়। দলৰ হৈ গ'ল কৰে বিকি কুৰুৱা আৰু উত্তম ধনবাৰ্লাই। খেল খন পৰিচালনা কৰে ৰেফাৰী ৰঞ্জিৎ গগৈয়ে । খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিকি কুৰুৱাক বিশ্বনাথ জিলা আৰক্ষী অধীক্ষকৰ হৈ অতিৰিক্ত উপায়ুক্ত বিশ্বজিৎ শইকীয়াই ট্ৰফী প্ৰদান কৰে।

## ছুপাৰ ষ্ট্ৰাইকাৰ্ছৰ জয়

**গুৱাহাটী, ১ আগষ্ট ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নৰ কুমাৰ ভূঞা সোঁৱৰণী তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত নগাঁও ছুপাৰ ষ্ট্ৰাইৰ্কাছে কামপুৰ ষ্টুডেণ্ট এথলেটিক ক্লাবক ২-১ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনত নগাঁও ছুপাৰ ষ্ট্ৰাইৰ্কাছৰ হৈ পৰাগ পাটৰ আৰু দীপজ্যোতি বৰদলৈয়ে গল দুটা দিয়াৰ বিপৰীতে কামপুৰ ষ্টুডেণ্ট এথলেটিক ক্লাবৰহৈ সুমন দেউৰীয়ে একমাত্ৰ গলটো দিয়ে। আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী ৰয়েল ইছলামক সহায় কৰে শৈলেন ভূঞা, চাহজাহান আলী চৌধুৰী আৰু কৃষ্ণ কান্ত দাসে।

# নলবাৰী জিলা আন্তঃ মণ্ডুল স্কুল ফুটবল প্ৰতিযোগিতাত চামতা উচ্চতৰ মাধ্যমিক আৰু ধমধমা উচ্চতৰ মাধ্যমিক বিদ্যালয় চেম্পিয়ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী ১ আগষ্ট ঃ** চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত, নলবাৰী জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ উদ্যোগত অনুষ্ঠিত আন্ত: মণ্ডুল, বিদ্যালয় ১৪ বছৰ অনুৰ্ধ আৰু ১৭ বছৰ অনুৰ্ধৰ ফুটবল প্ৰতিযোগিতাৰ আজিৰ চূড়ান্ত খেলত দুখন চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়




। প্ৰথম খন খেলত চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয় দলে (১৪ অনুৰ্ধৰ) ধমধমা উচ্চতৰ মাধ্যমিক বিদ্যালয় দলক ৪-৩ গলৰ ব্যৱধানত পৰাজিত কৰি চেম্পিয়ন হয় । খেলৰ প্ৰথমাৰ্ধৰ ৫ ;১০ আৰু ২৫ মিনিটত চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সুদক্ষ খেলুৱৈ ক্ৰমে মৃগেন বড়োই ৩ গ'ল দি হেট্ৰীক আৰ্জনেৰে দলক আগবঢ়াই নিয়ে । দ্বিয়াৰ্ধৰ ১০ মিনিটত চামতাৰ হৈ দৃষ্টিনাভ শৰ্মাই ১ গল দি দলক ৪-১ গলত বিজয় দান কৰে । এই অৰ্ধৰ ২১ মিনিটত ধমধমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জোনমণি কলিতাই ১ গ'ল পৰিযোধ কৰি ব্যৱধান ৪-১লৈ হ্ৰাস কৰে । চূড়ান্ত খেলখন উদ্বোধন কৰে চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বীৰেন্দ্ৰ নাথ বৰ্মনে । খেল খন পৰিচালনা কৰে ৰেফাৰী সঞ্জীৱ মিশ্ৰ, গকুল দাস, মণিপ্ৰিন্স হাজৰিকা, আৰু অনিমেষ বৰ্মনে । আনহাতে একেখন খেলপথাৰত অনুষ্ঠিত ১৭ বছৰ অনুৰ্ধৰ চূড়ান্ত খেল খনত ধমধমা উচ্চতৰ মাধ্যমিক বিদ্যালয় দলে চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয় দলক ৩- ১ গ'লৰ ব্যৱধানত পৰাজিত কৰি চেম্পিয়ন হয় । খেলৰ প্ৰথমাৰ্ধৰ ১০ মিনিত চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয় দলে লাভ কৰা এটি পেনাল্টি কিক কাৰ্যকৰি কৰে ধিমানজ্যোতি শৰ্মাই । দ্বিতীয়াৰ্ধৰ ১১; ১৫; আৰু ২৫ মিনিটত ধমধমা উচ্চতৰ মাধ্যমিক বিদ্যালয় দলৰ বিকাশ ব্ৰহ্মই তিনিওটা গ'ল দি হেট্ৰীক আৰ্জন কৰি ৩-১ গলক বিজয় সাব্যস্ত কৰে । খেলখন উদ্বোধন কৰে চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ সম্পাদক বিকাশ ভট্টাচাৰ্যই । উদ্বোধনী অনুষ্ঠানত প্ৰাক্তণ ৰাষ্ট্ৰীয় ৰেফাৰী জীতেন হুজুৰী, নলবাৰী জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ জ্যেষ্ঠ কৰ্মচাৰী কৰুণা বৰ্মনে । এই খেলখন পৰিচালনা কৰে ৰেফাৰী বিশ্বজিৎ ভূএগ্রা, মণিপ্ৰিন্স হাজৰিকা, অনিমেষ বৰ্মন আৰু গকুল দাসে ।

# লনবলৰ ফাইনেলত প্ৰৱেশ নয়নমণি শইকীয়া, ধনশিৰিত আনন্দৰ ধল

**দৈনন্দিন বাৰ্তাৰ বিশেষ ক্ৰীড়া প্ৰতিনিধি, বৰপথাৰ, ১ আগষ্ট ঃ** ইংলেণ্ডৰ বাৰ্মিংহামত ইতিহাস ৰচনা কৰিলে গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ সৰুপথাৰৰ জীয়ৰী নয়নমণি শইকীয়াই। আজি অনুষ্ঠিত হোৱা কমনৱেলথ গেমছৰ লনবল শাখাত শক্তিশালী প্ৰতিপক্ষ নিউলেণ্ডক পৰাস্ত কৰি পদক নিশ্চিত কৰিলে ভাৰতীয় মহিলা দলটোৱে। চাৰিজনীয়া এই মহিলা দলটোত আছে অসম কণ্যা সৰুপথাৰৰ টেঙাবাৰী গাঁৱৰ জীয়ৰী তথা টেঙাহোলা গাঁৱৰ বোৱাৰী নয়নমনি শইকীয়াই। মহিলা দলটো ফাইনেলত প্ৰৱেশ কৰাৰ লগে লগে সমগ্ৰ ধনশিৰি মহকুমাটে দেখা গৈছে উছাহৰ ধল। ভিতৰুৱা অঞ্চলৰ পৰা গৈ ভাৰতক প্ৰতিনিধিত্ব কৰি গোলাঘাটৰ লগতে সমগ্ৰ ভাৰতবৰ্ষলৈ গৌৰৱ কঢ়িয়াবলৈ সক্ষম হোৱা নয়নমণিৰ জয়ে এতিয়া খেলুৱৈ গৰাকীৰ টেঙাহোলাস্থিত বাসগৃহতো আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি কৰিছে। নয়নমণিৰ শাশু, স্বামী, কন্যাৰ লগতে পৰিয়াল তথা স্থানীয় গাঁওবাসীও যথেষ্ট উৎফুল্ল হোৱা দেখা গৈছে। উল্লেখ্য যে ধনশিৰি মহকুমাৰ পৰা ভাৰতক প্ৰতিনিধিত্ব কৰা আন এগৰাকী খেলুৱৈ হৈছে অলিম্পিক পদক জয়ী লাভলীন বৰগোহাঁই। ইপিনে স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনে লনবলৰ দলটো কমনৱেলথ গেমছৰ ফাইনেলত জয়ী হৈ সোণৰ পদক আজুৰি আনিব বুলি আশা প্ৰকাশ কৰিছে। লগতে বিধায়ক গৰাকীয়ে ধনশিৰি মহকুমা অসমৰ ক্ৰীড়াৰ কেন্দ্ৰবিন্দু হিচাপে পৰিগণিত হৈছে বুলি তাৎপয্যপূৰ্ণ মন্তব্য কৰিছে।

# গোগামুখ মহৰিকেম্পত স্বাধীনতা দিৱস উপলক্ষে ফুটবল খেল আৰম্ভ ঃ উদ্বোধনী খেলত শলখবাৰী ফুটবল দলৰ অগ্ৰগতি

**দৈনন্দিন বাৰ্তাৰ বিশেষ ক্ৰীড়া প্ৰতিনিধি, ধেমাজি, ১ আগষ্ট ঃ** ধেমাজি জিলাৰ গোগামুখ মহৰিকেম্পস্থিত ৰাজীৱ গান্ধী গ্ৰাম্য ক্ৰীড়া প্ৰকল্পত আজিৰ পৰা দেশৰ ৭৬ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে ফুটবল খেল আৰম্ভ হৈছে । আজিৰ উদ্বোধনী খেলখন শলখবাৰী ফুটবল একাদশে মহৰিকেম্প ফুটবল একাদশক ২-০ গলৰ ব্যৱধানত পৰাস্ত কৰি পৰৱৰ্তী পৰ্যায়লৈ অগ্ৰগতি লাভ কৰিছে। খেলখন উদ্বোধন কৰে সমাজকৰ্মী পদ্মেশ্বৰ পেগুৱে । তেওঁক সহযোগ কৰে স্বাধীনতা দিৱসৰ উদ্‌যাপন সমিতিৰ সভাপতি দেবানন্দ বড়া, সম্পাদক সনাতন দলে, ক্ৰীড়া সংগঠক পদ্ম বড়া, ত্ৰৈলোক্য বড়া, অনিল হাজৰিকা, মিঠাৰাম গোহাঁই, আদিত্য ফুকন আদিয়ে । উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে ধেমাজি জিলা ক্ৰীড়া সংস্থাৰ উপসভাপতি মনোজ পেগু, দিলীপ পেগু, ধৰ্মকান্ত নৰহ, গোগামুখ ক্ৰীড়া সংস্থাৰ সম্পাদক মনিৰাম পেগু আদিয়ে । কাইলৈ গোপাল কৃষ্ণ ফুটবল একাদশ বনাম কচুতলি ফুটবল একাদশৰ মাজত দিত্বীয়খন খেল অনুষ্ঠিত হ'ব।



No. TECH/U&BDTD/BLDG/IFB/2022-23/28, Dated. 29.07.2022

**PRESS NOTICE INVITING FOR BID**

The Executive Engineer, PWD(B&NH) Udalguri & Baksa District Territorial Building Division, Udalguri on behalf of Governor of Assam invites bids from approved and eligible Contractors registered with Public Works Department (Buildings), Assam/Contractors registered with Bodoland Territorial Council in the category of Class-I (A, B&C), Class-II & Class-III for 2 (two) nos. of works for bids amounting to **Rs.15,40,536.00** (approx) (Rupees fifteen lakh forty thousand five hundred thirty six) only.

Details may be seen at in the office of the undersigned during office hours.

Sd/-
Executive Engineer, PWD (B&NH)
Udalguri & Baksa District Territorial
Building Division, Udalguri

*IPR(BTC)-230/2022*

No: GMB: 10/2022/228

**NOTICE INVITING QUOTATION**

Quotations are invited for supply of the following items from Local/Un-local firms. Full specifications should be mentioned in the Quotation. Selected Quotation bidder will be specified by the undersigned.

| Si no. | Description | Quantity | Price per Unit |
|---|---|---|---|
| 1 | Steel pipes for chairs for Borpukhuri. (Size 4 ft x 2.5 ft) including fitting.fixing. | 8 nos. | |

Quotations will be received up to 2.00 PM on or before 07/08/2022 in the office of the Gohpur Municipal Board and will be opened on the same date.

The undersigned reserves the right to accept or reject any quotation without assigning reason thereof.

The suppliers should furnish the following documents along with the quotation.

1. GST registration certificate.
2. Experience certificate of supplying similar items.
3. Trade License.

Criteria for selection will strictly depend on the conditions mentioned below.

Sd/-
Executive Officer
Gohpur Municipal Board
Gohpur

No: GMB 10/2022/229

**NOTICE INVITING TENDER**

Sealed tender in plain papers subsequently to be drawn in F-2 form affixing non-refundable court fee stamp of Rs. **8.25** only are invited for the following works from class- 1(A,B,C), II & III contractors under P.W.D. (Roads/Building) according to their eligibility (1% for ST/SC/OBC) of the estimated amount beyond will have to be deposited as security in form of bank draft pledged in favour of Gohpur Municipal Board along with the tenders submitted. Moreover, the successful tenderer will require to furnish earnest money as per A.P.W.D. (Road)"norms before issuing formal work order.

The tenders will be received up to **2.00** P.M. of **07/08/2022**. The tenders will be opened on the same day at **2.30** P.M. Intending tenderer or their authorized agents may remain present at the time of opening the tenders.

The tender papers will be supplied on payment of Rs. 500/- (Rupees five hundred) only (Non refundable) by cash. Attested copy of testimonials like Registration Certificate, up to date clearance of Income tax, Sale tax clearance certificate, Labour if or the yearicences and experience certificate etc.

| Si no. | Name of the Scheme | Estimated Amount (in Rs) | Earnest Money |
|---|---|---|---|
| 1. | Beautification of Borpukhuri for Amrit Sarovar Mahotsav under 15th FC tied grant for the year 2022-23 (2nd inst.) | 1,90,000.00 | 3800.00 |

**Total 1,90,000.00**
**(Rupees One lakh ninety thousand )only.**

N.B : Enclosed Terms & Conditions (Annexure I) and Tender Schedule.

Sd/-
Executive Officer
Gohpur Municipal Board, Gohpur

Janasanyog /CF/1601/22





## দিছপুৰত অসম সচিবালয় চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সন্থাৰ সদস্য পৰিয়ালৰ কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন

# কেৱল চাকৰিমুখী নহৈ কৃষি অথবা ৰাজনীতিৰ ক্ষেত্ৰতো প্ৰতিষ্ঠিত হ'বলৈ কৃতী ছাত্ৰ-ছাত্ৰীক আহ্বান মন্ত্ৰী হাজৰিকাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ আগষ্ট ঃ** অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই আজি অসম সচিবালয় চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থাই আয়োজন কৰা সন্থাৰ সদস্য পৰিয়ালৰ সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মন্ত্ৰী নন্দিতা গাৰ্লোচা আৰু বিধায়ক কৌশিক ৰায়ো উপস্থিত থকা অনুষ্ঠানটোত কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনাই মন্ত্ৰী হাজৰিকাই তেওঁলোকৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰে। অনুষ্ঠানটোত বক্তব্য ৰাখি মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰত্যেকবছৰৰ দৰে এই বৰ্ষও এনেদৰে কৃতী ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনাবলৈ পাই তেওঁ সুখী হৈছে। ছাত্ৰ-ছাত্ৰীসকলক চাকৰিমুখী নহ'বলৈ আহ্বান জনাই মন্ত্ৰী হাজৰিকাই কয় যে ডাক্তৰ, ইঞ্জিনীয়াৰ অথবা চৰকাৰী বিষয়া হোৱাৰ সমান্তৰালভাৱে আমাৰ ভাল ছাত্ৰ-ছাত্ৰীসকলে শিক্ষক, খেতিয়ক অথবা ৰাজনীতিবিদ হোৱাৰ বাবেও মন মেলিব লাগে। আনহাতে, কেৱল চাকৰিতেই জীৱনটোক সীমাবদ্ধ কৰি নাৰাখি যি কোনো ক্ষেত্ৰতে সু-প্ৰতিষ্ঠিত হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলক মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। ভৱিষ্যতে সমাজত সু-প্ৰতিষ্ঠিত হ'বৰ বাবে অনাগত সময়ত প্ৰয়োজন হোৱা সকলো গুণ আয়ত্ত কৰি ল'বলৈও মন্ত্ৰীগৰাকীয়ে কৃতী ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। আনহাতে, জীৱনত প্ৰতিষ্ঠা লাভ কৰাৰ পাছত নিজৰ গাঁও অথবা অঞ্চলটোক কোনোপধ্যেই পাহৰি নগৈ এগৰাকী দায়িত্বশীল নাগৰিক হ'বলৈ সকলোকে মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। সমাজত ভাল ল'ৰা-ছোৱালীবোৰে ৰাজনীতিৰ ক্ষেত্ৰখনতো আগবাঢ়ি গৈ কাম কৰাৰ প্ৰয়োজন আছে বুলি উল্লেখ কৰি মন্ত্ৰী হাজৰিকাই কয় যে দেশখন ৰাজনীতিবিদসকলে চলাই থাকে, সেয়ে একোজন ভাল ৰাজনীতিবিদ হোৱাৰ বাবেও কৃতী ছাত্ৰ-ছাত্ৰীসকলে প্ৰয়াস কৰা উচিত। জনতা ভৱনৰ জলসম্পদ মন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত আজিৰ অনুষ্ঠানটোত মন্ত্ৰী নন্দিতা গাৰ্লোচায়ো কৃতী ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য ৰাখে। অসম সচিবালয় চতুৰ্থ শ্ৰেণী চৰকাৰী কৰ্মচাৰী সন্থাৰ সভাপতি ৰৌচন আলীয়ে সভাপতিত্ব কৰা অনুষ্ঠানটোত সন্থাৰ তৰফৰ পৰা সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ভাল ফলাফলেৰে উত্তীৰ্ণ হোৱা ২২গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক একোখন মানপত্ৰ, গামোচা, অভিধান আৰু নগদ ধনেৰে সম্বৰ্ধনা জনোৱা হয়।

# নলবাৰীত বিত্তমন্ত্ৰী অজন্তা নেওগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ১ আগষ্ট ঃ** আজি অসম চৰকাৰৰ বৃহৎ মহিলা সবলীকৰণ পদক্ষেপ- 'অৰুনোদয় আঁচনি'ৰ হিতাধিকাৰীৰ পুনৰীক্ষণৰ ব্যৱস্থাৰ অংশ স্বৰূপে নলবাৰী জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত পৰ্যৱেক্ষক বা তত্ত্বাৱধায়কৰ বাবে আয়োজিত প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ শিবিৰৰ আজি উদ্বোধন কৰে অসমৰ মাননীয় বিত্ত মন্ত্ৰী, নলবাৰীৰ অভিভাৱক মন্ত্ৰী অজন্তা নেওগে। প্ৰশিক্ষণৰ সময়ছোৱাত পৰ্যৱেক্ষকসকলক



তেওঁলোকৰ অৰুণোদয় আঁচনিৰ বৰ্তমানৰ হিতাধিকাৰীৰ পৰ্যৱেক্ষণ বিধি অনুসৰি ৰাইজক আস্থাত লৈ উৎসৰ্গিতমূলক সেৱাৰ মনোভাবেৰে কাম কৰিবলৈ আহ্বান জনায়। উক্ত পৰ্য্যবেক্ষণৰ কাম ২০ আগষ্টৰ পৰা ২০ ছেপ্টেম্বৰলৈ চলিব বুলি জানিবলৈ দিয়ে। প্ৰশিক্ষণৰ সময়ছোৱাত ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ জ্যেষ্ঠ পৰিকল্পনা বিষয়া তথা মুখ্য প্ৰশিক্ষক সীমান্ত কোঁৱৰে অৰুনোদয় আঁচনিৰ পৰ্যৱেক্ষণৰ কাৰণে থকা নিয়মাৱলীসমূহ বিতংভাৱে প্ৰশিক্ষাৰ্থী সমূহক বুজায় দিয়ে। পুনৰীক্ষণ দলৰ কাৰণে নিৰ্মিত মোবাইল এপৰ ব্যৱহাৰৰ বিষয়ে অন্য এজন মুখ্য প্ৰশিক্ষক দেৱজিত বৰ্মণে সবিশেষ অৱগত কৰে। আজিৰ এই প্ৰশিক্ষণ অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত মুন গগৈ, জিলা তথ্য আৰু জনসংযোগ বিষয়া আৰু পৰ্যবেক্ষকৰ প্ৰশিক্ষণ গ্ৰহণৰ বাবে অহা প্ৰায় সাতটাকৈ বিভাগৰ প্ৰায় ৬০ৰো অধিক কৰ্মচাৰী উপস্থিত থাকে।

সত্যমেব জয়তে

মীন বিভাগ অসম চৰকাৰ

১৩-১৫ আগষ্ট ঘৰে ঘৰে জাতীয় পতাকা | তিনি বৰণীয়া জাতীয় পতাকা নীল আকাশত নাচে

Azadi Ka Amrit Mahotsav

মীন খণ্ডত চলি থকা বিশেষ কে চি চি (KCC)ঋণৰ সুবিধা গ্ৰহণ কৰক।

মীন খণ্ডৰ সৰ্বাঙ্গীণ উন্নয়ন ত্বৰান্বিত কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে বিশেষ কে চি চি ঋণৰ ব্যৱস্থা কৰিছে।

- বানপানীত ক্ষতিগ্ৰস্ত মীন পাম/ পুখুৰী আদি পুনৰুজ্জীৱিত কৰাৰ বাবে এই ঋণৰ সুবিধা ল'ব পাৰে।
- বানপানীত ক্ষতিগ্ৰস্ত নহ'লেও মাছ পালন, মাছৰ ব্যৱসায় আদিৰ বাবে এই ঋণৰ সুবিধা ল'ব পাৰিব।
- ৰাজ্যৰ প্ৰতিখন জিলাতে প্ৰতি সপ্তাহত কমেও এটাকৈ বিশেষ কে চি চি শিবিৰ অনুষ্ঠিত হৈ থাকে।
- ইচ্ছুকসকলে এই শিবিৰতে মীন বিভাগ আৰু বেঙ্কৰ বিষয়াৰ উপস্থিতিত আবেদন কৰাৰ সুযোগ পাব।
- কে চি চি ঋণৰ ক্ষেত্ৰত বেঙ্কৰ নিৰ্ধাৰিত সুদৰ ওপৰত ভাৰত চৰকাৰৰ পৰা ২% ৰেহাইৰ ব্যৱস্থা আছে।
- নিৰ্ধাৰিত সময়ত ঋণ ঘূৰাই দিয়াৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে ৩% সুদ ৰেহাই দিয়াৰ ব্যৱস্থা ৰাখিছে।
- অৰ্থাৎ সদ্য প্ৰচলিত হিচাবত শতকৰা বছৰি মাত্ৰ ৪% সুদত এই ঋণ লাভ কৰিব পাৰে।
- এই ঋণৰ বাবে বেঙ্কৰ তৰফৰ পৰা বিভিন্ন পৰিচালন খৰচ ৰেহাই দিয়াৰ ব্যৱস্থা আছে।
- সৰ্বাধিক ১ লাখ ৬০ হাজাৰ টকা পৰ্যন্ত এই ঋণৰ বাবে বন্ধকী লোৱাৰ ব্যৱস্থা নাথাকে।

কে চি চি আবেদনৰ বাবে প্ৰয়োজনীয় নথি-পত্ৰ

১) আবেদনকাৰীৰ দুই কপি শেহতীয়া পাছপোৰ্ট ফটো
২) ফটোযুক্ত পৰিচয় তথা স্থায়ী ঠিকনা সম্বলিত তথ্য (Voter ID/ AADHAR/ Driving licenseৰ ফটোষ্টেট)
৩) মাটিৰ মালিকানা সম্বন্ধীয় নথি (জমাবন্দী / চিঠাৰ নকল / লেণ্ড হোল্ডিং চাৰ্টিফিকেট/ বেঙ্কৰ সন্মতি সাপেক্ষে অন্য বিধি সন্মত নথি-পত্ৰ )
৪) বেঙ্কৰ জমা বহীৰ প্ৰথম পৃষ্ঠাৰ ফটোষ্টেট কপি
৫) PAN cardৰ ফটোষ্টেট কপি
৬) বিষয় সাপেক্ষ অতিৰিক্ত নথি




কে চি চি ঋণৰ বাবে আবেদন পত্ৰৰ নমুনা

এই আবেদন পত্ৰ সংশ্লিষ্ট মীন বিষয়া অথবা https://fisheriesdirector.assam.gov.in/ ৱেবচাইটৰ পৰাও সংগ্ৰহ কৰি ল'ব পাৰে

Janasanyog/D/9506/22

* বেঙ্কত ঋণগ্ৰস্ত হৈ থকা লোকৰ আবেদন নাকচ হ'ব পাৰে।

মীন ক্ষেত্ৰত জড়িত লোক সকলক সংশ্লিষ্ট মীন বিষয়াৰ জৰিয়তে অনতিবিলম্বে আবেদন কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

- সঞ্চালক, মীন বিভাগ, অসম চৰকাৰ

# কঁহৰাত অসমী হাট মুকলি মন্ত্ৰী অতুল বৰা আৰু কেশৱ মহন্তৰ

■ বজাৰে গ্ৰাম্য মহিলাসকলক স্ব-নিয়োজনৰ সুযোগ প্ৰদান কৰিব ঃ অতুল বৰা
■ সামগ্ৰীৰ মানৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান কেশৱ মহন্তৰ



**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ১ আগষ্ট ঃ** মহিলা সবলীকৰণৰ দিশত বিশেষভাৱে গুৰুত্ব আৰোপ কৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, গোলাঘাট আৰু জিলা গ্ৰামোন্নয়ন অভিকৰণ, গোলাঘাটৰ উদ্যোগত তথা পশ্চিম কাজিৰঙা গাঁও পঞ্চায়ত আৰু নুমলীগড় শোধনাগাৰৰ সহযোগত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰাত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতেই মুকলি কৰা হৈছে অসমী হাট। ৩০ জুলাইত কৃষি আৰু পশুপালন ইত্যাদি বিভাগৰ মন্ত্ৰী অতুল বৰা আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ইত্যাদি বিভাগ তথা গোলাঘাট জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তই এই হাটখন মুকলি কৰে। উল্লেখ্য, এই হাটত গোলাঘাট জিলাৰ ৮টা উন্নয়ন খণ্ডৰ মহিলা আত্মসহায়ক গোটসমূহে প্ৰস্তুত কৰা উৎকৃষ্ট মানৰ বিভিন্ন সামগ্ৰী উপলব্ধ হ'ব। অনুষ্ঠানত ভাষণ দি কৃষি মন্ত্ৰী অতুল বৰাই কয় যে কাজিৰঙা পৰ্যটনৰ এক অভিকেন্দ্ৰ হোৱাৰ বাবে এই অঞ্চলত হস্ততাঁত আৰু হস্তশিল্প বজাৰৰ অপৰিসীম সম্ভাৱনা আছে।এই বিপণীসমূহত মহিলা আত্মসহায়ক গোটসমূহৰদ্বাৰা প্ৰস্তুত কৰা থলুৱা হস্ততাঁত বস্ত্ৰ আৰু অন্য সামগ্ৰী বিক্ৰী কৰা হ'ব । এই পদক্ষেপে গ্ৰাম্য মহিলাসকলক স্ব-নিয়োজনৰ সুযোগ লাভ কৰাত অধিক উৎসাহিত কৰিব বুলি তেওঁ কয়। অনুষ্ঠানত স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই গ্ৰাম্য মহিলাসকলক তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহ বিক্ৰীৰ বাবে এখন মঞ্চ দিয়াত এই প্ৰয়াসৰ ভূঁয়সী প্ৰশংসা কৰে। তেওঁ কয় যে এনে প্ৰচেষ্টাই মহিলাসকলক আৰ্থিকভাৱে সচ্ছল কৰি তোলাত সহায় কৰিব আৰু তেওঁলোকে দুগুণ উৎসাহেৰে কৰ্মক্ষেত্ৰত আত্মনিয়োগ কৰিবলৈ অনুপ্ৰাণিত হ'ব। তেওঁ লগতে সামগ্ৰীৰ মানৰ ওপৰত গুৰুত্ব দিবলৈ মহিলা সকলৰ প্ৰতি আহ্বান জনায়। অনুষ্ঠানত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালক কৃষ্ণা বৰুৱা আৰু গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই মহিলা আত্মসহায়ক গোটৰ সদস্যসকলক উৎসাহিত কৰি ভাষণ দিয়ে। অনুষ্ঠানত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ধীৰাজ দাস, বোকাখাতৰ মহকুমাধিপতি ডাঃ নেহা যাদৱ, জিলা গ্ৰামোন্নয়ন অভিকৰণৰ প্ৰকল্প সঞ্চালক অবিনাশ শইকীয়া, নুমলীগড় ৰিফাইনেৰী লিমিটেড (চি এছ আৰ)ৰ মহাপ্ৰবন্ধক মিণ্টু সন্দিকৈ, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, গোলাঘাটৰ জিলা প্ৰকল্প প্ৰবন্ধক মাধুৰ্য্য প্ৰসাদ বৰা, বিজেপিৰ জিলা সভাপতি দেৱপ্ৰদীপ বৰাৰ লগতে উন্নয়ন খণ্ড বিষয়া, পঞ্চায়ত প্ৰতিনিধিসকল, জীৱিকা সখী, মহিলা আত্মসহায়ক গোটৰ সদস্য আৰু স্থানীয় ৰাইজ উপস্থিত আছিল।




## ইন্টাৰনেচনেল ইণ্ডিয়া গল্ডেন এচিভাৰ্চ এৱাৰ্ডছ উৎপল বণিয়াৰ ডুগডুগীক 'সৰ্বশ্ৰেষ্ঠ অসমীয়া গহনা ডুগডুগী'ৰ সন্মান প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১ আগষ্ট ঃ** গুৱাহাটীৰ লোকনিৰ্মাণ বিভাগৰ কনভেনটেচন্ ট্ৰেইনিং চেন্টাৰত কালি দ্য গল্ডেন ৰুফৰ উদ্যোগত অনুষ্ঠিত হয় 'ইনটাৰনেচনেল ইণ্ডিয়া গল্ডেন এচিভাৰ্চ এৱাৰ্ডছ্ ২০২২ '(আই আই জি এ ২০২২)। উক্ত অনুষ্ঠানতে দা গল্ডেন ৰুফৰ তৰফৰ পৰা উৎপল বনিয়াৰ অসমীয়া গহনাৰ প্ৰতিষ্ঠান ডুগডুগিক 'সৰ্বশ্ৰেষ্ঠ অসমীয়া গহনা ডুগডুগী' (বেষ্ট আছামিছ জুৱেলাৰী ডুগডুগী) শীৰ্ষক সন্মানেৰে সন্মানিত কৰা হয়। কালি অনুষ্ঠিত হোৱা ইনটাৰনেচনেল ইণ্ডিয়া গলদেন এচিভাৰচ এৱাৰডচ্ ২০২২ অনুষ্ঠানত ডুগডুগীৰ স্বত্বাধিকাৰী উৎপল বণিয়াক উক্ত সন্মান আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়।




CHIMNEYS WITH APPS I R.O. WATER PURIFIER I HOBS I GAS STOVE I OTHER KITCHEN APPLIANCES

Abhayapuri-94350-22784 I Agartala-98560-93668 I Baihata chariali-94351-42568/98641-40488 I Bangaigaon-7002184811. 9435547654,9435121367 I Barpeta road-94350-17865 99541-41975 I Barpeta town -94350-25127 I Bhawanipur-7002206773 I Bandardewa-98649-84753 I Bijoynagar -99570-98392/94010-01157/94353-40662 I Boko-94010-02588 I Chaygaon-9435014549 I Dadara -98546-98027 I Dhupdhara-96785-16189 I Dhamaji-99546-51322 I Dhubri-94350-29279 I Diphu-94350-66701/94350-66643 I Dudhnoi-94357-21505/94351-28048 I Goalpara-70023-10904/88762-23858 I Golaghat-96132-30384 I Guwahati -94355-59057/97065-94950 I Hajo-94353-47024/88763-09327 I Hojai-94357-29521/84028-59256 I Jorhat -94350-53934/98541-06776 I Kharupitia -98541-44223 I Kokrajar-97070-29429/99548-88721/94354-81234 I Karimgunj-97061-39061 I Krishnai-88224-15337 I Lumding -94351-63327/97066-14137 I Mangaldoi -94350-87284/94351-86435/97065-39174/73994-79163 I Mirza-98540-71983/99572-81858 I Morigaon -94350-64986/80111-17171 I North lakhimpur-88224-21077 I Nagaon-97061-79408/94355-18665 I Nalbari -98644-14515/98540-30209 I Pathsala-80110-06658 I Dhekiajuli-98548-29934 I Dibrugarh-98548-11265 I Rangia -94351-05888/96782-26563 I Silchar -97061-39061/70054-86129 I Silapathar-70028-94393 I Shillong-90869-66640 I Suwalkuchi -98643-54859 I Tinsukia-94350-35156/94350-35511/94350-36463 I Tezpur-97060-73481 I Tihu-97068-53124 I Udalguri-97063-46492

Trade enq. 9435146909/9435559057/9435559056 www.capsindia.in Toll Free: 1800 103 4646

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৱেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি